www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নিজক অজৰ-অমৰ বুলি বিদ্যা আৰু ধন উপাৰ্জনৰ চিন্তা কৰিব লাগে আৰু মৃত্যুয়ে চুলিত ধৰি আছে বুলি জানি ধৰ্মাচৰণ কৰিব লাগে। — চানক্য

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ❒ সংখ্যা- ১৩৩ ❒ বুধবাৰ ❒ ২৫ ফেব্ৰুৱাৰী, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 133 ❒ Thursday ❒ 25th February, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page- 8

### অৱসৰপ্ৰাপ্ত IAS বিষয়া সুভাষ চন্দ্ৰ দাসৰ অধ্যক্ষতাত গঠন আয়োগ

## অষ্টম অসম দৰমহা আয়োগ গঠনৰ ৰাজপত্ৰিত অধিসূচনা জাৰি

দহ বছৰৰ অন্তত ৰাজ্যত দৰমহা আয়োগ গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্য চৰকাৰৰ লাখ লাখ কৰ্মচাৰী তথা পেনচনভোগীসকলৰ বাবে এক সুখবৰ আহি পৰিছে। অসম চৰকাৰে অষ্টম অসম দৰমহা আয়োগ,

❒ ৬ পৃষ্ঠাত



### লোকসভাৰ সচিবালয়ৰ পৰা জাৰি নিৰ্দেশনা

## গৌৰৱ গগৈক ভাৰত-ফিলিপাইন মৈত্ৰী গোটৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈক ভাৰত-ফিলিপাইন সংসদীয় মৈত্ৰী গোটৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ১৮ সংখ্যক লোকসভাৰ সদস্যসকলক লৈ গঠন কৰা

❒ ৬ পৃষ্ঠাত



### ■ নামকৰণৰ প্ৰস্তাৱত কেন্দ্ৰীয় মন্ত্ৰীসভাই জনালে অনুমোদন ■

# কেৰালাৰ নতুন নাম হ'ব কেৰালাম

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় মন্ত্ৰীসভাই কেৰালা ৰাজ্যৰ নাম 'কেৰালা'ৰ পৰা 'কেৰালাম'লৈ সলনি কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কেবিনেট বৈঠকৰ অন্তত এই ঘোষণা কৰে। এই সিদ্ধান্তৰ ফলত ৰাজ্যখনৰ নাম সলনিৰ প্ৰক্ৰিয়াত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ সম্পন্ন হ'ল, যিটো বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। কেৰালা বিধানসভাই ২০২৪ চনৰ ২৪ জুনত সৰ্বসন্মতিক্ৰমে এই নাম সলনিৰ প্ৰস্তাৱ গৃহীত কৰিছিল। প্ৰস্তাৱত উল্লেখ কৰা হৈছে যে মালয়ালম ভাষাত ৰাজ্যখনক 'কেৰালাম' বুলি কোৱা হয় আৰু এই নামে ৰাজ্যৰ ভাষিক আৰু সাংস্কৃতিক পৰিচয়ক অধিক সঠিকভাৱে প্ৰতিফলিত কৰে। 'কেৰালাম' শব্দটোৱে প্ৰায়ে 'নাৰিকলৰ ভূমি' বুলি

❒ ৬ পৃষ্ঠাত



অগপ সভাপতি অতুল বৰা ঘোষণা

### আনুষ্ঠানিক আলোচনা নোহোৱাৰ বাবে এতিয়াও সমষ্টিৰ সংখ্যা খাটাংকৈ ক'ব নোৱাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** অসমত বিধানসভা নিৰ্বাচনৰ দিন

❒ ৬ পৃষ্ঠাত

### ❒ লুৰীণজ্যোতি গগৈ খোৱাঙৰ উমৈহতীয়া প্ৰাৰ্থী ❒

## দিল্লীত চূড়ান্ত বুজাবুজি কংগ্ৰেছ-অজাপৰ মিত্ৰতাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত ৰাজনৈতিক মহলত এক গুৰুত্বপূৰ্ণ বিকাশ ঘটিছে। অসম জাতীয় পৰিষদ (AJP) আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ মাজত আসন বণ্টনৰ বুজাবুজি সম্পন্ন হৈছে। এই বুজাবুজি

❒ ৬ পৃষ্ঠাত

### মৰিয়নীত মুখ্যমন্ত্ৰীৰ বিজেপিৰ প্ৰাৰ্থী হিচাপে নাম ঘোষণা ৰূপজ্যোতি কুৰ্মীৰ

### ❒ বজ্ৰপাত, ধুমুহাৰ ফলত দুৰ্ঘটনাৰ সন্দেহ ❒

## ঝাৰখণ্ডত দিল্লী অভিমুখী এয়াৰ এম্বুলেঞ্চৰ ভয়াৱহ দুৰ্ঘটনা; নিহত ৭



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাঁচীৰ পৰা দিল্লীলৈ যোৱাৰ পথত সোমবাৰে সন্ধিয়া ঝাৰখণ্ডৰ চত্ৰা জিলাত ভয়াৱহ বিমান দুৰ্ঘটনাত পতিত হয় এখন এয়াৰ এম্বুলেঞ্চ।

❒ ৬ পৃষ্ঠাত

'ফাষ্টট্ৰেক আদালত মই কৰি দিম। কিন্তু জামিন পালে মোক দোষিলে নহ'ব।'

### পৰিয়ালৰ সৈতে আলোচনা কৰি ফাষ্টট্ৰেক আদালতৰ ব্যৱস্থাৰ আশ্বাস

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** অসমৰ জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যুক লৈ চলি থকা হত্যাকাণ্ডৰ গোচৰ ফাষ্টট্ৰেক আদালতত দিয়াৰ বিষয়টোক

❒ ৬ পৃষ্ঠাত

## অসমৰ ৯০-৯৫টা সমষ্টিত কোনো বিৰোধী নাই ঃ মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, আমগুৰি, ২৪ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ মৰিয়ণি বিধান সভা সমষ্টিৰ ২৯৩১৭ গৰাকী মহিলাক আজি মহিলা উদ্যমিতা আচনিৰ ১০ হাজাৰ টকাৰ চেক বিতৰণ আনুষ্ঠানিক ভাৱে আৰম্ভ কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি চেলেংহাট বৈছাহাবি খেলপথাৰত অনুষ্ঠিত এক বিশাল

❒ ৬ পৃষ্ঠাত



### 'দমনমূলক' আৰু 'একনায়কত্ববাদী'ৰ অভিযোগ কংগ্ৰেছৰ

## ভাৰতীয় যুৱ কংগ্ৰেছৰ সভাপতি উদয় ভানু চিবক দিল্লী আৰক্ষীৰ গ্ৰেপ্তাৰ



দিল্লীৰ AI IMPACT SUMMIT সন্মিলনত প্ৰতিবাদ সাব্যস্ত কৰি চাৰিদিনৰ আৰক্ষীৰ জিম্মালৈ উদয়

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰত মণ্ডপমত অনুষ্ঠিত 'ইণ্ডিয়া এ আই ইমপেক্ট সন্মিলন ২০২৬'ৰ সময়ত যুৱ কংগ্ৰেছৰ কৰ্মীসকলে কৰা 'অৰ্ধ-উলংগ' (শাৰ্ট খোলা) প্ৰতিবাদৰ সন্দৰ্ভত দিল্লী আৰক্ষীয়ে তীব্ৰ তদন্ত আৰম্ভ

❒ ৬ পৃষ্ঠাত

### ইংলেণ্ডত অনুষ্ঠিত হ'বলগীয়া আইচিচি মহিলা টি-২০ বিশ্বকাপৰ সম্পূৰ্ণ সূচী প্ৰকাশ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে (আইচিচি) মহিলা টি-২০ বিশ্বকাপ ২০২৬ৰ পূৰ্ণাঙ্গ সূচী আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। আয়োজক ইংলেণ্ডত ১২ জুনৰ পৰা ৫ জুলাই-

❒ ৬ পৃষ্ঠাত


### ❒ অখিল গগৈৰ দায়িত্ববোধক লৈ প্ৰশ্ন ❒

## প্ৰণৱ বড়োৰ মৃত্যু বাৰ্ষিকীত অখিল গগৈৰ অৱহেলা

তীক্ষ্ণ সমালোচনা কৰি সামাজিক মাধ্যমত বিস্ফোৰণ মানস ৰবীনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** ভূমি পট্টাৰ দাবীত আন্দোলন কৰি গাত জুই জ্বলাই আত্মাহুতি দিয়া ছহিদ প্ৰণৱ বড়োৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকীৰ দিনটোতেই অখিল গগৈৰ প্ৰতি তীক্ষ্ণ সমালোচনা কৰি সামাজিক

❒ ৬ পৃষ্ঠাত



### উন্নয়ন আঁচনিৰ বিস্তৃত পৰ্যালোচনা; দিশা বৈঠক নোহোৱাৰ অভিযোগ

## দুদিনীয়া মাজুলী ভ্ৰমণ কেন্দ্ৰীয় মন্ত্ৰী কমলেশ পাছোৱানৰ

মাজুলী জিলা চিকিৎসালয়ত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ইংগিত



**অসম বাৰ্তা, উজনী মাজুলী, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী কমলেশ পাছোৱান দুদিনীয়া

❒ ৬ পৃষ্ঠাত



## ২৫-২৬ ফেব্ৰুৱাৰীত দুদিনীয়া ইজৰাইল ভ্ৰমণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৯ বছৰৰ মূৰত ইজৰাইললৈ দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰীয় সফৰ আৰম্ভ কৰিব। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৰ আমন্ত্ৰণত

❒ ৬পৃষ্ঠাত

ASBM®

Founded and led by Prof. Biswajeet Pattanayak, former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO EXCEL & LEAD @ ASBM



ADMISSION 2019 - 21

POST GRADUATE PROGRAMME IN MANAGEMENT

14th Batch | PGDM

TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA

As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University

BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in

Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

❑ লক্ষ্মীপুৰ মহাবিদ্যালয়ত সজাগতা সভা, বাটৰ নাট ❑

# গোৱালপাৰা জিলা পথ সুৰক্ষা সমিতিৰ সজাগতা অভিযান




**স্তাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৪ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলাত পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰাৰ বাবে জিলা পথ সুৰক্ষা সমিতিৰ উদ্যোগত আজি লক্ষ্মীপুৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক লৈ এখনি সজাগতা সভা অনুষ্ঠিত হয়। লক্ষ্মীপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত পথ দুৰ্ঘটনাৰ সজাগতামূলক সভাখনত গোৱালপাৰাৰ জিলা আয়ুক্ত তথা জিলা পথ সুৰক্ষা সমিতিৰ সভাপতি প্ৰদীপ টিমুং মহোদয় আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক শ্ৰী নৱনীত মহন্ত মহোদয়ে অংশগ্ৰহণ কৰি বক্তৃতা প্ৰদান কৰে। সভাত জিলা আয়ুক্ত মহোদয়ে পথ সুৰক্ষা বিষয়ত ছাত্ৰ-ছাত্ৰীসকলক সজাগ হবলৈ আহ্বান জনায়। গাড়ী চলাওতে ছীট বেল্ট লগোৱা, দুচকীয়া বাহন চলাওতে বা উঠোঁতে হেলমেট পিন্ধা আদিৰ উপৰি যান বাহন আইন মানি চলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিয়ে। লগতে জিলা আয়ুক্ত মহোদয়ে কোনো ঠাইত পথ দুৰ্ঘটনা সংঘটিত হ'লে দুৰ্ঘটনাগ্ৰস্ত আহত ব্যক্তি সকলক তৎপৰতাৰে চিকিৎসালয়লৈ প্ৰেৰণ কৰাত আগভাগ লবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। সভাখনত গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, সমজিলা আৰক্ষী অধীক্ষক অভিলাষ বৰুৱা, জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব তথা লোক নিৰ্মাণ (পথ) বিভাগৰ অধীক্ষক অভিযন্তা কুলেন্দ্ৰ বড়োকে আদি কৰি পৰিবহণ বিভাগ, স্বাস্থ্য বিভাগ আদিৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। সভাখনত গোৱালপাৰা জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত মহোদয়ে প্ৰদান কৰা

গৰুৰ গোহালিসদৃশ ৰান্ধনী ঘৰত চলি আছে পাঁচটাকৈ শ্ৰেণীৰ পাঠদান

# আন্তঃগাঁথনিৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত কপিলী প্ৰাথমিক শিক্ষাখণ্ডৰ পশ্চিম বৰুণগুৰি প্ৰাথমিক বিদ্যালয়

**অসম বাৰ্তা, ৰহা, ২৪ ফেব্ৰুৱাৰী ঃ** কি চলিছে অসমৰ শিক্ষা ব্যৱস্থাত। বিদ্যালয় গৃহৰ সলনি গৰু গোহালিসদৃশ ৰান্ধনী ঘৰত চলিছে এখন বিদ্যালয়। সৰু কোঠাটোত আছে কেইযোৰামান ডেস্ক-বেঞ্চ। ভঙা-ছিগা কণ কণ শিশুৰ খেলাৰ কেইটামান সঁজুলি। কোঠাটোৰ বাহিৰৰ বেৰত বিদ্যালয়খনৰ নাম, শিক্ষা খণ্ড, জিলাসহ ডাইচকোড। দেখিলেই অতিকৈ দুখ লগা পৰিবেশত থকা এই বিদ্যালয়খনে উদঙাইছে শিক্ষা বিভাগৰ পয়ালগা বৰ্তমানৰ স্বৰূপ। বিদ্যালয়খন হৈছে ৰহা সমষ্টিত অন্তৰ্গত। বিদ্যালয়গৃহৰ অভাৱত ৰান্ধনী ঘৰতে ছাত্ৰ-ছাত্ৰীক দিবলগীয়া হৈছে পাঠদান। গোহালি সদৃশ শ্ৰেণীকোঠাত শিক্ষা গ্ৰহণ কণ কণ ছাত্ৰ-ছাত্ৰীৰ। এখন বেঞ্চত এটা শ্ৰেণী, কাষৰ বেঞ্চত আন এটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী। ছয়টা শ্ৰেণীত দুজন শিক্ষকে কি পঢ়ায়, কেনেকৈ পঢ়াই সেয়া কিন্তু এক চাবলগীয়া বিষয়। শিশুৰ ভৱিষ্যতক লৈ যেন হেতালি খেলিছে নগাঁও জিলা শিক্ষা বিভাগে। কাণসাৰ নাই ৰহাস্থিত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ যি সময়ত ৰাজ্যত নতুন শিক্ষা নীতিৰ দ্বাৰা শিক্ষাৰ মান উন্নীত কৰিব বিচৰা হৈছে, সেই সময়তে ৰহাৰ কপিলী প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত কমাৰগাঁও পঞ্চায়তৰ এইখন বিদ্যালয়ে উদঙাইছে শিক্ষা বিভাগৰ ফোঁপোলা স্বৰূপ। এই চাবলগীয়া বিদ্যালয়খনৰ নাম 'পশ্চিম বৰলগুৰি প্ৰাথমিক বিদ্যালয়'। ১৯৮৪ চনত ৰাইজে স্থাপন কৰা বিদ্যালয়খন ২০১৩ চনত প্ৰাদেশিকীকৰণ কৰা হয়। প্ৰদেশিকীকৰণ হোৱাৰ পিছতো ৰাইজে নিৰ্মাণ কৰি দিয়া বাঁহ-খেৰৰ ঘৰতে নিয়মীয়াকৈ বিদ্যালয়ৰ পাঠদান চলি আছিল। কিন্তু জানিব পৰা মতে ২০১৬ চনত বিদ্যালয়গৃহ নিৰ্মাণৰ বাবে সংখ্যালঘু উন্নয়ন বৰ্ডৰ পৰা পুঁজি আবণ্টন হয় আৰু পুৰণি বিদ্যালয়গৃহটো ভাঙি দি ঠিকাদাৰে আবণ্টিত পুজিৰে গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰে। কিন্তু যোৱা দহ বছৰে বিদ্যালয়গৃহটো সম্পূৰ্ণ হৈ নুঠিল। বছৰৰ পিছত বছৰ ধৰি এনেকৈয়ে অসম্পূৰ্ণ হৈ পৰি আছে বিদ্যালয় গৃহটো। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ মুঠ ৩২জন ছাত্ৰ-ছাত্ৰী আৰু দুজন শিক্ষক থকা বিদ্যালয়খনত এবছৰ-দুবছৰ নহয় বিগত দহ বছৰে পাঠদান চলি আছে বিদ্যালয়ৰ ৰান্ধনি গৃহতেই। গোহালিসদৃশ কোঠাটোত একেলগে পাঁচটাকৈ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। যেন এক আজব দৃশ্য। গৰম দিনত শিক্ষকে ছাত্ৰ-ছাত্ৰীক গছৰ তললৈ নি শিক্ষাদান কৰি এশ-এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত বিদ্যালয়খনত নাই বিজ্ঞানসন্মত ৰান্ধনী গৃহ। জাহি-খহি গৈছে প্ৰস্ৰাবাগাৰ-শৌচাগাৰ। অতি পিছপৰা অঞ্চলটোৰ বিদ্যালয়খনৰ এনে সমস্যা তথা দহ বছৰে বিদ্যলয়গৃহৰ নিৰ্মাণ সম্পূৰ্ণ নোহোৱাৰ সম্পৰ্কত শিক্ষক তথা স্থানীয় ৰাইজে শিক্ষা বিভাগৰ লগতে স্থানীয় বিধায়ককেই জনকো বহুবাৰ আবেদন কৰিলে যদিও গুৰুত্ব নিদিলে বিধায়ক তথা শিক্ষা বিভাগে। আনহাতে, পূৰ্বৰ সৰ্বশিক্ষা অভিযান মিছন আৰু বৰ্তমান সমগ্ৰ শিক্ষা অভিযানৰ অন্তৰ্গত বিভিন্ন আঁচনিৰ দ্বাৰা বহু বিদ্যালয়ত গৃহ নিৰ্মাণ হৈ থকা পৰিলক্ষিত হয়, কিন্তু ৰাইজৰ অভিযোগ অনুসৰি সমগ্ৰ শিক্ষা অভিযানৰ দায়িত্ববাহী বিষয়াৰ মইমতালিৰ বাবে প্ৰয়োজনীয় বিদ্যালয়সমূহত বিদ্যালয়গৃহ নিৰ্মাণ নোহোৱাৰ ফলত এনে এক প্ৰতিকূল পৰিবেশৰ মাজেৰেই বছৰ বছৰ ধৰি অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে এনেদৰে শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছে। চৰকাৰে নতুন শিক্ষা নীতি আৰু বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ ৰাজ্যত চৰকাৰী শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ জয়ঢোল বজালেও ৰহাত পশ্চিম বৰণগুৰি প্ৰাথমিক বিদ্যালয়ে উদঙাইছে প্ৰকৃত স্বৰূপ।

"অসমীয়া ভাষা-সাহিত্যৰ ধ্ৰুপদী স্বৰূপ ঃ ঐতিহ্য আৰু ৰূপান্তৰ" শীৰ্ষক বক্তৃতানুষ্ঠান

# সৰুপথাৰ মহাবিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপনৰ সমান্তৰালকৈ দুখনকৈ গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, সৰুপথাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত, মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু সৰুপথাৰ শাখা সাহিত্য [illegible] ২১ ফেব্ৰুৱাৰী তাৰিখে 'আন্তৰ্জাতিক মাতৃভাষা দিৱস' উদ্‌যাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ মুহিকান্ত তামুলী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ববিতা দত্তই আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। অতিথিৰ সম্বৰ্ধনাৰ পাছতে আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰে। প্ৰতিবছৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগে মাতৃভাষা দিৱস পালন কৰি আহিছে যদিও এইবাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বিস্তৃত কাৰ্যসূচীৰে আজিৰ অনুষ্ঠানৰ পৰিকল্পনা কৰা হৈছে বুলি অধ্যক্ষা মহোদয়াই মত পোষণ কৰে। আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ সৈতে সংগতি ৰাখি "অসমীয়া ভাষা-সাহিত্যৰ ধ্ৰুপদী স্বৰূপ ঃ ঐতিহ্য আৰু ৰূপান্তৰ" বিষয়ক বক্তৃতাৰ এটি মনোজ্ঞ অনুষ্ঠান সম্পন্ন হয়। উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° বীনাপাণি দেৱী কটকী আৰু আউনীআটী বিশ্ববিদ্যালয়, যোৰহাট টীয়কৰ অধ্যাপক, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়-যোৰহাটৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা। নৱ-প্ৰজন্মৰ ভাষাৰ ক্ষেত্ৰত আহি পৰা সমস্যা, আধুনিকতাই আনি দিয়া নতুন নতুন শব্দৰ আমদানি, লোকসাহিত্যৰ স্বৰূপ, মাতৃভাষা শিক্ষাৰ প্ৰয়োজনীয়তা, ভাষাৰ সংৰক্ষণ আৰু বিচিত্ৰতা সম্পৰ্কত নিৰ্দিষ্ট বক্তা অধ্যাপক বীণাপাণি দেৱীয়ে সাৱলীল ভাষণ প্ৰদান কৰে। অধ্যাপক-গৱেষক জ্যোতিৰেখা হাজৰিকাই তেখেতৰ ভাষণত অসমীয়া ভাষাৰ ঐতিহ্য আৰু ৰূপান্তৰ সম্পৰ্কত তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰে। ভাষা এটাৰ স্বকীয় মৰ্যাদা ৰক্ষাত নৱপ্ৰজন্মৰ গুৰুদায়িত্ব আছে। উল্লেখযোগ্য যে আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ দিনটোতে ছাত্ৰ একতা সভাৰ সম্পাদক বিবেক ৰানাৰ সম্পাদনা আৰু ড° ববিতা দত্তৰ তত্ত্বাৱধানত প্ৰকাশিত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'বাঙ্ময়' উন্মোচন কৰে ড° বীণাপাণি দেৱীয়ে। আলোচনীখন সুন্দৰ আৰু বিষয়সমূহ গুৰুত্বপূৰ্ণ বুলি তেখেতে মন্তব্য আগবঢ়ায়। ইয়াৰ লগতে মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ড° ববিতা দত্তৰ দ্বাৰা সম্পাদিত 'শংকৰদেৱ আৰু তেওঁৰ সৃষ্টি' বিষয়ক এখনি গ্ৰন্থ উন্মোচন কৰে ড° জ্যোতিৰেখা হাজৰিকাই। শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ এই প্ৰয়াসৰ তেখেতে শলাগ লয়। সভাত উপস্থিত থাকে সৰুপথাৰ শাখা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া, অসম সাহিত্য সভাৰ কাৰ্য্যবাহী সদস্য সূৰ্য গগৈ, মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মণিপ্ৰভা বৰা, সৰুপথাৰ ছোৱালী হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী, সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ -ছাত্ৰীসকল। আজিৰ অনুষ্ঠান সৰ্বাংগসুন্দৰ হোৱা বুলি সকলোৱে মতামত আগবঢ়ায়। সভাৰ শেষত অসমীয়া বিভাগৰ মুৰব্বী ড° ববিতা দত্তই সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

একমাত্ৰ কাউঞ্চিলাৰ মেৰিলীন বড়া গগৈসহ ডেৰ শতাধিকৰ যোগদান বিজেপিত

# তিনিচুকীয়াত বিধস্ত অসম জাতীয় পৰিষদ

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২৪ ফেব্ৰুৱাৰী ঃ** সমাগত ৰাজ্যৰ বিধানসভা নিৰ্বাচন। বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত তৎপৰ শাসক বিৰোধী সকলো দলেই নিজৰ নিজৰ ৰাজনৈতিক ভেটি সুদৃঢ় কৰিবলৈ অৱলম্বন কৰিছে তৎপৰতা। তাৰ মাজতে ৰাজ্যৰ অন্যতম আঞ্চলিক ৰাজনৈতিক দল অসম জাতীয় পৰিষদলৈ আহিছে বিভীষিকা। দলটোৰ পৰা বিগত পঞ্চায়ত নিৰ্বাচনত তিনিচুকীয়া জিলাৰ নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত বজালতলী আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই শাসকীয় মিত্ৰদল তথা অসম গণ পৰিষদৰ প্ৰাৰ্থীক পৰাভূত কৰি জয়ী হোৱা মেৰিলীন বড়া গগৈয়ে প্ৰায় ডেৰ শতাধিক সমৰ্থকক লগত লৈ তিনিচুকীয়া জিলা বিজেপিৰ কাৰ্যালয়ত যোগদান কৰে বিজেপিত। জিলাখনৰ নৱগঠিত মাকুম বিধানসভা সমষ্টিত আঞ্চলিক দল অসম জাতীয় পৰিষদৰ কিছু ভেটি আছিল যদিও আঞ্চলিক পঞ্চায়তৰ সদস্যাগৰাকীৰ বিজেপি গমনে সমষ্টিটোত দলটোৰ ভেটি নোহোৱা কৰিলে। অজপ ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ সন্দৰ্ভত মেৰিলীন বড়া গগৈৰ সৈতে সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত তেখেতে কয়- আঞ্চলিক পঞ্চায়তৰ সদস্যা হিচাপে জয়ী হোৱাৰ পিছত দলটোৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে কোনো খবৰ লবলৈও সময় নাপালে, যাৰ বাবে মই নিৰ্বাচন খেলোতে ৰাইজক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই। তেখেতে নামনি অসমৰ ফালে কিছুমান মানুহক বেছি গুৰুত্ব দিয়াৰ বাবে আমাৰ খবৰ লবলৈ সময় নাপাই। গতিকে মই ৰাইজক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিবলৈ ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিলোঁ। এইদৰে অভিযোগ উত্থাপন কৰি অসম জাতীয় পৰিষদৰ পৰা বিজেপিমুখী হয় নেত্ৰীগৰাকী। ইফালে ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ যুৱ নেত ত্ৰিদিপজ্যোতি মৰাণে কয় যে, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে কিছুমান অচিনাকি লোকৰ খবৰ লৈ থাকোঁতে নিজ দলৰ বড়া, গগৈ লোকসকলৰ খবৰ লবলৈ সময় নাই। অসম জাতীয় পৰিষদ দল এটা সৰু দল হৈও নিজ দলৰ কৰ্মীৰ খবৰ নলৈ অচিনকী মানুহক গুৰুত্ব দিয়ে। সেইকাৰণে মেৰিলীন বড়া গগৈয়ে ৰাইজৰ কাম কৰিবলৈ বিজেপিত যোগদান কৰিছে। ইফালে আজি যোগদান কাৰ্যসূচীত উপস্থিত থাকে তিনিচুকীয়া জিলা বিজেপিৰ সভাপতি কুশকান্ত বড়া, সাধাৰণ সম্পাদক দিগন্ত পাদুন, ৰাজ্যিক বিজেপিৰ উপ সভাপতি পুলক গোহাঁই, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ। মনোজ ধানোৱাৰ, ত্ৰিদিপজ্যোতি মৰাণ, তিনিচুকীয়া জিলা পৰিষদৰ উপ সভানেত্ৰী চিত্ৰলেখা দুৱৰা চুনাৰ লগতে জিলা বিজেপি আৰু ৰাজ্যিক বিজেপিৰ বহুকেইগৰাকী কৰ্মকৰ্তা।

# নাজিৰাত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰীতি সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ২৪ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত নাজিৰা শাখাৰ সহযোগত নাজিৰাত প্ৰীতি সমাৰোহখন অনুষ্ঠিত কৰে। শিৱসাগৰ জিলাৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ মুঠ ১৯টা শাখাৰ একত্ৰিত হৈ আয়োজন কৰে উক্ত অনুষ্ঠানৰ। পুৱা প্ৰভাত চন্দ্ৰ বৰঠাকুৰে পতাকা উত্তোলন কৰাৰ পিছতেই স্মৃতি তৰ্পন আৰু বন্তি প্ৰজ্বলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি বিজয় চন্দ্ৰ বৰাই। ওম কাৰ ধ্বনিৰে ১৯টা শাখাৰ প্ৰয়াত জ্যেষ্ঠ নাগৰিকসকলক স্মৰণ কৰাৰ লগতে বিশেষকৈ অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠাপক সম্পাদক, সভাপতি, উপদেষ্টা পদ অলংকৃত কৰা জ্যেষ্ঠ ৰত্ন, অসম বঁটা প্ৰাপক বিশিষ্ট সাংবাদিক সদ্য প্ৰয়াত ৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ আত্মাৰ সদগতি কামনা কৰি মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি সভাপতিয়ে সমূহ পতাকা অৰ্ধনমিত কৰে আৰু তেখেতৰ অৱদান বিষয়ে আলোকপাত কৰে। জ্যেষ্ঠ নাগৰিক সকলৰ মাজত ক্ৰীড়া, সাহিত্য, সংস্কৃতি আদি সকলো দিশক সামৰি আয়োজন কৰা প্ৰীতি সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ পায় উৎফুল্ল হৈপৰে জ্যেষ্ঠ নাগৰিক সকল। বিশেষকৈ নাজিৰা নাট্য মন্দিৰত আয়োজিত সাংস্কৃতিক অনুষ্ঠানত জ্যেষ্ঠ নাগৰিক সকলৰ গীত, নৃত্য প্ৰদৰ্শনে সকলোকে আপ্লুত কৰি তোলে।

# বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বাছ আস্থান আৰু জিৰণি চ'ৰা আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাৰ



**অসম বাৰ্তা, বকো, ২৪ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ বকোৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান জৱাহৰলাল নেহৰু মহাবিদ্যালয়লৈ সুখবৰ কঢ়িয়াই বকোত উপস্থিত কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা। আজি দিনৰ প্ৰায় ১১ বজাত মহাবিদ্যালয়খনৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত নিৰ্মাণ কৰা বাছ আস্থান আৰু জিৰণি চ'ৰা আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ৰাজ্যসভাৰ সাংসদ গৰাকীয়ে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ আবণ্টিত পুঁজিৰ জৰিয়তে মুকলি কৰে সাংসদ গৰাকীয়ে। উল্লেখ্য যে, মহাবিদ্যালয়খনত অধ্যয়ন কৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে আধুনিক ৰূপত নিৰ্মিত বাছ আস্থান আৰু জিৰণি চ'ৰা মুকলি কৰাৰ পাছতে সন্তুষ্টি প্ৰকাশ কৰে ছাত্ৰ ছাত্ৰীসকলে। এক মাংগলিক পৰিৱেশত বাছ আস্থানটো মুকলি কৰা হয়। প্ৰকাশ্য যে, পূৰ্বে এটি স্থায়ী বাছ আস্থানৰ অভাৱত ছাত্ৰ ছাত্ৰীসকলে বাছ ৰখোৱাৰ সংকেত দিয়াৰ পাছতো ৰখোৱা নাছিল। সেয়ে, এতিয়াৰে পৰা সেই চিন্তা দুৰ হ'ব বুলি ব্যক্ত কৰিছে ছাত্ৰ ছাত্ৰী সকলে। বাছ আস্থান মুকলি কাৰ্যসূচীত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° তপন দত্ত, বকোৰ বিশিষ্ট সমাজকৰ্মী ৰাজু মেচ, সমাজ কৰ্মী হিৰণ্য নাথ, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জিৰা শৰ্মা, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ৰত্নমালা শৰ্মা, বড়ো বিভাগৰ মুৰব্বী অধ্যাপিকা ভৈৰবী বড়ো, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° বাপুকণ শইকীয়াৰ লগতে মহাবিদ্যালয়-খনৰ একাংশ কৰ্মচাৰী, ছাত্ৰ ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল উপস্থিত থাকি কাৰ্যসূচীত সহযোগ আগবঢ়ায়।

# গেলেকীত দল-সংগঠনৰ মেজমেল

**অসম বাৰ্তা, গেলেকী, ২৪ ফেব্ৰুৱাৰী ঃ** গেলেকীৰ বিভিন্ন দল সংগঠন, সমাজ সচেতন ব্যক্তি, প্ৰেছ ক্লাৱৰ বিষয়ববীয়াৰ মাজত এক উমৈহতীয়া মেজমেল অনুষ্ঠিত হয়। গেলেকীৰ বদ্ৰীদাস মুদি বালিকা উচ্চ-মাধ্যমিক বিদ্যালয়ত আবেলি চাৰি বজাৰ পৰা অনুষ্ঠিত হয় এই মেজমেলৰ। গেলেকী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সুৰেশ চেতিয়াই সভাপতিত্ব কৰা উক্ত মেজমেলৰ উদ্দেশ্য ব্যাখ্যা কৰে মেজ মেলখনৰ অন্যতম আহ্বায়ক গুণ মৰাণে। মেজ মেলত বৃহত্তৰ গেলেকী অঞ্চলৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোকপাত কৰা হয়। গেলেকী অঞ্চলৰ মূল সমস্যা সমূহক লৈ মেজমেলত উপস্থিত সকলোৱে নিজৰ নিজৰ মত ব্যক্ত কৰাৰ লগতে এই সমস্যা সমূহ সমাধানৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ বাবে চেষ্টা চলাবলৈ কেনেধৰণৰ পদক্ষেপ লোৱা হব তাৰ ওপৰত বহল ভিত্তিত আলোচনা কৰে। গেলেকীৰ মূল সমস্যা সমূহৰ ভিতৰত জৰাজীৰ্ণ পথ, বন্ধ হৈ থকা নলা নৰ্দমা, গেলেকীৰ চিকিৎসালয়ৰ বৰ্তমানৰ অৱস্থা, গেলেকী অঞ্চলৰ পৰিত্যক্ত খেলপথাৰসমূহ, গেলেকী নাট্য মন্দিৰৰ বৰ্তমানৰ অৱস্থা, গেলেকীৰ কৃত্ৰিম বানপানীৰ সমস্যা, বিশুদ্ধ খোৱা পানীৰ সমস্যা ইত্যাদি অন্যান্য বহু বিষয় আলোচনা আৰু ইয়াৰ সমাধানৰ বিষয়ে চিন্তা চৰ্চা কৰিবৰ বাবে উমৈহতীয়া মঞ্চ গঠনৰ বাবে চিন্তা চৰ্চা কৰা হয়। যিহেতু ইয়াৰ আগেয়ে গেলেকীত কেইবাখনো মঞ্চ গঠন কৰা হৈছে গতিকে সকলো মঞ্চক একগোট কৰি উমৈহতীয়া ভাৱে সমস্যা সমূহ সমাধানৰ বাবে এই সভাত আলোচনা কৰা হয়। সমাগত নিৰ্বাচনৰ পূৰ্বে এই সমস্যা সমূহৰ বিষয়ে প্ৰতিটো ৰাজনৈতিক দলক অৱগত কৰাৰ বাবে চিন্তা চৰ্চা কৰা হয় এই মেজমেলতে। এই মেজমেলত উপস্থিত আছিল প্ৰাক্তন জাতীয়তাবাদী নেতা ডিম্বেশ্বৰ মৰাণ, শিক্ষয়িত্ৰী মামণি দুৱৰা, প্ৰাক্তন শিক্ষক ৰাজেন শৰ্মা, সমাজকৰ্মী ৰবিন বৰঠাকুৰ, আব্দুল হেলিম, শিক্ষক প্ৰশান্ত ৰাজকোঁৱৰ, জাতীয়তাবাদী নেতা প্ৰমোদ মনোৰঞ্জন গগৈ, সাংবাদিক ৰাহিদ আলী, সমাজকৰ্মী প্ৰাঞ্জল বৰুৱা, গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া, গোৰ্খা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, সমাজকমী হেমন্ত গগৈ, ক্ৰীড়াবিদ কৃতীনাথ গগৈ, শিক্ষক গুণ মৰাণকে ধৰি ভালেকেইজন গণ্য মান্য ব্যক্তি।

বনাঞ্চলত বসবাস কৰা আদিবাসী লোকক মাটিৰ পট্টা প্ৰদানৰ দাবীত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ তীব্ৰ প্ৰতিবাদ

# ঢেকীয়াজুলিত মন্ত্ৰী অশোক সিংহলৰ পুত্তলিকা দাহ

## এইবাৰ বিধানসভা নিৰ্বাচনত প্ৰত্যুত্তৰ পাব মন্ত্ৰী অশোক সিংহলে ঃ আনন্দ তাঁতী

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৪ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদ নগৰী ঢেকীয়াজুলিত আজি তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই। বনাঞ্চলত যুগ যুগ ধৰি বসবাস কৰি অহা আদিবাসী সম্প্ৰদায়ৰ লোকসকলক মাটিৰ পট্টা প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰি সংগঠনটোৱে আজি ৬৫ নং ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী অশোক সিংহলৰ পুত্তলিকা দাহ কৰি তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে ৬৫ নং ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন বনাঞ্চলত বসবাস কৰা লোকসকলক অসম চৰকাৰে মাটিৰ পট্টা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু আদিবাসী ছাত্ৰ সন্থাৰ অভিযোগ অনুসৰি একে অঞ্চলত বহু আদিবাসী পৰিয়াল এতিয়াও মাটিৰ পট্টাৰ পৰা বঞ্চিত হৈ আছে। সংগঠনটোৱে অভিযোগ কৰে যে বনাঞ্চলত বাস কৰা আদিবাসী সম্প্ৰদায়ৰ লোকসকলৰ নাম তালিকাভুক্ত নকৰাকৈ তেওঁলোকক অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে। আজি অনুষ্ঠিত পুত্তলিকা দাহ কাৰ্যসূচীত সংগঠনটোৰ বহু সংখ্যক কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গান দি নিজৰ দাবীসমূহ স্পষ্টভাৱে উত্থাপন কৰে। তেওঁলোকে কয় যে বনাঞ্চলত বাস কৰা সকলো যোগ্য আদিবাসী পৰিয়ালক অবিলম্বে মাটিৰ পট্টা প্ৰদান কৰিব লাগিব আৰু বৈষম্যমূলক নীতি গ্ৰহণ বন্ধ কৰিব লাগিব। এই প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব প্ৰদান কৰে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি আনন্দ তাঁতীয়ে। তেওঁ সংবাদ মাধ্যমৰ আগত কয় যে যদি চৰকাৰে অতি শীঘ্ৰে বিষয়টোত সু-স্পষ্ট সিদ্ধান্ত গ্ৰহণ নকৰে তেন্তে আগন্তুক সময়ত সংগঠনটোৱে অধিক বৃহৎ গণআন্দোলনৰ দিশে আগবাঢ়িব। পুত্তলিকা দাহ কাৰ্যসূচীৰ সময়ছোৱাত আইন-শৃংখলা বজাই ৰাখিবলৈ আৰক্ষী বাহিনী মোতায়েন কৰা হৈছিল। কিছু সময়ৰ বাবে অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হ'লেও পাছলৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে।

# বাঘৰ আক্ৰমণত কথমপি প্ৰাণ ৰক্ষা বৰপথাৰৰ দুজন ব্যক্তি

**অসম বাৰ্তা, সৰুপথাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ বৰপথাৰৰ ওপৰলাংঠা গাঁৱত বাঘৰ সন্ত্ৰাস। ওপৰলাংঠা গাঁৱৰ পৰেশ বুঢ়াগোহাঁই আৰু দেবানন্দ বুঢ়াগোহাঁই নামৰ দুজনক আক্ৰমণ কৰে বাঘে। মুখ, হাত, ডিঙি, পিঠি, কঁকালত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে দুয়োজন। পথাৰৰ মাজৰ বগৰী বাৰীত বগৰি ছিঙি থাকোঁতে হঠাৎ পৰেশ বুঢ়াগোহাঁইক আক্ৰমণ কৰে বাঘটোৱে। ইপিনে বাগানৰ পৰা কাম কৰি ভাত খাবলৈ ঘৰলৈ অহা দেবানন্দকো বাঘে আক্ৰমণ কৰে। ততাতৈয়াকৈ গাঁৱৰ ৰাইজে আঘাতপ্ৰাপ্ত লোক দুজনক বৰপথাৰ চিকিৎসালয়লৈ নিয়ে। ঘটনাস্থলীত বৰপথাৰ আৰক্ষী উপস্থিত হৈছে যদিও বন বিভাগে বাঘটো ধৰাত কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। এনে আক্ৰমণে এতিয়া বাঘৰ আতংকত ভুগিছে গাঁৱবাসীয়ে। বৰ্তমানলৈকে দুজন লোকক আঘাত কৰিছে বাঘে। বৰ্তমানলৈকে বন বিভাগৰ লোক অহা নাই। ৰাইজ শংকিত, কাৰণ কোন সময়ত কাক বাঘে আক্ৰম কৰিব পাৰে ঠিক নাই। ভোক্তভোগী দেবানন্দ বুঢ়াগোহাঁয়ে কয়, "প্ৰথমতে আমাৰ ডাঙৰজনক মাৰিলে। আমি দূৰৰ পৰা চাই আছিলো। এদৰা মাটি পাৰ হৈ আহি মাৰিছে। মোৰ মুখত আক্ৰমণ কৰিছে। মোৰ সমানেই আছিল বাঘটো। এটা বাঘেই আছিল। মই বাগানত কাম কৰি আছিলোঁ, বাগানৰ পৰা ঘৰলৈ ভাত খাবলৈ গৈছিলোঁ, ঘৰ নাপালোঁগৈয়ে।"

# সাপৰটাৰী সাতঘৰীয়া লুইতপৰীয়া শিল্পী সংঘৰ ৰঙালী বিহুৰ সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যালয় উদ্বোধন

**অসম বাৰ্তা, ছয়গাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত সাপৰটাৰী সাতঘৰীয়া লুইতপৰীয়া শিল্পী সংঘৰ সৌজন্যত অনুষ্ঠিত হৈ অহা ৰঙালী বিহুখনে এইবেলি সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰে বুলি জানিব পৰা গৈছে। অহা ১৯ আৰু ২০ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা সোণালী জয়ন্তীৰ কাৰ্যালয়টো কালি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সাপৰটাৰী সাতঘৰীয়াৰ জ্যেষ্ঠ নাগৰিক তথা উক্ত ৰঙালী বিহুখনৰ প্ৰথম অন্যতম উদ্যোক্তা প্ৰভাত চন্দ্ৰ দাসে। পদ্মৰাম পাঠকক সভাপতি আৰু নিৰেন মেধিক সম্পাদক হিচাপে লৈ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতি এখন গঠন কৰাৰ কথা জানিবলৈ দিছে সাপৰটাৰী সাতঘৰীয়া ৰাইজ গয়ৰহৰ সভাপতি অশোক পাঠক আৰু সম্পাদক মলেন দাসে। আয়তীৰ উৰুলি আৰু ৰাইজৰ শংখধ্বনিৰে কাৰ্যালয় উদ্বোধন কৰা সভাখনত বিশিষ্ট সমাজকৰ্মী অচিন্ত দাস, কৰুণা দাস, ব্ৰজেন মেধি, দীপক দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**NAME CORRECTION**

My actual and correct name is Masud Shahil Faruky which is correctly recorded in my all personal documents. But my name has been recorded as Imran Khan in my Aadhar Card. Both Masud Shahil Faruky and Imran Khan are the same and one person i.e. myself.

Masud Shahil Faruky
C/O- Nazim Uddin
Raja Ghaduwa, P.O.-
Laharighat, Pin- 782127
P.S.-Laharighat, Morigaon

AB-19/2026

# লেখক-কবি-সাহিত্যানুৰাগীৰ সমাৱেশেৰে শদিয়া ইক' কেম্পত দ্বিতীয় বাৰ্ষিক শদিয়া লিটাৰেচাৰ ফেষ্টিভেল অনুষ্ঠিত

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৪ ফেব্ৰুৱাৰী ঃ** শতফুলৰ দেশ শদিয়া কেৱল অসমৰ প্ৰথমখন ঠায়েই নহয়, ভাৰতৰ আটাইতকৈ দীঘল নদী দলংখন এই শদিয়াতে অৱস্থিত। এই শদিয়া বিশ্ববিশ্ৰুত শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মস্থানো। এই পৰ্যন্ত অইল ইণ্ডিয়া লিমিটেডৰ আটাইতকৈ গভীৰ খাদটো খনন কৰা হৈছে এই শদিয়াতে। এই শদিয়াই আৰু অনেক কিংবদন্তি-ইতিহাস বহন কৰি আছে। শদিয়া ইক' কেম্পেও নিজা উদ্যোগত এক ব্যতিক্ৰমী ৰূপত সাহিত্য উৎসৱ আয়োজন তথা অনুষ্ঠিত কৰি এক প্ৰকাৰ এক নতুন ইতিহাসেই ৰচনা কৰিছে। অসমত এতিয়ালৈকে অন্য কোনো হোটেল, ৰিজৰ্ট, ইক' কেম্পে এতিয়ালৈকে এনেদৰে সাহিত্য উৎসৱ বা লিটাৰেচাৰ ফেষ্টিভেল আয়োজন কৰা নাই। এক অপৰূপ প্ৰাকৃতিক পৰিৱেশৰ মাজত শদিয়া ইক' কেম্পৰ উদ্যোগত, ক'লাৰ্ছ অৱ নৰ্থ ইষ্ট আৰু শদিয়া মহাবিদ্যালয়ৰ সহযোগত দ্বিতীয় বাৰ্ষিক শদিয়া লিটাৰেচাৰ ফেষ্টিভেল দিনজোৰা কাৰ্যসূচীৰে ২২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হৈ যায়। লেখক-কবি-সাহিত্যানুৰাগীৰ সমাৱেশেৰে দ্বিতীয়বাৰৰ বাবে শদিয়া লিটাৰেচাৰ ফেষ্টিভেল শদিয়াৰ সদৰ চপাখোৱাৰ সমীপৰ শান্তিপুৰৰ অসম-অৰুণাচল সীমাৰ জীয়া নৈৰ পাৰৰ শদিয়া ইক' কেম্পত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জুবিন গাৰ্গৰ 'মায়াবিনী' গীতটি সমবেত কণ্ঠত পৰিৱেশন কৰে। বন্তি প্ৰজ্বলন আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে স্বেচ্ছাসেৱী সংগঠন ক'লাৰ্চ অৱ নৰ্থ-ইষ্টৰ সাধাৰণ সম্পাদক পাপুলক্ষ্মী ডেকাই। এই কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় শদিয়া শতদল শাখা সাহিত্য সভাৰ সভাপতি গোপীনাথ বুঢ়াগোহাঁই, সম্পাদক কমল দিহিঙ্গীয়া, শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ঊষাৰাণী হাজৰিকা আৰু আবৃত্তি পৰিষদৰ শদিয়া শাখাৰ সম্পাদিকা জিণ্টিমণি গগৈয়ে। দ্বিতীয় বাৰ্ষিক শদিয়া লিটাৰেচাৰ ফেষ্টিভেললৈ সকলোকে আদৰণি জ্ঞাপন কৰাৰ লগতে কাৰ্যসূচীৰ আঁত ধৰে ফেষ্টিভেলৰ আহ্বায়ক তথা চাবুৱাৰ ডি.ডি.আৰ. কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক লক্ষ্মীনন্দন বৰগোহাঞিয়ে। 'আলোকপাত' শীৰ্ষক অনুষ্ঠানত 'কাৰ্টুনঃ সমাজ আৰু সাহিত্যক প্ৰভাৱিত কৰা জোঙাল অস্ত্ৰনে হাঁহিৰ খোৰাক?' বিষয়ত আলোকপাত কৰে জনপ্ৰিয় কাৰ্টুনিষ্ট-সাংবাদিক নিতু পৰ্ণ ৰাজবংশীয়ে। শদিয়া মহাবিদ্যালয়ৰ উদ্যোগত 'ইতিহাস কাৰ বাবে? একবিংশ শতিকাত বুৰঞ্জী শিক্ষা আৰু ভিনটেজ হাব প্ৰকল্প' বিষয়ত বাৰ্তালাপ অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে যোৰহাট ভিণ্টেজ হাবৰ প্ৰতিষ্ঠাতা অভিনিৱেশ শৰ্মাই। অনুষ্ঠানটিৰ উদ্বোধন কৰে ফেষ্টিভেলৰ সহযোগী আয়োজক তথা শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই। কবিতা পাঠৰ অনুষ্ঠানত কবিতা পাঠ কৰে কবি-গল্পকাৰ-ঔপন্যাসিক দিপ্তী দত্ত কলিতা, কবি, নাট্য সংগঠক তথা অধ্যাপক নিৰোদ গোহাঁই, যুৱ কবি বিকিয়ান বাইলুং, মানসী গগৈ, ৰতন শদিয়াল, মাধুৰী সন্দিকৈ, ভৈৰৱ গোহাঁই, দিগন্ত কুমাৰ ভাজনী, ভৱানী প্ৰসাদ দুংগানা, বুলবুলি বুঢ়াগোহাঁই, সদানন্দ হাজং আৰু শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰী ববিতা সোণোৱালে। দুটা কবিতা আবৃত্তিৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে ক্ৰমে আবৃত্তিকাৰ নিমিষা শইকীয়া আৰু পূৰ্ণিমা দুৱৰা দিহিঙ্গীয়াই। ফেষ্টিভেলৰ বিশেষ আকৰ্ষণ লেখক-পাঠকৰ আন্তৰিক আলাপৰ অনুষ্ঠানত বিশিষ্ট লেখক তথা আই জি (অসম পুলিচ) 'দি ট্ৰায়েল', 'দ্য ফল'ৰ অনুবাদক প্ৰশান্ত সাগৰ চাংমাই (আই.পি.এছ.), ঔপন্যাসিক 'ডিগ বয় ডিগ', 'ফালাপ', 'মুংডুনচুনখাম', 'ডিভাইন কোড' স্ৰষ্টা দীপাংকৰ মল্ল বৰুৱা, সাংবাদিক-লেখক, 'নিষিদ্ধ যোদ্ধা', 'লেডি 'গেৰিলা', 'দ্য ডেথ জ'ন'ৰ স্ৰষ্টা ধীৰুমণি গগৈ, লেখক-আলোচক, 'জীৱন যদি জীয়াব লাগে', 'মেৰিয়েন এগুৱাৰছনৰ প্ৰাৰ্থনা'ৰ লেখক অৰ্ণৱ শইকীয়া, বিস্ময়ৰ যোগেদি জনপ্ৰিয়তা অৰ্জন কৰা 'দেওবৰত জোনাক', 'আকৌ চেণ্টুদা', 'ডাঃ আৰ ডিৰ চেম্বাৰ', অপু চিৰিজ', 'বাসুৰ গল্প' আদিৰ লেখক বৈদুৰ্য বৰুৱাই কিয় আৰু কাৰ বাবে লিখে সম্পৰ্কত বক্তব্য ৰাখে আৰু সাহিত্যানুৰাগীৰে আলাপ কৰে। দ্বিতীয় বাৰ্ষিক শদিয়া লিটাৰেচাৰ ফেষ্টিভেলৰ লগত সংগতি ৰাখি 'জীয়া নৈ' নামেৰে 'শদিয়া লিটাৰেচাৰ ফেষ্টিভেলৰ নিৰ্বাচিত কবিতা'ৰ এখনি কাব্য গ্ৰন্থ প্ৰকাশ কৰা হয়। ছয়সত্তৰ গৰাকী প্ৰতিষ্ঠিত কবি আৰু পঁয়ত্ৰিশ গৰাকী অনুজ কবিৰ কবিতাৰে এশ একান্নবৈ পৃষ্ঠাৰ 'জীয়া নৈ'ৰ মুখ্য সম্পাদক বিশিষ্ট কবি বিপুলজ্যোতি শইকীয়া, সম্পাদক বিকিয়ান বাইলুং, মাইনু গগৈ আৰু ঋতুপৰ্ণা বুঢ়াগোহাঁই। গ্ৰন্থখন প্ৰকাশ কৰিছে 'পূৰ্বায়ন প্ৰকাশনে'। অনুষ্ঠানত 'জীয়া নৈ' আনুষ্ঠানিকভাৱে উন্মোচন কৰে প্ৰশান্ত সাগৰ চাংমায়ে। তেখেতক সহযোগিতা কৰে দীপাংকৰ মল্ল বৰুৱা, অৰ্ণৱ শইকীয়া, নিৰোদ গোহাঁই, ড° ৰঞ্জন কুমাৰ দাস, ধিৰুমণি গগৈ, বুলবুলি বুঢ়াগোহাঁই আৰু ভাৰতী শইকীয়া ডেকাই। 'চিনেমা আৰু সাহিত্যৰ আন্ত-সম্পৰ্কঃ প্ৰসংগ অসমীয়া চিনেমা' বিষয়ত এক আন্তৰিক কথোপকথনত অতিথি হিচাপে অংশগ্ৰহণ কৰে চিনেমা নিৰ্মাতা জয়চেং দহোটীয়াই। অনুষ্ঠানটোৰ সূত্ৰ ধৰে চিনেমা-ৰসিক, সাংবাদিক ভিবিৰাণী বৰগোহাঁইয়ে। ফেষ্টিভেললৈ অহা সকলো পাঠক-লেখক অতিথিক কৃতজ্ঞতা জ্ঞাপন কৰে ফেষ্টিভেলৰ সমন্বয়ক তথা শদিয়া ইক' কেম্পৰ স্বত্বাধিকাৰী প্ৰাঞ্জল প্ৰতীম দত্তই। সন্ধিয়ালৈ জয়চেং দহোটীয়াৰ পৰিচালনাত নিৰ্মিত 'বাঘজান' চিনেমাখন প্ৰদৰ্শন কৰা হয়। ফেষ্টিভেলৰ অন্তিম কাৰ্যসূচী গীতৰ এসন্ধ্যাত গীত পৰিৱেশন কৰে 'ৰঙীন চিলা' খ্যাত কণ্ঠশিল্পী কুলদ্বীপ বৰুৱাই। শদিয়া লিটাৰেচাৰ ফেষ্টিভেলৰ অন্যান্য আকাৰ্ষণ হিচাপে কেম্পৰ বাকৰিত পক্ষী পৰ্যবেক্ষক, তিনিচুকীয়া কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° ৰঞ্জন কুমাৰ দাস আৰু ফটোগ্ৰাফাৰ ডাঃ ঋতুৰাজ ভূঞাৰ নিৰ্বাচিত ফটো প্ৰদৰ্শনীয়ে সাহিত্যানুৰাগীৰ দৃষ্টি আকৰ্ষণ কৰে। তদুপৰি নিৰ্বাচিত গ্ৰন্থৰাজিৰ বিপণী, পৰম্পৰাগত খাদ্যৰ বিপণী, পৰম্পৰাগত বস্ত্ৰৰ বিপণী, হস্তনিৰ্মিত সামগ্ৰীৰ বিপণী আৰু অন্যান্য সামগ্ৰীৰ বিপণীয়ে ফেষ্টিভেলৰ চৌপাশ শুৱনি কৰে। দূৰণিৰ পৰা অহা অতিথিসকলে শদিয়া লিটাৰেচাৰ ফেষ্টিভেললৈ গৈ অসমৰ প্ৰথমখন ঠাই শদিয়াৰ লগতে কাষৰীয়া অৰুণাচল প্ৰদেশৰ প্ৰাকৃতিক শোভা, সমাজ-সংস্কৃতিৰ সান্নিধ্য লভে। উল্লেখ্য যে, বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'প্ৰকৃতি' বিষয়ত দুটা শাখাত চিত্ৰাংকণ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখনি পৰিচালনা কৰে মাইনু গগৈয়ে। বিচাৰক হিচাপে দায়িত্ব পালন কৰে নিতু পৰ্ণ ৰাজবংশীয়ে। প্ৰতিযোগিতাৰ 'ক' শাখাত স্থান লাভ কৰে ক্ৰমে ৰিতিশা দাস (চেইণ্ট থমাছ হাইস্কুল), নীলাঞ্জনা কেশৰ (ৰাজ কিডছ ফাউণ্ডেশ্যন), ভান্তি পাংগিং (শান্তিপুৰ এম ই স্কুল)য়ে। সেইদৰে 'খ' শাখাত স্থান লাভ কৰে ক্ৰমে দুলাল সোণোৱাল (উজনি শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়), হিৰণ চিৰিং (শংকৰদেৱ বিদ্যা নিকেতন, শদিয়া), চাজন ৰায় (শান্তিপুৰ এম ই স্কুল)-এ। অধ্যাপক ড° দীপেন্দ্ৰ কুমাৰ খান্নাল, অধ্যাপিকা এলিনা শইকীয়া, মাইনু গগৈ, বুলবুলি বুঢ়াগোহাঁই, ঋতুপৰ্ণা বুঢ়াগোহাঁই, ময়ূৰী শইকীয়া, ভাৰতী শইকীয়া ডেকাকে প্ৰমুখ্য কৰি সাংবাদিক, শদিয়াবাসী লেখক-কবি আৰু শুভাকাংক্ষী সকলে অনুষ্ঠানটো সফল কৰি তোলাত সহযোগিতা আগবঢ়ায়। দ্বিতীয় বাৰ্ষিক শদিয়া লিটাৰেচাৰ ফেষ্টিভেলত সাহিত্য, সমাজ ইতিহাস, সংস্কৃতিৰ আলোচনাৰ লগতে উচ্চ মানৰ সাহিত্য সৃষ্টি, পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰা, শদিয়াত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক কেন্দ্ৰ কৰি শদিয়াৰ কোনোবা অঞ্চলত অথবা শদিয়া মহাবিদ্যালয়ত 'ড° ভূপেন হাজৰিকা ভিণ্টেজ হাব প্ৰকল্প' স্থাপনৰ দৰে চিন্তা চৰ্চাই বিশেষ গুৰুত্ব লাভ কৰে।

মটক ছাত্ৰ সন্থাৰ উদ্যোগত ধাৰাবাহিক আন্দোলনৰ হুংকাৰ

# পুনৰ জনজাতিকৰণ দাবীৰে উত্তাল তিনিচুকীয়া



**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ২৪ ফেব্ৰুৱাৰী ঃ** জনজাতিকৰণৰ দাবীত পুনৰ সৰৱ হৈ পৰিছে সদৌ অসম মটক ছাত্ৰ সন্থা। আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে যদি জনগোষ্ঠীটোক জনজাতিৰ মৰ্যাদা যদিহে প্ৰদান নকৰে তেতিয়াহ'লে তীব্ৰ ক্ষোভৰ সন্মুখীন হ'ব লাগিব বিজেপি চৰকাৰ। সোমবাৰ জনজাতিকৰণৰ দাবীৰে সদৌ অসম মটক ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত তিনিচুকীয়াৰ তিনিকোণীয়াত অৱস্থিত ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত পুৱা ১১ বজাৰ পৰা ছয় ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত প্ৰতিবাদত সদৌ অসম মটক ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি সঞ্জয় হাজৰিকাই কয়, "আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে মটক জনগোষ্ঠীক জনজাতিৰ স্বীকৃতি প্ৰদান কৰিবই লাগিব। জনজাতিৰ স্বীকৃতি প্ৰদান নকৰিলে নিৰ্বাচনী প্ৰচাৰৰ সময়ত মটক ছাত্ৰ সন্থাৰ লগত মুখামুখি হ'বলৈ বিজেপি চৰকাৰ সাজু থাকক।" লগতে বেংমৰা ৰাজ্যৰ ৰজাদিনীয়া কীৰ্তিচিহ্নসমূহ বেদখলমুক্ত কৰাৰ উপৰি নিকায় নিগমসমূহত জনগোষ্ঠীটোৰ লোকক প্ৰাধান্য দিবলৈকো দাবী উত্থাপন কৰে। আনহাতে অসমৰ খনিজ সম্পদ কাঠ, কয়লা আদিৰ অবৈধ ব্যৱসায়ীসকলক চিনাক্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰো তেওঁ দাবী জনায়। একেদৰে সংগঠনটোৰ জিলা সভাপতি ভৃগু বুঢ়াগোহাঁইয়ে কোনো এখন চৰকাৰেই জনগোষ্ঠীটোৱে দীৰ্ঘদিন ধৰি উত্থাপন কৰি অহা দাবীৰ প্ৰতি সঁহাৰি জনোৱা নাই বুলি ক্ষোভ উজাৰি কয়, "জনজাতিৰ মৰ্যাদা প্ৰদান নকৰালৈকে মটক ৰাইজ ক্ষান্ত নহয়। সেয়েহে প্ৰাৰম্ভিক পৰ্যায়ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰিছে যদিও পৰৱৰ্তী পৰ্যায়ত জংগী আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।" ইফালে, প্ৰতিবাদৰ অন্তত সংগঠনটোৱে ছয় দফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ তিনিচুকীয়া ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে। এই পত্ৰখনত মটক জনগোষ্ঠীক অতি শীঘ্ৰে জনজাতিৰ সংবিধানিক মৰ্যাদা প্ৰদান, জনগোষ্ঠীটোক পূৰ্ণ স্বায়ত্তশাসন প্ৰদানেৰে এখন পূৰ্ণাংগ মটক স্বায়ত্তশাসিত পৰিষদ গঠন কৰাৰ দাবী উত্থাপন কৰে। আনহাতে, তিনিচুকীয়া জিলাত অসম চৰকাৰৰ অধীনস্থ নিকায় নিগমসমূহত মটক জনগোষ্ঠীৰ যোগ্য ব্যক্তিক অগ্ৰাধিকাৰ প্ৰদান কৰা অসম চৰকাৰৰ মন্ত্ৰীগোটে জনজাতিকৰণৰ সন্দৰ্ভত প্ৰস্তুত কৰা প্ৰতিবেদন কেন্দ্ৰলৈ পঠোৱাৰ ব্যৱস্থা কৰাৰ উপৰি মটক জনগোষ্ঠী বীৰ পুৰুষ নাহৰ শইকীয়া সোঁৱৰণী ৰাষ্ট্ৰীয় পৰ্যায়ৰ আমন্ত্ৰণমূলক ভলীবল খেলৰ শিতানত প্ৰতি বছৰে তিনিচুকীয়া জিলাক ৫০ লাখ টকাৰ আৰ্থিক অনুদান ধাৰ্য কৰিবলৈ দাবী জনায়। ইয়াৰ উপৰি তিনিচুকীয়া জিলাৰ লিডু, মাৰ্ঘেৰিটাৰ পাটকাই পৰ্বতত অবৈধভাৱে কয়লা খনন চলি থকাৰ অভিযোগ উত্থাপন কৰি অতিশীঘ্ৰে ইয়াক বন্ধ কৰাৰো দাবী জনোৱা হয় পত্ৰখনত।

# অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন দেওধনীঘাট শাখাৰ ১০৭ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি তুংগত

**অসম বাৰ্তা, খৈৰাবাৰী, ২৪ ফেব্ৰুৱাৰী ঃ** অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন, দেওধনীঘাট শাখাৰ ১০৭ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা ১৫ আৰু ১৬ ফাগুন ২৮ আৰু ১ মাৰ্চ ২০২৬ তাৰিখ শনিবাৰ আৰু দেওবাৰে নিজ সৰাবাৰী, আঠিয়াবাৰী 'ক', নিজ সৰাবাৰী প্ৰগতি, আঠিয়াবাৰী মিলনজ্যোতি আৰু দেওধনীঘাট 'ক' খেলৰ উদ্যোগত নিজ সৰাবাৰী কলিতা চুবা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ প্ৰাঙ্গণত, আদৰ্শ কৃষক দীনেশ্বৰ কলিতা আৰু কনক কলিতা সোঁৱৰণী ক্ষেত্ৰত দুদিনীয়া দুদিনী বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰিব। ইতিমধ্যে বানেশ্বৰ চহৰীয়াক সভাপতি গোবিন্দ কলিতা, ননীগোপাল ডেকা, দেবেন্দ্ৰ কলিতাক উপ-সভাপতি ভদ্ৰ কান্ত কলিতা মুখ্য সম্পাদক অজিত কলিতা, ৰিংকু ডেকা সম্পাদক, আৰু অমৃত চন্দ্ৰ কলিতাক কাৰ্যালয় সম্পাদক হিচাপে লৈ বিভিন্ন উপ সমিতি গঠন কৰি কাম কাজ সমূহ ভাগে ভাগে সাজু কৰি তুলিছে। কাৰ্যসূচী অনুসৰি ২৮ ফেব্ৰুৱাৰি শনিবাৰে নামঘৰত বন্তি প্ৰজ্বলন, ভড়ালঘৰত বন্তি প্ৰজ্বলন, বন্ধন শালৰ বন্তি প্ৰজ্বলন, ভাগৱত পাঠ, পদ- প্ৰক্ষালন স্থলী উন্মোচন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ, তোৰণ উন্মোচন, ক্ষেত্ৰ উন্মোচন, সভামঞ্চ উন্মোচন কৰিব। দুপৰীয়া দীনেশ্বৰ চহৰীয়া আৰু দৈৱকী চহৰীয়া সোঁৱৰণী মঞ্চত বিভিন্ন ধৰণৰ সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। অন্যহাতে দিনৰ ১২ বজাত বিষয় বাছনি সভা অনুষ্ঠিত কৰি প্ৰতিনিধি আদৰিব অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া সকলে। সন্ধিয়া ১০৭গছি বন্তি প্ৰজ্বলন পিছত পৰিয়ালৰ উত্তৰণত মহিলাৰ ভূমিকা বিষয়ৰ ওপৰত অন্তৰঙ্গ আলাপেৰে প্ৰথম দিনৰ কাৰ্য্যসূচী সামৰণি পৰিব। গছপুলি ৰোপণেৰে ১ মাৰ্চ দ্বিতীয় দিনৰ কাৰ্য্যসূচী অনুষ্ঠিত কৰিব। দ্বিতীয় দিনৰ মুখ্য কাৰ্য্যসূচী সম্বৰ্ধনা সভা আৰু অভিনন্দন অনুষ্ঠান উদ্বোধন কৰিব দেওধনীঘাট শাখাৰ উপ সভাপতি মুকুন্দ কলিতাই লগতে সভা সঞ্চালনা কৰিব দেওধনীঘাট শাখাৰ প্ৰাক্তন সভাপতি বসন্ত কলিতাই। অন্যহাতে ১ বজাত প্ৰাণপতি কলিতা আৰু বানেশ্বৰী কলিতা সোঁৱৰণী মঞ্চত অনুষ্ঠিত কৰিব মুকলি সভা। মুকলি সভা সঞ্চালনা কৰিব দেওধনীঘাট শাখাৰ সভাপতি কনক চন্দ্ৰ কলিতাই। ইয়াৰ উপৰিও সাংস্কৃতিক অনুষ্ঠান কামৰূপ বালিসত্ৰৰ বংশী গোপাল নাগাৰা নামেৰে ১০৭ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি পৰিব। নিজ সৰাবাৰী শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ কলিতা খেলৰ বিষয়ববীয়া সকলৰ লগতে ১০৭ সংখ্যক দেওধনীঘাট শাখাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া সকলে অধিৱেশনৰ দুয়োটা দিনৰ সমূহ কাৰ্যক্ৰমণিকাত ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

কমলপুৰৰ কলাজলত ব্যৱসায়ী কনক ডেকাই নিৰ্মাণ কৰিলে এই প্ৰকল্প

# উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ব্যক্তিগত ৰে'ল ষ্টেচন আৰু ৰে'ল কৰিডৰ মুকলি



**অসম বাৰ্তা, চাংসাৰি, ২৪ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ কলাজলত আজি উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ব্যক্তিগত ৰে'ল ষ্টেচন আৰু ৰে'ল কৰিডৰ মুকলি কৰা হয়। স্থানীয় ব্যৱসায়ী কনক ডেকাই নিৰ্মাণ কৰা এই প্ৰকল্পটো আজি মাংগলিক কাৰ্যসূচীৰে শুভাৰম্ভ কৰা হয়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই ফিতা কাটি আৰু ফ্লেগ অফ কৰি আনুষ্ঠানিক ভাবে এই প্ৰকল্পৰ শুভ উদ্বোধন কৰে। ভাৰতীয় ৰেলৰ মান চিত্ৰত এই কৰিডৰটো BRGB (বাইহাটা ৰেল গুডছ বেৰন) নামেৰে নামকৰণ কৰা হৈছে। আজিৰে পৰা ইয়াত নিয়মিতভাৱে মালবাহী ৰেলসেৱা আৰম্ভ হৈছে। উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া উপস্থিত থকা এই শুভাৰম্ভণি অনুষ্ঠানত দুখনকৈ ট্ৰেইন ক্ৰয় কৰাৰ সকলো যাৱতীয় কাৰ্য সম্পাদন কৰাৰ কথাও সদৰি কৰে কমলপুৰৰ যুৱ ব্যৱসায়ী কনক ডেকা। যুৱ ব্যৱসায়ী গৰাকীয়ে সম্পূৰ্ণ নিজা প্ৰচেষ্টাত নিজ ব্যৱসায়িক ক্ষেত্ৰলৈ এই ৰেল কৰিডৰ নিৰ্মাণ কৰিছে। ব্যক্তিগত ব্যৱসায়িক ক্ষেত্ৰলৈ ৰে'ল কৰিডৰ নিৰ্মাণ কৰা এয়া উত্তৰ-পূবৰ ভিতৰতে প্ৰথম বুলি চিহ্নিত হৈছে। ইতিমধ্যে ভাৰতীয় ৰে'ল মানচিত্ৰত কনক ডেকাৰ ব্যক্তিগত ৰেল ষ্টেচনৰ নাম সংযোজিত হৈছে। ৰে'ল মানচিত্ৰত BRGB নামেৰে ষ্টেচন কোড লাভ কৰাৰ পাছতে আজিৰে পৰা ৰে'লসেৱা আৰম্ভ হয়। উল্লেখ্য যে প্ৰধানমন্ত্ৰী গতি শক্তি আচনিৰ অধীনত এই প্ৰকল্প নিৰ্মাণ কৰা হৈছে। তিনিশ বিঘা ভূমিত নিৰ্মাণ কৰা এই প্ৰকল্পত প্ৰায় এহেজাৰ যুৱক যুৱতী কৰ্ম সংস্থাপন লাভ কৰিব বুলি কনক ডেকাই সংবাদ মাধ্যমক সদৰি কৰে। ২৪৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পত টাটা, মহেন্দ্ৰা, সোণালিকা, হিন্দুস্তান ইউনিলিভাৰকে ধৰি ভালেসংখ্যক বহুজাতিক প্ৰতিষ্ঠানে ল'জিষ্টিক সেৱা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে ব্যৱসায়ী গৰাকীয়ে। বহিঃৰাজ্যৰ পৰা গাড়ীকে ধৰি অন্যান্য সামগ্ৰী সমূহ ৰেলযোগে আহি কনক ডেকাৰ এই ৰেল টাৰ্মিনেলত আনলোডিঙ হোৱাৰ লগতে এই প্ৰকল্প স্থলীতে থকা ৰেৰ হাউচত মজুত কৰণৰ সুযোগ লাভ কৰিব। প্ৰণিধানযোগ্য যে এডভাণ্টেজ অসম 2 ত স্বাক্ষৰিত কৰা প্ৰায় ৫০০ কোটি টকাৰ চুক্তি মৰ্মে অসমীয়া যুৱ ব্যৱসায়ী কনক ডেকাই এই প্ৰকল্প স্থাপন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আধাৰশিলা স্থাপন কৰা প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাত আজি বিধায়ক দিগন্ত কলিতাই আনুষ্ঠানিক ভাবে প্ৰকল্পটো মুকলি কৰে। প্ৰকল্পটো মুকলি কৰি বিধায়ক কলিতাই প্ৰকল্পটোৰ জৰিয়তে প্ৰায় এহেজাৰ স্থানীয় নিবনুৱা যুৱক-যুৱতীক প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে সংস্থাপনৰ সুযোগ পাব বুলি আশা প্ৰকাশ কৰে। স্থানীয় সমাজকৰ্মী কুশল গোস্বামীয়ে আতধৰা অনুষ্ঠানটোত ৰমেশ শইকীয়া, ভাস্কৰ কলিতা, কমলপুৰৰ ৰাজহ চক্ৰ বিষয়া বিক্ৰমজিত বৰা, কমলপুৰ ৰাজহ চক্ৰ বিষয়া(সংলগ্ন) গৌতম ভাস্কৰকে প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অনাতাঁৰ নাট সমাৰোহ ২০২৬ত নাটঘৰ মাজুলীৰ "যাত্ৰা"ৰ সফল পৰিৱেশন




**অসম বাৰ্তা, বনগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** অপেছাদাৰী নাট্য-চৰ্চাক ৰেডিঅ' মাধ্যমৰ জৰিয়তে এক নতুন দিশ প্ৰদান কৰাৰ লক্ষ্যৰে আকাশবাণী ডিব্ৰুগড়ে ২০২০ চনৰ পৰা ধাৰাবাহিকভাৱে আয়োজন কৰি অহা "অনাতাঁৰ নাট সমাৰোহ" এইবাৰো অনুষ্ঠিত কৰা হৈছে। ২০২৬ বৰ্ষৰ এই গৌৰৱময় নাট সমাৰোহত অসমৰ নিৰ্বাচিত ১৩টা অপেছাদাৰী নাট্যদলে অংশগ্ৰহণ কৰিছে। সাম্প্ৰতিক অসমীয়া নাট্য-চৰ্চাৰ ক্ষেত্ৰখনত এই অনাতাঁৰ নাট সমাৰোহখনে বিহু কেইটা দিশত অৰ্থৱহ অৱদান আগবঢ়াই আহিছে। উক্ত সমাৰোহত নাটঘৰ মাজুলীয়ে ক্ৰমাগতভাৱে চতুৰ্থ বাৰৰ বাবে অংশগ্ৰহণ কৰি "যাত্ৰা" শীৰ্ষক নাটকখন পৰিৱেশন কৰে। ভাস্কৰ জ্যোতি বৰাৰ ৰচনা আৰু পৰিচালনাৰে মঞ্চস্থ কৰা নাটকখনত অভিনয় কৰে —গাঙ্গেয় প্ৰীতম শৰ্মা, উপাসনা বেজবৰুৱা, হেংুল আকাশ বৰুৱা, আকাংক্ষ্যা ভৰালী, অসীমা শইকীয়া, স্মৰণিকা গগৈ, গৌতম শইকীয়া আৰু ভাস্কৰ জ্যোতি বৰাই। নাটকখনিৰ সংগীত পৰিচালনা কৰে গাঙ্গেয় প্ৰীতম শৰ্মা আৰু হেংুল আকাশ বৰুৱাই। অৰুণ মৰঙে প্ৰযোজনা কৰা অনাতাঁৰ নাটকখনিৰ সহযোগী ব্যৱস্থাপনাত আছে অভিজিত দাস। আকাশবাণী ডিব্ৰুগড়ৰ মূৰব্বী লোহিত ডেকাৰ পৰিকল্পনাৰে অনুষ্ঠিত হোৱা নাট সমাৰোহখনত উজনি অসমৰ কেইবাটাও উল্লেখযোগ্য অপেছাদাৰী নাট্যদলৰ অংশগ্ৰহণে ৰাইজৰ উষ্ম সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ যোগ্য যে নাট ঘৰ মাজুলীয়ে বিগত চাৰি বছৰ ধৰি ধাৰাবাহিকভাৱে এই গৌৰৱময় সমাৰোহত নিৰ্ব্বাচিত হৈ অংশগ্ৰহণ কৰি আহিছে। ধাৰাবাহিক এই যাত্ৰাই মাজুলীৰ লগতে সমগ্ৰ অসমৰ নাট্য — ক্ষেত্ৰখনত এক বিশেষ প্ৰেৰনা যোগাবাৰ লগতে অপেছাদাৰী নাট্য আন্দোলনক অধিক সক্ৰিয় আৰু সমৃদ্ধ কৰি তুলিছে।

# পুৰণিগুদামত কবি নৱকান্ত বৰুৱাৰ জন্ম শতবৰ্ষৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ ফেব্ৰুৱাৰী ঃ** কবিতাৰ সম্ৰাট নৱকান্ত বৰুৱাৰ জন্ম শতবৰ্ষ উপলক্ষে অখিল ভাৰতীয় সাহিত্য পৰিষদ, নগাঁও জিলা আৰু পুৰণিগুদাম কবি সন্মিলনৰ যুটীয়া উদ্যোগত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল প্ৰাঙ্গনত ১ মাৰ্চত বিয়লি এক বজাৰ পৰা নৱকান্ত বৰুৱাৰ সাহিত্য-সম্ভাৰ, কবিতা পাঠ আৰু গ্ৰন্থ উন্মোচনৰ এটি মননশীল অনুষ্ঠানৰ আয়োজন কৰিছে বুলি পুৰণিগুদাম কবি সন্মিলনৰ সম্পাদক হিৰণ্য কুমাৰ শৰ্মা আৰু যুটীয়া সম্পাদক ড° মণ্টুল কুমাৰ শৰ্মাই জানিবলৈ দিয়ে। লেখক নবীন কলিতাৰ বহু চৰ্চিত "ইতিহাসৰ পাতত নগঞা শইকীয়া ভোটাই ডেকা" শীৰ্ষক গ্ৰন্থখনি নগাঁও বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° দিলীপ শৰ্মাই হিন্দী ভাষালৈ অনুবাদ কৰা গ্ৰন্থখনি উক্ত সভাতে আনুষ্ঠানিকভাৱে উন্মোচন কৰিব অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাজ্যিক সচিব প্ৰধান ড° প্ৰণতি তালুকদাৰ মুদিয়াৰে। তদুপৰি বহু সমাদৃত ৰাষ্ট্ৰীয় অনুষ্ঠান অখিল ভাৰতীয় সাহিত্য পৰিষদৰ এটি শাখা উক্ত সভাতে গঠন কৰাৰ পৰিকল্পনাও গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকিব প্ৰতিষ্ঠিত কবি বীৰুপাক্ষ। অনুষ্ঠানটিত সকলো সাহিত্যনুৰাগীৰ সহযোগিতা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# বাক্সাৰ শিমলাবাৰী কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰত মাতৃ দিৱস পালন

**অসম বাৰ্তা, বাগানপাৰা, ২৪ ফেব্ৰুৱাৰী ঃ** কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ অসম শাখাৰ উদ্যোগত আৰু বাক্সা জিলাৰ শিমলাবাৰী কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰত ২২ ফেব্ৰুৱাৰীত পালন কৰা হয় ৯৭ সংখ্যক মাতৃ দিৱস। এই মাতৃ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হয় "বৰ্তমান সামাজিক প্ৰেক্ষাপটত মাতৃ সকলৰ ভূমিকা" শীৰ্ষক সভা অনুষ্ঠিত হয়। নবস্তি আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি খগেন ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ অসম শাখাৰ প্ৰাক্তন প্ৰতিনিধি দময়ন্তী দেৱী, ২৫ নং বাগানপাৰা পৰিষদীয় সমষ্টিৰ এম চি এল এ ৰেখাৰাণী দাস বড়ো, কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ অসম শাখাৰ প্ৰতিনিধি বিউটী দাস আৰু লোকপ্ৰিয় এম ই স্কুলৰ শিক্ষক ভূষণ চন্দ্ৰ ৰয়ে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি মাতৃ দিৱসৰ তাৎপৰ্য, সমাজ গঠনত মাতৃ সকলৰ ভূমিকা সম্পৰ্কে বক্তব্য প্ৰদান কৰে। সভাৰ আৰম্ভণিতে কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ অসম শাখাৰ প্ৰতিনিধি সকলে সৰ্বধৰ্ম প্ৰাৰ্থনা পৰিৱেশন কৰে। এই সভাতেই শিমলাবাৰী দক্ষিণ চুপাৰ বয়োজ্যেষ্ঠ মহিলা দশমী পাঠকক সম্বৰ্ধনা জনোৱা হয়। লগতে শিমলাবাৰী কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰৰ সেৱিকা বুলু বৰাই মুষ্টিভিক্ষাৰ দ্বাৰা সংগ্ৰহিত ধনেৰে দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰী ববিতা কলিতাক কিতাপ প্ৰদান কৰে। সভাত বাগানপাৰা মণ্ডল বিজেপিৰ সভানেত্ৰী ভিক্টৰিয়া মেধি, সম্পাদক ৰমেন চক্ৰৱৰ্তী সহিতে বিজেপিৰ কৰ্মকৰ্তা, আত্মসহায়ক গোটৰ মহিলা, স্থানীয় লোক উপস্থিত থাকে। সভাত কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ অসম শাখাৰ প্ৰতিনিধি বিউটী দাসে এটি গীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ আঁত ধৰে কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ উপ-প্ৰতিনিধি ভানু কাকতিয়ে। শলাগৰ শৰাই আগবঢ়ায় শিমলাবাৰী কস্তুৰবা গ্ৰাম সেৱা কেন্দ্ৰৰ সেৱিকা বুলু বৰাই। সভাৰ শেষত ২৫ নং বাগানপাৰা পৰিষদীয় সমষ্টিৰ এম চি এল এ ৰেখাৰাণী দাস বড়োৱে কস্তুৰবা সেৱা কেন্দ্ৰত অনুষ্ঠিত অনুষ্ঠানটি এক অনন্য অনুষ্ঠান বুলি অভিহিত কৰে। কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ অসম শাখাৰ প্ৰাক্তন প্ৰতিনিধি দময়ন্তী দেৱীয়ে এই মাতৃ দিৱসৰ অনুষ্ঠানৰ যোগেদি মাতৃ সকলৰ মাজত উৎসাহ-উদ্দীপনা যোগাব বুলি আশা প্ৰকাশ কৰে আৰু অনাগত দিনত মহিলা তথা অঞ্চলবাসী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে।

# লখিমপুৰৰ উদ্যোগত পঞ্চম বাৰ্ষিক ভাওনা সমাৰোহৰ স্মাৰক গ্ৰন্থৰ বাবে লেখা আহ্বান

**অসম বাৰ্তা, বান্দৰদেৱা, ২৪ ফেব্ৰুৱাৰী ঃ** ভাওনা শিল্পী সমাজ, লখিমপুৰ জিলাৰ পঞ্চম বাৰ্ষিক ভাওনা সমাৰোহ ভাগি অহা ইংৰাজী ২০, ২১, ২২, ২৩, আৰু ২৪ মাৰ্চ ২০২৬ তাৰিখে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰ বৰ নামঘৰৰ প্ৰাঙ্গনৰ মাধৱদেৱ ৰংগক্ষেত্ৰত অনুষ্ঠিত কৰা হৈছে। উক্ত কাৰ্যসূচীৰ লগত সংগতি ৰাখি আদৰণি সমিতিয়ে এখনি স্মাৰক গ্ৰন্থ প্ৰকাশৰ দিহা কৰিছে। সেয়েহে স্মাৰক গ্ৰন্থ খনিত প্ৰকাশৰ বাবে ভাওনা সম্পৰ্কীয় বা ভাওনাৰ লগত সংগতি থকা যি কোনো লেখা বিচৰা হৈছে। লেখা সমূহ ৰামধেনু চফটৱেৰৰ গীতাঞ্জলি ফ্ৰণ্টত ডিটিপি কৰি পি.এম.ডি (পেজমেকাৰ) ফাইলত নাইবা ম'বাইল ডিটিপি কৰি madhabcomputers@gmail.com ইমেইল ঠিকনাত নাইবা 9435387902, 7576018107 নম্বৰত হোৱাটছআপ যোগে পঠাব পাৰিব। লেখা পঠোৱাৰ অন্তিম তাৰিখ ৮ মাৰ্চ ২০২৬।

সম্পাদকীয়

# নিশ্বাসৰ সংকট


**গু**ৱাহাটী। পূবৰ প্ৰৱেশদ্বাৰ, সাত ভনীৰ ৰাজধানী। এই মহানগৰীৰ পৰিচয় আজি কেৱল সোণৰ বজাৰ, ঐতিহ্য আৰু গতিশীলতাৰ মাজতে সীমাবদ্ধ নহয়; ই আজি চৰ্চিত হৈছে এক ভয়াৱহ বায়ু প্ৰদূষণৰ বাবে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তথ্যই স্পষ্টকৈ কৈছে যে ফেব্ৰুৱাৰী মাহত গুৱাহাটীৰ বায়ুৰ মান সূচকাংক (AQI) ২৯৪ পৰ্যন্ত উঠিছে, যিটো 'বেয়া' শ্ৰেণীৰ অন্তৰ্গত। অৰ্থাৎ এই বায়ু শ্বাস-প্ৰশ্বাসৰ বাবে অতি বিপজ্জনক। ১৬ ফেব্ৰুৱাৰীত এই সূচকাংক সৰ্বাধিক আছিল। মুকলি বতৰত উশাহ লোৱাটো আজি গুৱাহাটীবাসীৰ বাবে এক প্ৰত্যাহ্বান হৈ পৰিছে। স্বাভাৱিকতে, ৰাইজৰ মনত প্ৰশ্নই বাগৰি আছে: এই পৰিস্থিতি কিয় সৃষ্টি হ'ল? ইয়াৰ পৰা ৰক্ষাৰ উপায় কি? আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল, ইয়াৰ বাবে দায়ী কোন? প্ৰথম প্ৰশ্নটোৰ উত্তৰ সম্ভৱতঃ আটাইতকৈ সহজ, কিন্তু ইয়াৰ সমাধান অতি কঠিন। শুকান বতৰ, নিৰ্মাণকাৰ্যৰ ধূলি (৩২ শতাংশ), যান-বাহনৰ ধোঁৱা (১৯ শতাংশ) আৰু কল-কাৰখানাৰ ধোঁৱা (১৬ শতাংশ)—এই চাৰিটা হৈছে এই সংকটৰ মূল হেতু। অতি সূক্ষ্ম PM 2.5 ধূলিকণাৰ ক্ষেত্ৰত যান-বাহনৰ অৰিহণা ৫২ শতাংশ। ইয়াৰ অৰ্থ হৈছে, আমি প্ৰতিদিনে ব্যৱহাৰ কৰা বাহনবোৰেই আমাৰ হাওঁফাওঁত বিষ সানিছে। কিন্তু ইয়াৰ সমাধান ক'ত? হয়, ৰাইজক মাস্ক ব্যৱহাৰ কৰা আৰু অযথা ওলাই নোযোৱাৰ পৰামৰ্শ দিয়া হৈছে। কিন্তু প্ৰশ্ন হ'ল, এনে পৰামৰ্শ কিমান বাস্তৱসন্মত? দৈনিক জীৱিকা নিৰ্বাহৰ বাবে পথত নামিবলগীয়া শ্ৰমিক, অটো-চালক, ফেৰিওৱালা—তেওঁলোকে কেনেকৈ নিজকে ৰক্ষা কৰিব? তেওঁলোকৰ হাতত N95 মাস্ক কিনাৰ সামৰ্থ্য আছে নেকি? নে এই প্ৰদূষণে তেওঁলোকক অধিক প্ৰান্তীয়কৰণ কৰিব? দ্বিতীয়তে, প্ৰশাসনৰ ভূমিকা নিশ্চয় আছে। বামুণীমৈদাম অঞ্চলত প্ৰদূষণ সৰ্বাধিক বুলি চিনাক্ত কৰা হৈছে, অথচ সেই অঞ্চলৰ নিৰ্মাণস্থলীসমূহত ধূলি নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি? ব্ৰহ্মপুত্ৰৰ পাৰৰ বালি উৰি অহাৰ ফলত প্ৰদূষণ বাঢ়ে, ইয়াৰ প্ৰতি কি পদক্ষেপ লোৱা হৈছে? পূৰ্বৰ বছৰবোৰৰ তুলনাত AQI কিছু উন্নত বুলি কোৱা হৈছে, কিন্তু এই সান্ত্বনাই ৰাইজৰ শ্বাস-প্ৰশ্বাসৰ কষ্ট লাঘৱ কৰিবনে? নিশ্চয় নোৱাৰে। বিজ্ঞানী ড° গৌতম কুমাৰ মিশ্ৰই কোৱা মতে, বৰষুণ নহ'লে এপ্ৰিললৈকে এই অৱস্থা একে থাকিব। ইফালে, বতৰ বিজ্ঞান কেন্দ্ৰই গুৱাহাটীত বৰষুণৰ সম্ভাৱনা কম বুলি কৈছে। অৰ্থাৎ, অনাগত মাহটো আমাৰ বাবে অতি কষ্টকৰ হ'ব। তৃতীয়তে, ই ৰাজহুৱা স্বাস্থ্যৰ এক গুৰুতৰ সংকট। PM 2.5 আৰু PM 10 ধূলিকণাই হাওঁফাওঁ, হৃদযন্ত্ৰ আৰু অন্যান্য অংগৰ ক্ষতি কৰে। সৰু ল'ৰা-ছোৱালী, বয়স্ক লোক আৰু শ্বাস-প্ৰশ্বাসজনিত ৰোগীসকলৰ বাবে এই বায়ু মাৰাত্মক হ'ব পাৰে। এই পৰিপ্ৰেক্ষিতত, চিকিৎসালয়সমূহত পৰ্যাপ্ত প্ৰস্তুতি আছে নেকি? শ্বাসকষ্টজনিত ৰোগী বৃদ্ধি পালে চম্ভালিবৰ ব্যৱস্থা আছে নেকি? এই প্ৰশ্নবোৰৰ উত্তৰ ৰাইজে জানিব বিচাৰে। এই সংকটৰ সময়ত আমি ব্যক্তিগত আৰু সামূহিক দুয়োধৰণৰ দায়িত্ব ল'ব লাগিব। ব্যক্তিগত পৰ্যায়ত, উচ্চ মানদণ্ডৰ মাস্ক ব্যৱহাৰ কৰা, বিশেষকৈ ৰাতিপুৱা আৰু গধূলি ওলোৱাৰ সময়ত সাৱধানতা অৱলম্বন কৰা, আৰু নিৰ্মাণস্থলীৰ দৰে প্ৰদূষিত অঞ্চলৰ পৰা আঁতৰি থকা। ইয়াৰ উপৰিও, প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে চাপ দিয়া— যেনে নিৰ্মাণস্থলীত ধূলি ঢাকি ৰখা, নিয়মীয়াকৈ পানী ছটিওৱা, আৰু যান-বাহনৰ পৰা হোৱা প্ৰদূষণ নিয়ন্ত্ৰণ কৰা। অৱশেষত, এইটো সত্য যে গুৱাহাটীৰ বায়ু প্ৰদূষণ কেৱল এটা পৰিৱেশ সমস্যা নহয়, ই এক সামাজিক আৰু অৰ্থনৈতিক সমস্যাও। ই আমাৰ জীৱনৰ গুণগত মান, আমাৰ স্বাস্থ্য, আমাৰ অৰ্থনীতি— সকলোতে প্ৰভাৱ পেলায়। সেয়ে, ইয়াৰ সমাধান বিচাৰিবলৈ চৰকাৰ, প্ৰশাসন, আৰু ৰাইজ— আটায়ে একত্ৰিত হ'ব লাগিব। নহ'লে, এদিন গুৱাহাটীৰ বায়ু ইমানেই বিষাক্ত হ'ব যে উশাহ লোৱাৰ অধিকাৰটোৰ বাবেও আমি হাহাকাৰ কৰিবলগীয়া হ'ব। বতৰ বিজ্ঞান কেন্দ্ৰই বৰষুণৰ অপেক্ষাত আছে, কিন্তু আমি বৰষুণৰ অপেক্ষাত বহি থকাৰ সময় নাই। কাৰ্য্যৰ সময় এতিয়াই।

" ডিজিটেল মাধ্যমৰ চুটি চুটি ভিডিঅ' আৰু সামাজিক মাধ্যমৰ চমকতাৰ মাজত আমাৰ পঠন সংস্কৃতিও সম্পূৰ্ণৰূপে ধ্বংস হৈছে। এতিয়াৰ মানুহে কিতাপ পঢ়িবলৈ সময় নাই বুলি কয়। অথচ ম'বাইলৰ পৰ্দাত ঘণ্টাৰ পিছত ঘণ্টা সময় পাৰ কৰে। অসমীয়া কিতাপ বা বাতৰি কাকত পঢ়াৰ প্ৰতি থকা অনিচ্ছাই ভাষাৰ শব্দ ভাণ্ডাৰ আৰু চিন্তাৰ গভীৰতা কমাই আনিছে। যি জাতিয়ে নিজৰ ভাষাৰ কিতাপ নপঢ়ে, সেই জাতিৰ ভাষা কেতিয়াও জীয়াই থাকিব নোৱাৰে। কিতাপ অধ্যয়নেহে এজন ব্যক্তিক ভাষাৰ ব্যাকৰণগত শুদ্ধতা আৰু শব্দভাণ্ডাৰৰ বিষয়ে সম্যক জ্ঞান দিয়ে। পঠন সংস্কৃতিৰ এই অভাৱে নতুন প্ৰজন্মৰ মাজত ভাষিক দৰিদ্ৰতাৰ সৃষ্টি কৰিছে। ভাষাৰ চৰ্চা কেৱল কিতাপৰ পাততে সীমাবদ্ধ নহয়, ই হ'ল সমাজৰ চিন্তাৰ প্ৰতিফলন। বৰ্তমান সময়ত আমাৰ মাজত দেখা দিয়া এই বৌদ্ধিক আলস্যই ভাষাটোক এক মৃত ভাষাৰ ফালে আগুৱাই নিব বুলি সন্দেহ হৈছে। "

# ডিজিটেল যুগৰ ধামখুমীয়াত মাতৃভাষা ঃ সংকট আৰু সম্ভাৱনা

**নলিনী ৰঞ্জন ভূঞা**

**এ**কবিংশ শতিকাৰ তথ্য-প্ৰযুক্তিৰ দ্ৰুত উত্তৰণে মানৱ সভ্যতাৰ প্ৰতিটো দিশলৈ আমূল পৰিৱৰ্তন আনিছে। এই পৰিৱৰ্তনে ভাষাৰ ক্ষেত্ৰখনকো গভীৰভাৱে স্পৰ্শ কৰিছে। বৰ্তমানৰ ডিজিটেল যুগত পৃথিৱীৰ প্ৰতিটো কোণৰ খবৰ মুহূৰ্ততে আমাৰ হাতৰ মুঠিত উপলব্ধ হয়। কিন্তু এই অগ্ৰগতিৰ সমান্তৰাল ভাৱে এক অত্যন্ত চিন্তনীয় বিষয় হৈ পৰিছে আমাৰ আপোন মাতৃভাষা অসমীয়াৰ ব্যৱহাৰ আৰু ইয়াৰ শুদ্ধতা নিৰূপনৰ বিষয়টো। গোলকীকৰণৰ প্ৰভাৱত ইংৰাজী ভাষাৰ আগ্ৰাসনে আঞ্চলিক ভাষাবোৰৰ যথেষ্ট ক্ষতি সাধন কৰিছে। অৱশ্যে বৰ্তমানৰ প্ৰযুক্তিয়ে স্থানীয় ভাষা সমূহক এক বিশ্বজনীন মঞ্চও প্ৰদান কৰিছে। কিন্তু আমাৰ মাজৰে একাংশৰ ভাষিক আচৰণ আৰু ভুল প্ৰয়োগে মাতৃভাষাৰ প্ৰতি এক গভীৰ সংকটৰ সৃষ্টি কৰা দেখা গৈছে। বিশেষকৈ ফেচবুক, হোৱাটছ্এপ বা ইনষ্টাগ্ৰামৰ দৰে সামাজিক মাধ্যমত অসমীয়া ভাষাৰ যি শোচনীয় ৰূপ দেখা যায়, সেয়া সঁচাকৈয়ে দুৰ্ভাগ্যজনক। অধিকাংশ ব্যৱহাৰকাৰীয়েই আজি অসমীয়া শব্দবোৰ ইংৰাজী আখৰ ব্যৱহাৰ কৰি লিখে। 'ধন্যবাদ'ৰ দৰে এটি শুৱলা শব্দক বাদ দি কেৱল ইংৰাজী 'Tq' ব্যৱহাৰ কৰাটো এতিয়া এক সংক্ৰামক ব্যাধিত পৰিণত হৈছে। এই অভ্যাসৰ ফলত নতুন প্ৰজন্মই নিজৰ ভাষাৰ লিপিটোৰ পৰিচয় পাহৰি যাবলৈ ধৰিছে। ইউনিক'ডৰ জৰিয়তে ম'বাইলত অতি সহজে শুদ্ধ অসমীয়া লিপি ব্যৱহাৰ কৰাৰ সুবিধা থকা সত্ত্বেও, এই ধৰণৰ এলাহ আৰু অৱহেলাই আমাৰ অতি চহকী অসমীয়া লিপিটোক বিলুপ্তিৰ পথলৈ ঠেলি দিছে। যদিহে আমি আমাৰ নিজৰ লিপিটোকে ব্যৱহাৰ নকৰোঁ, তেন্তে ভৱিষ্যতে কম্পিউটাৰ বা কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে উন্নত প্ৰযুক্তিত অসমীয়া ভাষাৰ স্থান নগণ্য হৈ পৰিব, কাৰণ তথ্য-প্ৰযুক্তিয়ে কেৱল সেইবোৰ ভাষাকহে গুৰুত্ব দিয়ে যাৰ ডিজিটেল তথ্যভাণ্ডাৰ শক্তিশালী।




বৰ্তমান আমাৰ সমাজত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ এক দ্ৰুত আগ্ৰাসন দেখা গৈছে। এনেবোৰ বিদ্যালয়ত শিক্ষাৰ্থী সকলক গোলকীয় প্ৰতিযোগিতাৰ বাবে সাজু কৰাৰ নামত মাতৃভাষাক সম্পূৰ্ণৰূপে এলাগী কৰা হৈছে। বহু বিদ্যালয়ত আনকি অসমীয়াত কথা পতাটোও এক অপৰাধ হিচাপে গণ্য কৰা হয় আৰু তেনে কৰিলে শিক্ষাৰ্থীক দণ্ড বিহা হয়। ইয়াৰ ফলত শিশু সকল নিজৰ সাহিত্য-সংস্কৃতিৰ পৰা মানসিকভাৱে বিচ্ছিন্ন হৈ পৰিছে। যিটো বয়সত শিশুৰ মনত নিজৰ ভাষাৰ প্ৰতি মৰম আৰু শ্ৰদ্ধা গঢ়ি তুলিব লাগে, সেই বয়সতে তেওঁলোকক শিকোৱা হয় যে ইংৰাজী ভাষাটোহে শ্ৰেষ্ঠ আৰু আধুনিকতাৰ পৰিচায়ক। এনেদৰে ডাঙৰ হোৱা এজন শিশোৱে যেতিয়া অসমীয়া ভাষাৰ কোনো গধুৰ বিষয় শুনে বা পঢ়ে, তেতিয়া তেওঁ সেয়া বুজি পাবলৈ অক্ষম হয়। ই কেৱল এটা ভাষাৰে ক্ষতি কৰা নাই, বৰঞ্চ এটা জাতিৰ মেৰুদণ্ড স্বৰূপ ভৱিষ্যত প্ৰজন্মৰ বৌদ্ধিক গঢ়টোকে বিকলাংগ কৰি পেলাইছে। ইয়াৰ লগে লগে আজিৰ বহু অভিভাৱকে অতি গৌৰৱেৰে সমাজত কৈ ফুৰে যে তেওঁলোকৰ সন্তানে অসমীয়া ক'ব নাজানে বা ইংৰাজীতহে কথা পাতে। এয়া আধুনিকতা নহয়, বৰঞ্চ এক গভীৰ মানসিক দাসত্ব। নিজৰ সন্তানক থলুৱা ভাষাৰ পৰা আঁতৰাই ৰাখি তেওঁলোকক এক বিজতৰীয়া পৰিৱেশৰ মাজত গঢ়ি তুলিছে। বহু কণ কণ শিশুক অসমীয়াত কিবা সুধিলে তেওঁলোকে ইংৰাজীতহে উত্তৰ দিয়ে, আৰু অভিভাৱকেও সেই ভুল সংশোধন নকৰি আনন্দহে পায়। পিতৃ-মাতৃয়ে এই বিসংগতিক সংশোধন কৰাৰ পৰিৱৰ্তে ইয়াক এক মৰ্যাদাৰ বিষয় হিচাপে গ্ৰহণ কৰিছে। এই হীনমন্যতাই মাতৃভাষাত চৰম আঘাত হানিছে। মাতৃভাষা হ'ল এজন ব্যক্তিৰ চিন্তা আৰু আৱেগৰ আটাইতকৈ শক্তিশালী মাধ্যম; সেই মাধ্যমটোক শৈশৱতে হত্যা কৰিলে শিশুটিৰ স্বাভাৱিক বিকাশ ব্যাহত হোৱাটো নিশ্চিত।

আমাৰ সমাজত পৰম্পৰাগতভাৱে চলি অহা কিছুমান মধুৰ সম্বোধন যেনে আইতা, ককাইদেউ, দদাইদেউ, মাহী আদি লাহে লাহে হেৰাই যাবলৈ ধৰিছে। ইয়াৰ ঠাই লৈছে পাপা, মামা, আংকল, আণ্টি আদিৰ দৰে পশ্চিমীয়া শব্দই। এই পৰিৱৰ্তনে কেৱল ভাষিক সলনিকে সূচোৱা নাই, বৰঞ্চ অসমীয়া সমাজৰ আত্মীয়তা আৰু আৱেগিক বান্ধোনকো দুৰ্বল কৰিছে। অসমীয়া ভাষাৰ প্ৰতিটো সম্পৰ্কৰ বাবে থকা সুকীয়া সুকীয়া সম্বোধন বোৰৰ মাজত এক স্বকীয় মৰ্যাদা নিহিত হৈ থাকে, যাক পশ্চিমীয়া শব্দই কেতিয়াও প্ৰকাশ কৰিব নোৱাৰে। এনেদৰে নিজৰ সম্বোধনবোৰ বাদ দি আনৰ পৰিচয় আঁকোৱালি লোৱাটো জাতিগত দেউলীয়াৰহে পৰিচয়। আনহাতে, আমাৰ সমাজত আন এক অদ্ভুত প্ৰৱণতা দেখা গৈছে। যেতিয়া এজন অসমীয়া মানুহে এজন হিন্দী ভাষী ব্যৱসায়ী বা ব্যক্তিৰ সৈতে কথা পাতে, তেতিয়া তেওঁ নিজে ভুল কৈ হ'লেও হিন্দী ক'বলৈ চেষ্টা কৰে। এয়া কিয় হয়? আমি কিয় ভাবোঁ যে আমি তেওঁলোকৰ ভাষাত কথা ক'লেহে তেওঁলোকে আমাক গুৰুত্ব দিব? বৰঞ্চ আমি যদি তেওঁলোকৰ সৈতে শুদ্ধ আৰু সৰল অসমীয়াত কথা পাতিলোঁহেঁতেন, তেন্তে তেওঁলোকেও কামৰ স্বাৰ্থতে আমাৰ ভাষাটো শিকিবলৈ বাধ্য হ'লহেঁতেন। নিজৰ মাটিত নিজৰ ভাষা ক'বলৈ সংকোচ কৰাটো এক চৰম পৰাজয়। এই ব্যৱহাৰিক হীনমন্যতাই অসমীয়া ভাষাক নিজৰ ৰাজ্যতে দ্বিতীয় শ্ৰেণীৰ ভাষা হিচাপে পৰিগণিত যে কৰিব সি নিশ্চিত।

ডিজিটেল মাধ্যমৰ চুটি চুটি ভিডিঅ' আৰু সামাজিক মাধ্যমৰ চমকতাৰ মাজত আমাৰ পঠন সংস্কৃতিও সম্পূৰ্ণৰূপে ধ্বংস হৈছে। এতিয়াৰ মানুহে কিতাপ পঢ়িবলৈ সময় নাই বুলি কয়। অথচ ম'বাইলৰ পৰ্দাত ঘণ্টাৰ পিছত ঘণ্টা সময় পাৰ কৰে। অসমীয়া কিতাপ বা বাতৰি কাকত পঢ়াৰ প্ৰতি থকা অনিচ্ছাই ভাষাৰ শব্দ ভাণ্ডাৰ আৰু চিন্তাৰ গভীৰতা কমাই আনিছে। যি জাতিয়ে নিজৰ ভাষাৰ কিতাপ নপঢ়ে, সেই জাতিৰ ভাষা কেতিয়াও জীয়াই থাকিব নোৱাৰে। কিতাপ অধ্যয়নেহে এজন ব্যক্তিক ভাষাৰ ব্যাকৰণগত শুদ্ধতা আৰু শব্দভাণ্ডাৰৰ বিষয়ে সম্যক জ্ঞান দিয়ে। পঠন সংস্কৃতিৰ এই অভাৱে নতুন প্ৰজন্মৰ মাজত ভাষিক দৰিদ্ৰতাৰ সৃষ্টি কৰিছে। ভাষাৰ চৰ্চা কেৱল কিতাপৰ পাততে সীমাবদ্ধ নহয়, ই হ'ল সমাজৰ চিন্তাৰ প্ৰতিফলন। বৰ্তমান সময়ত আমাৰ মাজত দেখা দিয়া এই বৌদ্ধিক আলস্যই ভাষাটোক এক মৃত ভাষাৰ ফালে আগুৱাই নিব বুলি সন্দেহ হৈছে। সামাজিক মাধ্যমৰ প্ৰভাৱত আমি এতিয়া শুদ্ধ বাক্য গাঁথনিৰ পৰিৱৰ্তে কেৱল কেইটামান চুটি সংকেত বা ছবিৰ (ইম'জি) সহায়ত ভাব প্ৰকাশ কৰিবলৈ লৈছোঁ। ই আমাৰ ভাষাৰ সৃজনীশীলতাক সমূলি বিনাশ কৰিছে।

পৰিশেষত ক'ব পাৰি যে-ভাষা হ'ল এটা জাতিৰ জীৱনৰেখা। এই ৰেখাডাল যদি ডিজিটেল ধুমুহাত ধূসৰ হৈ পৰে, তেন্তে আমাৰ অস্তিত্ব বিলীন হ'বলৈ বেছি পৰ নালাগিব। সেয়েহে, আজিৰ সময়ত মাতৃভাষাৰ সংৰক্ষণ কেৱল এমুঠিমান সাহিত্যিকৰ দায়িত্ব নহয়, ই প্ৰতিজন অসমীয়াৰ কৰ্তব্য। প্ৰযুক্তিক আঁকোৱালি লোৱাটো প্ৰয়োজনীয়, কিন্তু তাৰ নামত নিজৰ পৰিচয় বিসৰ্জন দিয়াটো আত্মঘাতী। আমি যদি আজি সচেতন নহওঁ, তেন্তে ভৱিষ্যতে অসমীয়া ভাষা কেৱল সংগ্ৰহালয়ৰ বস্তু হৈ ৰ'ব। আমি আমাৰ শিশুক অসমীয়া শিকাব লাগিব, মৰ্যাদাৰে নিজৰ সম্বোধনবোৰ ব্যৱহাৰ কৰিব লাগিব আৰু আনৰ সৈতে নিজৰ ভাষাত কথা পাতিবলৈ সাহস কৰিব লাগিব। নিজৰ ঘৰখনৰ পৰাই আমি ভাষাৰ শুদ্ধ চৰ্চা আৰম্ভ কৰিব লাগিব। ইংৰাজী বা হিন্দী ভাষাৰ জ্ঞান প্ৰয়োজনীয় হ'ব পাৰে, কিন্তু সেয়া নিজৰ মাতৃভাষাক হত্যা কৰি নহয়। ভাষা জীয়াই থাকিলেহে জাতি জীয়াই থাকিব। সেয়েহে, আহক আমি প্ৰতিজ্ঞা কৰোঁ যে ডিজিটেল বিশ্বৰ এই কঠিন প্ৰতিযোগিতাত আমি আমাৰ মাতৃভাষাৰ পতাকা সগৌৰৱে উৰুৱাই ৰাখিম আৰু নতুন প্ৰজন্মৰ বাবে এক চহকী ভাষিক উত্তৰাধিকাৰ এৰি থৈ যাম। ইয়েই হ'ব আমাৰ ভাষাৰ প্ৰতি প্ৰকৃত সন্মান।

# অসমীয়া সমাজলৈ গ্ৰন্থমেলাৰ অৱদান

**জ্যোতিষ্মান হাজৰিকা**

**গ্ৰ**ন্থমেলাই অসমীয়া সমাজলৈ জ্ঞানৰ দুৱাৰ খুলি দিয়ে আৰু সাহিত্যিক চেতনা জাগ্ৰত কৰাৰ সুবিধা আনে, যিয়ে পাঠক-লেখকৰ মাজত সংযোগ স্থাপন কৰে আৰু অসমীয়া ভাষা-সংস্কৃতিৰ সংৰক্ষণত সহায় কৰে। ই সমাজৰ সকলো শ্ৰেণীৰ মাজত গ্ৰন্থ পাঠৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰি সাংস্কৃতিক উৎসৱৰূপে পৰিণত হয়। সাহিত্যিক উন্নয়ন হিচাপে চাবলৈ গ'লে গ্ৰন্থমেলাই অসমীয়া লেখক-প্ৰকাশকসকলৰ বাবে প্লেটফৰ্ম প্ৰদান কৰে, য'ত আলোচনী, কবিতা পাঠ আৰু সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে ভাষাৰ বিকাশ ঘটে। অসম প্ৰকাশন পৰিষদৰ দ্বাৰা ১৯৮৪ চনৰ পৰা আৰম্ভ হোৱা এই মেলাই গ্ৰন্থ বিক্ৰী বৃদ্ধি কৰি স্থানীয় সাহিত্য জগতক শক্তিশালী কৰিছে। সামাজিক প্ৰভাৱেই সমাজত বৌদ্ধিকতাৰ প্ৰসাৰ কৰি গাঁও-চহৰত গ্ৰন্থৰ চাহিদা বঢ়ায় আৰু বিভিন্ন ভাষাৰ মাজত সমন্বয় সৃষ্টি কৰে। পূজাৰ সময়ত বিশেষ আনন্দ যোগায় আৰু শিশু সাহিত্যৰ বাবে জ্ঞানৰ ব্যৱস্থাৰ জৰিয়তে নতুন পাঠক গঢ় দিয়ে। গ্ৰন্থমেলাৰ অৰ্থনৈতিক লাভ হ'ব পাৰে উদাহৰণস্বৰূপে সাম্প্ৰতিক সময়ত গুৱাহাটী গ্ৰন্থমেলাত ৭ কোটি টকাৰ অধিক বিক্ৰী হোৱাৰ দ্বাৰা স্থানীয় প্ৰকাশক আৰু কাৰিকৰসকলৰ বাবে অৰ্থনৈতিক উন্নয়ন ঘটিছে। এই মেলাই অসমীয়া ভাষাক ক্লাচিকেল মৰ্যাদা দিয়াৰ পিছতো ইয়াৰ গুৰুত্ব অধিক হৈ পৰিছে। গ্ৰন্থমেলাই শিক্ষাগত সুফলসমূহৰ ভিতৰত গ্ৰন্থ নিৰ্বাচনৰ সুবিধা, সাহিত্যিক আলোচনা আৰু বিশ্ব সাহিত্যৰ সৈতে পৰিচয় অন্তৰ্ভুক্ত কৰে, যিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পাঠকৰ স্পৃহা জাগ্ৰত কৰে আৰু অধ্যয়নৰ সুস্থ পৰিৱেশ গঢ়ি তোলে। অসম চৰকাৰৰ 'কিতাপৰ বৰ্ষ' ২০২৫ৰ অধীনত আতগুৰি গ্ৰন্থমেলাৰ জৰিয়তে শিক্ষা আৰু সৃজনশীল লেখনীক প্ৰসাৰিত কৰা হৈছে। গ্ৰন্থমেলাত বহুত গ্ৰন্থ একেলগে প্ৰদৰ্শিত হোৱাৰ ফলত পাঠকসকলে নিজৰ ৰুচি অনুসৰি নিৰ্বাচন কৰিব পাৰে, যিয়ে গ্ৰন্থ উদ্যোগ আৰু অধ্যয়নৰ পৰিৱেশ ত্বৰান্বিত কৰে। ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ অনুষ্ঠান আৰু বিনামূল্যে গ্ৰন্থ বিতৰণৰ জৰিয়তে পাঠকসকলক অভ্যাসৰ গঢ় দিয়ে। সাহিত্য চক্ৰ, লেখকৰ ভাষণ আৰু বিশ্বৰ প্ৰসিদ্ধ সাহিত্যৰ পৰিচয়ৰ জৰিয়তে নতুন চিন্তাভাৱনাৰ আদান-প্ৰদান ঘটে, যিয়ে ছাত্ৰসকলক অনুপ্ৰাণিত কৰে। লিখক-পাঠক-প্ৰকাশকৰ মাজত সুসম্পৰ্ক স্থাপন কৰি সমাজৰ বিভিন্ন দিশ আলোকপাত কৰাৰ সুযোগ দিয়ে। নতুন প্ৰজন্মৰ লেখকসকলক মঞ্চ প্ৰদান কৰি ১০০০জন যুৱক লেখকৰ সন্মান অৰ্থাৎ ২৫,০০০ টকাৰ সহায় প্ৰদানৰ জৰিয়তে সৃজনশীলতাৰ পথ প্ৰশস্ত কৰে। অসমত এনে মেলাই শিক্ষাৰ বিপ্লৱৰ সূচনা কৰি আহিছে। গ্ৰন্থমেলাত শিক্ষামূলক কাৰ্যসূচীসমূহৰ ভিতৰত সাহিত্যিক আলোচনা চক্ৰ, কবিতা পাঠ, লেখক-শিল্পীৰ সাক্ষাৎকাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতিযোগিতাসমূহ অন্তৰ্ভুক্ত, যিয়ে জ্ঞান আদান-প্ৰদান আৰু বৌদ্ধিক উন্নয়নত সহায় কৰে। অসমৰ গ্ৰন্থমেলাসমূহত শিশুসকলৰ চিত্ৰাংকন, কবিতা আবৃত্তি আৰু সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন হয়। আলোচনা আৰু সাক্ষাৎকাৰ সাহিত্য কেন্দ্ৰিক বিতৰ্ক, কবিৰ সন্মিলন আৰু বিখ্যাত ব্যক্তিৰ জীৱন কাহিনী শুনাৰ অনুষ্ঠানসমূহৰ জৰিয়তে পাঠকসকলে নতুন চিন্তাৰ সংস্পৰ্শত আহে। এই কাৰ্যসূচীসমূহে মনক সজীৱ কৰি জ্ঞানৰ প্ৰসাৰ ঘটায়। ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ প্ৰতিযোগিতা যেনে চিত্ৰাংকন, কবিতা আবৃত্তি আৰু মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়, যাৰ বঁটাও বিতৰণ কৰা হয়। কলেজসমূহতো এনে প্ৰতিযোগিতাৰ জৰিয়তে বৌদ্ধিক উৎকৰ্ষ বৃদ্ধি পায়। সাংস্কৃতিক কাৰ্যসূচী আৰু গ্ৰন্থ মুকলিৰ প্ৰসংগসমূহে শিক্ষামূলক পৰিৱেশ গঢ়ি তোলে, যিয়ে নতুন লেখকক উপাৰ্জন কৰিবলৈ সহায় কৰে। উত্তৰ আধুনিক যুগত দেখা পাইছোঁ গ্ৰন্থ স্পৃহা কমি আহিছে ইয়াৰ কাৰণ হৈছে ছাত্ৰ ছাত্ৰীসকল ইণ্টাৰনেটত ব্যস্ত হৈ থকা। আমি নৱপ্ৰজন্মই যদি একো একোখন গ্ৰন্থ পঢ়োঁ তেন্তে আমি একোজন সু নাগৰিক হৈ পৰাৰ সম্ভাৱনা অধিক। আৰু ভৱিষ্যতে একোজন লেখক, সাহিত্যিক আৰু কবি হোৱাৰ যোগ্য থাকে। এই যোগ্যতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। কিতাপ অধ্যয়নে মানুহৰ দুখ, খং, আৰু অন্যান্য যিকোনো বেয়া স্বভাৱবোৰ গটিয়াই দিয়ে। কথাকেই কয় যে একোখন কিতাপ মৌচাকৰ নিচিনা। আমাৰ অসমীয়া মানুহে প্ৰাচীন কিতাপবোৰ সংৰক্ষণ কৰাৰ প্ৰৱণতা আছে। আজি অসমীয়াই নিজৰ সংৰক্ষিত পুথিবোৰ বিশ্ব বিভিন্ন দেশলৈ লৈ গৈ অসমখনৰ বিভিন্ন কথাত জনোৱাত সহায় কৰিছে। কিতাপেই ধৰ্মৰ প্ৰতি অশুহাস সমূহ দূৰ কৰে। হেলেন কেলাৰে কৈছিল সাহিত্যই মোৰ নন্দন কানন। তেওঁ এজন বিখ্যাত সাহিত্যিক। মোৰ মতে একোখন কিতাপে বন্ধুত্ব গঢ় দিয়ে। আনন্দৰাম বৰুৱাই কৈছিল কিতাপ হৈছে মোৰ ভাৰ্যা। এইখিনিতে গম পোৱা যায় যে কিতাপ হৈছে সকলো প্ৰিয় কিন্তু এই প্ৰিয় বস্তুটো আমি সকলোৱে সদ্ব্যৱহাৰ নকৰোঁ। সেয়েহে কিতাপবোৰ কৰাল গ্ৰাসত পৰিবলৈ বাধ্য হৈ পৰিছে। আমি আশা কৰিছোঁ এই কৰাল গ্ৰাসত পৰা কিতাপবোৰ যিকোনো প্ৰকাৰে উদ্ধাৰ কৰি একোটা মিউজিয়াম সাজি সেই স্থানত সংৰক্ষিত কৰি থ'লে আমাৰ ঐক্য সংহতি ৰক্ষা পৰিব।



# বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই আমাক নিতৌ নতুন কথা শিকায়

**বেণুৰাম ৰাভা**

**মা**নুহৰ কামনাৰ অন্ত নাই। অনন্ত কামনাই মানুহক চিৰদিনৰ বাবে কৰ্মচঞ্চল কৰি তোলে। মানুহে সদায় নোপোৱাটো পাবলৈ, নেদেখাটো চাবলৈ বিচাৰে। ইয়াৰ ফলতে মানুহে প্ৰাকৃতিক সম্পদক সৰ্ববস্ব উদ্ঘাটন কৰি প্ৰকৃতিৰ প্ৰতিটো সম্পদ আহৰণ কৰি সুখ-সমৃদ্ধি বৃদ্ধি কৰাৰ উপৰিও প্ৰকৃতিৰ ওপৰতে মানুহে নিজকে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে। আজিৰ সময়ত প্ৰকৃতিয়ে বুকু উদঙাই চিৰসঞ্চিত সম্পদ বোৰক আহৰণ কৰি পৃথিৱীখনক বিনন্দীয়া কৰি তুলিবলৈ মানুহক হাত বাউলি মাতে। প্ৰকৃতিৰ এই আহ্বানৰ প্ৰতি সন্মান জনাই যি মানুহে যিমান পাৰি প্ৰকৃতিক অধ্যয়ন কৰি, প্ৰকৃতিৰ বুকু খুলি খুলি চাবলৈ প্ৰয়াস কৰিছে। যিদিনা গেলিলিওৱে সূৰ্য স্থিৰ আৰু গ্ৰহ উপগ্ৰহ বোৰহে ইয়াৰ চাৰিওফালে ঘূৰে বুলি প্ৰমাণ কৰি দেখুৱাইছিল সেই দিনা মানুহে গেলিলিওক পাগল বুলি কৈ জেলত বন্দী কৰি ৰাখিছিল। জৰ্জ ষ্টিফেনচনে ৰে'লগাড়ী চলাই দেখুওৱাতে সকলো মানুহে তেওঁক ভূত-প্ৰেতৰ লীলা বুলি ইতিকিং কৰিছিল। আজি যাক আমি পাগল কৈ ইতিকিং কৰিছিলোঁ তেওঁলোকৰ সৃষ্টিৰাজীকে সমগ্ৰ বিশ্ববাসীয়ে সাৰতি লৈ বিজ্ঞানৰ বিজয় গান গাই ফুৰিছে। ৰাতিপুৱাৰ পৰা ৰাতি শুৱালৈকে আমি বিজ্ঞানৰ আৱিষ্কৃত বস্তুক লৈয়ে দিন পাৰ কৰোঁ। ইমূৰৰ পৰা সিমূৰলৈ যাবলৈ আমি চাইকেল, গাড়ী, মটৰ চাইকেল, আকাশী যান ব্যৱহাৰ কৰোঁ। এই সকলোবোৰ বস্তু বিজ্ঞানৰে সৃষ্টি ৰাজী। আকাশী যান আৱিষ্কাৰে আমাৰ যাতায়ত ব্যৱস্থা অতি সুচল আৰু সহজসাধ্য কৰি তোলে। আজি মানুহে কম সময়ৰ ভিতৰতে এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ সহজ হ'ল। সমগ্ৰ বিশ্বকে ঠেক আৰু এখন গাওঁলৈ ৰূপান্তৰ কৰি তুলিলে বিজ্ঞানে।

কাকত আৰু ছপাশাল আৱিষ্কাৰে মানুহক কেৱল বিদ্যা শিক্ষা কৰি গুণী জ্ঞানী কৰি তোলাই নহয় ইয়ে মানুহক বিজ্ঞানৰ সৈতে জড়িত কৰাই। বাতৰি কাকত, আলোচনী আদি পঢ়ি মানুহে বিশ্বৰ দৈনন্দিন বা বাতৰি ঘৰতে বহি চচিয়েল মিডিয়াৰ যোগেদি জানিব পাৰিছে। বিজুলী শক্তিৰ আৱিষ্কাৰে যান্ত্ৰিক জগতত এক অভিনৱ সৃষ্টি কৰি, ডাঙৰ ডাঙৰ কল কাৰখানা গঢ়ি উঠি নতুন উৎপাদনৰে মানুহক স্বাৱলম্বী কৰি তুলিছে। যান্ত্ৰিক পোহৰেৰে মানুহে দিনে নিশাই কাম কৰি যাবলৈ সহায়-সহযোগিতা কৰিছে। বিজুলী শক্তিৰ আৱিষ্কাৰৰ বাবে শীত কালত শীতৰ পৰা ৰক্ষা পাবলৈ হিটাৰ, গৰম পৰা সকাহ পাবলৈ এচি, পাংখা আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰোঁ। গ্ৰামোফোন আৱিষ্কাৰে সংগীতৰ সুমধুৰ গীতৰ সুৰ বাণীবদ্ধ কৰি শুনিবলৈ, মানুহৰ জীৱন লীলাক বোলছবি আকাৰত নিৰ্মাণ কৰি সেই খিনিক চাই মনোৰঞ্জন লবলৈ বিজ্ঞানৰ বাবে সম্ভৱপৰ হৈ উঠিছে। টেলিভিছনে আৰু এখোপ আগুৱাই গৈ বিশ্বৰ মহান ব্যক্তিসকলক তেওঁলোকৰ মহান বাণীৰে সৈতে আমাৰ মুখামুখি কৰি দিয়াৰ উপৰি বিশ্বৰ সু-গায়ক-গায়িকা, অভিনেতা অভিনেত্ৰী, প্ৰথিতযশা নৃত্য শিল্পীসকলক আৰু লগতে তেওঁলোকৰ গীত, অভিনয়, নৃত্য আদিক আমাৰ চকুৰ দাঙি ধৰি আনন্দ উপভোগ কৰাইছে। টেলিভিছন আৰু কম্পিউটাৰ-ম'বাইল ফোনে আমাক দেশ বিদেশৰ বা-বাতৰি ঘৰতে বহি উপভোগ কৰিবলৈ সুবিধা দিছে।

মানুহে আজি পানীৰ কাৰণে নৈ, নিজৰা, বিল আদিৰ ওপৰত নিৰ্ভৰশীল নহয়। পৰিষ্কাৰ বিশুদ্ধ পানীৰ বাবে পাইপ ৰে এঠাইৰ পৰা আন ঠাইলৈ পানী অনা নিয়া কৰাৰ ব্যৱস্থা আছে। লেতেৰা পানীক পৰিষ্কাৰ কৰিবলৈ বিজ্ঞানে যন্ত্ৰ আৱিষ্কাৰ কৰিছে, ঠাণ্ডা পানীক গৰম কৰি খাবলৈ বিজ্ঞানে যন্ত্ৰ আৱিষ্কাৰ কৰিছে। আজিৰ যুগত যিফালে দি নাচাওক কিয় বিজ্ঞানক বাদ দি একো দেখিব নোৱাৰে। শিক্ষা দীক্ষা আদিৰ ক্ষেত্ৰতো বিজ্ঞানৰ নতুন আৱিষ্কাৰে শিক্ষাৰ সকলো স্তৰতে তলপাৰ লগাইছে। শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াক বাস্তৱমুখী আৰু অধিক ফলপ্ৰসূ কৰি তুলিবলৈ নানা তথ্য-প্ৰযুক্তি আৱিষ্কৃত হৈছে। শিক্ষাৰ জগতত কম্পিউটাৰৰ প্ৰৱেশে শিক্ষা খণ্ড লৈ অভিনৱ পৰিবৰ্তন আনিলে। কম্পিউটাৰ ব্যৱহাৰে শিক্ষা ব্যৱস্থাক আৰু অধিক গতিশীলতা আনি দিলে। মানুহৰ এশ জনৰ কাম কম্পিউটাৰ অকলে কৰি অংক যিমানেই কঠিন হওক এক ছেকেণ্ডত উত্তৰ উলিওৱাই দিয়াৰ ক্ষমতা কম্পিউটাৰৰ আছে। কম্পিউটাৰ ব্যৱহাৰে শিক্ষাৰ্থী সকলক শিক্ষামুখী কৰি তোলাত সহায় কৰিছে আৰু অধিক অধ্যয়নমুখী কৰি অসাধ্যখিনি আঁতৰ কৰি নিজৰ প্ৰয়োজনীয় জ্ঞান আয়ত্ত কৰি লবলৈ সুবিধা লাভ কৰিছে। কিতাপত নোপোৱা কিছুমান প্ৰশ্নৰ উত্তৰ কম্পিউটাৰত আমি তৎক্ষণাৎ বিচাৰি ল'ব পাৰোঁ। বিজ্ঞানে মানুহক সভ্যতাৰ বাটত আগুৱাই নি নি এনে স্তৰত উপনীত কৰাইছে যে বিজ্ঞানৰ আৱিষ্কৃত বস্তুৰ অবিহনে কলৈকো যাব নোৱাৰা হৈছে। যিকিনহওক, বিজ্ঞানে মানুহক ধ্বংসৰ পথলৈ আগুৱাই নিনি সমাধানৰ আহিলা হৈ জিলিকি ৰওক।

# মাজুলীৰ বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক থোলন শইকীয়াৰ মৃত্যু; মাজুলীত শোক

**অসম বাৰ্তা, উজনী মাজুলী, ২৪ ফেব্ৰুৱাৰী ঃ** মাজুলীৰ বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ম'হকনা গাঁৱৰ বাসিন্দা থোলন শইকীয়াৰ আজি দুপৰীয়া বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মধ্য মাজুলীৰ সমাজ- সংস্কৃতিৰ লগত ওতপ্ৰোত ভাৱে জড়িত থোলন শইকীয়া মাজুলীৰ এজন বিশিষ্ট শিক্ষাব্ৰতী আছিল। ওৰেটো জীৱন তেওঁ শিক্ষা, সমাজ আৰু সংস্কৃতিৰ লগত জড়িত আছিল। নম্ৰ, সদাচাৰ, অল্পভাষী থোলন শইকীয়াই ১৯৪৪ চনৰ ১ মাৰ্চত ম'হকিনা গাঁৱত জন্ম গ্ৰহণ কৰিছিল। তেওঁ ম'হকিনা গাঁৱত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি পৰৱৰ্তী সময়ত গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কমলাবাৰীৰ মাজুলী আউনীআটী হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা শিক্ষা সাং কৰে। থোলন শইকীয়াই ৰাৱনাপাৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা সফলতাৰে প্ৰশিক্ষণ গ্ৰহণ কৰি প্ৰথমে জেংৰাইমুখ প্ৰাথমিক বিদ্যালয়ত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰে। পৰৱৰ্তী সময়ত তেওঁ ২ নং বৰগএঞা প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰে। তাৰপিছত তেওঁ ২০৬ নং খোনাচুক প্ৰাথমিক বিদ্যালয়ৰ ২০০২ চনত প্ৰধান শিক্ষক ৰূপে অৱসৰ গ্ৰহণ কৰে। সক্ৰিয় সমাজকৰ্মী থোলন শইকীয়া গড়মূৰ প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ কেইবাবছৰো সভাপতি আছিল। তেওঁ ম'হকিনা গাঁও উন্নয়ন সমিতি, ম'হকিনা নামঘৰ নিৰ্মাণ আৰু পৰিচালনা সমিতি, ম'হকিনা প্ৰভাত লাইব্ৰেৰী আদিৰ লগতে ম'হকিনা অঞ্চলৰ বিভিন্ন সামাজিক সাংস্কৃতিক কাম-কাজৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। ২০২৩ চনৰ ২৪ ডিচেম্বৰত ২০৬ নং খোনাচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত থোলন শইকীয়াক ৰাইজে ৰাজহুৱা সম্বৰ্ধনা জনায়। থোলন শইকীয়াৰ আজি দুপৰীয়া হঠাৎ অসুস্থ হৈ পৰে আৰু অতি কম সময়ৰ ভিতৰতে মৃত্যুৰ কোলাত ঢলি পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনিজন পুত্ৰ আৰু দুগৰাকী কন্যা, বোৱাৰী, জোঁৱাই, কেইবাজনো ভাতৃ, ভাতৃ বধূ, কেইবাজনো ভতিজা-ভতিজী, আৰু কেইবাজনো নাতি নাতিনী ইহসংসাৰত এৰি থৈ গৈছে। শিক্ষা ব্ৰতী থোলন শইকীয়াৰ মৃত্যুত আজি ম'হকিনা গাঁও উন্নয়ন আৰু পৰিচালনা সমিতি, যুৱক সংঘ, খোনাচুক প্ৰাথমিক বিদ্যালয়, খোনাচুক পৰিচালনা আৰু উন্নয়ন সমিতি, বিভিন্ন ব্যক্তি, দল-সংগঠন আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

### হাতে হাতে প্লে'-কাৰ্ড লৈ মহাবিদ্যালয় শিক্ষকৰ বিক্ষোভ

# ধেমাজি জিলাৰ কাণ্ডক লৈ সৰুপথাৰতো প্ৰতিক্ৰিয়া অব্যাহত

**অসম বাৰ্তা, সৰুপথাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** ধেমাজি জিলাৰ অকাজান জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এগৰাকী বৰ্হি নিৰীক্ষকক নিৰ্বিচাৰ প্ৰহাৰ কৰা ঘটনাৰ প্ৰতিক্ৰিয়া আজিও অব্যাহত আছে। গুণ্ডাৰূপী এদল যুৱকৰ অত পালিৰ বিৰুদ্ধে সৰুপথাৰ মহাবিদ্যালয় শিক্ষক গোট, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে। বৰ্হি নিৰীক্ষক হিচাপে নিজৰ দায়িত্ব সম্পাদন কৰা ধেমাজিৰ চিটি কলেজৰ সহকাৰী অধ্যাপক মনমোহন গগৈক আক্ৰমণকাৰীসকলক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি উচিত শাস্তি দিয়াৰ দাবীত সৰুপথাৰ মহাবিদ্যালয় শিক্ষক-ছাত্ৰৰ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সোমবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষকসকলে হাতে হাতে প্লে'-কাৰ্ড লৈ "Stop Harassment on Teachers, Ensure security of teacher on exam duty, arrest culprits involved in teacher's harassment, Give compensation to inflicted teachers, We want justice" আদিৰে সাব্যস্ত কৰে প্ৰতিবাদ। গুৰুতৰভাৱে আহত বৰ্হি নিৰীক্ষক মনমোহন গগৈ বৰ্তমানে ডিব্ৰুগড়ৰ অসম চিকিৎস্যা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষকসকলে চৰকাৰক দাবী জনাইছে যে দোষীক কঠোৰতম শাস্তি প্ৰদান কৰক। ভুক্তভোগী শিক্ষক মনমোহন গগৈৰ সম্পূৰ্ণ চিকিৎসাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰাৰ লগতে সু-চিকিৎসা প্ৰদান কৰাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনাইছে। নিৰীক্ষক শিক্ষকসকলে যাতে ভৱিষ্যতে কৰ্তব্য সম্পাদন কৰোঁতে কোনোধৰণৰ শংকিত হবলগীয়া নহয় তেনেকোৱা ব্যৱস্থা গ্ৰহণ কৰিবলৈ মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি পৰাগ ভূঞাই মন্তব্য কৰে। শিক্ষকসকলে আশা প্ৰকাশ কৰিছে যে এনেধৰণৰ পৰিস্থিতি অসমত আৰু কেতিয়াও নহওক। শিক্ষক-ছাত্ৰ-অভিভাৱকৰ সম্পৰ্ক সদায় মহিমামণ্ডিত হৈ থাকক।

### মাৰণাস্ত্ৰসহ দুই যুৱকক আটক

# শিৱসাগৰ আৰক্ষীৰ সফলতা

**অসম বাৰ্তা, জয়সাগৰ, ২৪ ফেব্ৰুৱাৰী ঃ** দিনক দিনে শিৱসাগৰ নগৰত বৃদ্ধি পাব ধৰিছে চুৰি, ডকাইটি ঘটনা। শিৱসাগৰ আৰক্ষীয়ে অব্যাহতে ৰাখিছিল অভিযান। ইয়াৰ মাজতেই আজি শিৱসাগৰ আৰক্ষীয়ে ASTC তিনিআলি পৰা মাৰণাস্ত্ৰ সহ দুই যুৱকক আটক কৰিব সক্ষম হয়। যুৱক দুজনৰ পৰা খালী মেগাজিন ৭ এম এম এটা পিষ্টল, দুটা মোবাইল আৰু DL 3 CBD 7208 নাম্বাৰ এখন ফৰ্চুনাৰ গাড়ী উদ্ধাৰ কৰিব সক্ষম হয়। উল্লেখ যোগ্য যে এক গোপন সূত্ৰৰ পম খেদি শিৱসাগৰ আৰক্ষীয়ে ASTC তিনিআলি পৰা আটক কৰে যুৱক দুজনক। যুৱক কেইজন ক্ৰমে যোৰহাট জিলাৰ চেলেংহাটৰ পল্লৱ শইকীয়া ওৰফে মুন আৰু আনজন যোৰহাটৰ ভৰৎ শইকীয়া বুলি জানিব পৰা গৈছে। আটকাধীন পল্লৱ শইকীয়া ওৰফে মুন সেনা বাহিনীৰ এগৰাকী অৱসৰপ্ৰাপ্ত জোৱান বুলি জানিব পৰা গৈছে। আৰক্ষীক প্ৰাথমিক অনুসন্ধানত উদ্ধাৰ হোৱা পিষ্টলটো ডিমাপুৰ পৰা আনিছে খবৰ লাভ কৰিছে। আৰু আৰক্ষীৰ অধিক তদন্তৰ পাছতেই লাভ কৰিব নন তথ্য।

# অভয়াপুৰী মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া যুৱ পাৰ্লিয়ামেণ্ট, শীৰ্ষক বক্তৃতা অনুষ্ঠান সম্পৰ্কে সংবাদমেল

**অসম বাৰ্তা, লেংটিছিঙা, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু খেল মন্ত্ৰালয়ৰ অধীনত অভয়াপুৰী মহাবিদ্যালয়ত অহা ২৬ ফেব্ৰুৱাৰীত বঙাইগাঁও জিলা ভিত্তিত অনুষ্ঠিত হব "যুৱ পাৰ্লিয়ামেণ্ট" শীৰ্ষক বক্তৃতা অনুষ্ঠান। অভয়াপুৰী মহাবিদ্যালয়ত আজি অনুষ্ঠিত হোৱা এখন সংবাদ মেলত এই তথ্য সদৰি কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যাক্ষ প্ৰাণজিৎ কলিতাই। সংবাদ মেলত অধ্যক্ষ কলিতাই আৰু কয় যে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু খেল মন্ত্ৰালয়ৰ অধীনত অনুষ্ঠিত হবলগীয়া উক্ত বক্তৃতা অনুষ্ঠানত জিলা খনৰ বিভিন্ন শিক্ষা অনুষ্ঠানৰ পৰা ১৮ বছৰৰ পৰা ২৫ বছৰৰ বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। বক্তৃতা অনুষ্ঠানখনত অংশগ্ৰহণ কৰিবলৈ জিলাখনৰ বিভিন্ন শিক্ষা অনুষ্ঠানৰ পৰা ইতিমধ্যে ১৩৫ জন ছাত্ৰ-ছাত্ৰীয়ে নাম পঞ্জীয়ন কৰিছে। এই যুৱ পাৰ্লিয়ামেণ্টৰ বিষয় বস্তু হ'ল- "50 Years of Emergency: Lessons for Indian Democracy". ভাৰতত জৰুৰী কালিন অৱস্থা হৈছিল ১৯৭৫ চনৰ পৰা ১৯৭৭ চনলৈ। উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰা যুৱ ছাত্ৰ-ছাত্ৰীয়ে নিজকে একো একোজন বিধানসভা বা লোক সভাৰ মজিয়াত কথা কোৱাৰ দৰে দক্ষতাৰে বক্তৃতা প্ৰদান কৰিব। এই সকল প্ৰতিযোগীৰ মাজৰ পৰা পাঁচজন শ্ৰেষ্ঠ প্ৰতিযোগীক ৰাজ্যৰ সংসদলৈ নিৰ্বাচিত কৰা হ'ব। পিছৰ পৰ্যায়ত ৰাজ্য সংসদৰ পৰা ৰাষ্ট্ৰীয় সংসদলৈ বাছনি কৰা হ'ব। যুৱ ছাত্ৰ-ছাত্ৰী সকলোৰ সামাজিক সাংস্কৃতিক শক্তিশালী গণতন্ত্ৰৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ বাবে অভয়াপুৰী মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী লোৱা হৈছে বুলি ভাৰপ্ৰাপ্ত অধ্যক্ষজনে সংবাদমেল যোগে জানিবলৈ দিছে।

# জাঁজী নদীৰ ওপৰত বাঁহৰ সাকোৰে জীৱন মৰণ যাতায়ত

**দুখন জিলা সংলগ্ন**



**অসম বাৰ্তা, জাঁজী, ২৪ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ শিমলুগুৰিত জাঁজী নদীৰ ওপৰত জৰাজীৰ্ণ এডাল বাঁহৰ সাঁকোয়েই ইপাৰ-সিপাৰ হ'ব লগা হৈছে গএঞা ৰাইজ। উল্লেখ্য যে যোৰহাট জিলাৰ শিমলুগুৰি গাঁৱত অৱস্থিত এই বাঁহৰ সাঁকো দালেই যোৰহাট আৰু শিৱসাগৰ জিলা সংলগ্ন কৰিছে। আনহাতে খৰালি হোৱাৰ লগে-লগে স্থানীয় সচেতন যুৱকৰ সহযোগত উক্ত স্থানত আগতে প্ৰত্যেক বছৰেই এখন বাঁহৰ দলং নিৰ্মাণ কৰা হৈছিল। কিন্তু বৰ্তমান কিছুমান অসুবিধাৰ বাবে এডাল বাঁহৰ সাঁকো নিৰ্মাণ কৰি পাৰাপাৰ হয় গএঞা ৰাইজ। আনহাতে যোৰহাট জিলাৰ শিমলুগুৰি, ধেমাজি গাঁৱৰ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও শিৱসাগৰ জিলাৰ জামুগুৰি, মূৰকটা, মৰাণচিগাৰ আদিৰ অঞ্চলৰ ৰাইজ ইপাৰ-সিপাৰ হয়। ইতিমধ্যে উক্ত স্থানত সৰুকৈ এখন ফুট ব্ৰীজ নিৰ্মাণ কৰিবৰ কাৰণে আগতে সমষ্টিৰ বিধায়কক অৱগত কৰা হৈছিল যদিও সেইয়া ফুটুকাৰ ফেন হৈ পৰিল। ইয়াৰোপৰি সংবাদ মাধ্যমতো বাতৰি প্ৰকাশ কৰা হৈছিল। জাঁজী নদীৰ বাৰিষাৰ প্ৰথমটো বানে এই বাঁহৰ সাঁকোডাল উটুৱাই নিলে দুইখন জিলাৰ গএঞা ৰাইজৰ বহুতো অসুবিধাৰ সন্মুখীন হয়।

# 'সদৌ অসম বিহু সংস্কৃতি চৰ্চা মঞ্চ'ৰ শিৱসাগৰ জিলা সমিতি গঠন

**অসম বাৰ্তা, আমগুৰি, ২৪ ফেব্ৰুৱাৰী ঃ** যোৱা ২২ ফেব্ৰুৱাৰীত শিৱসাগৰ নগৰস্থিত কৰ্মযোগী ভুবন চন্দ্ৰ গগৈ সোঁৱৰণী অসম পলিটেকনিক ইন্সটিটিউটত এখনি ৰাজহুৱা সভা সম্পন্ন হয়। 'সদৌ অসম বিহু সংস্কৃতি চৰ্চা মঞ্চ'ৰ সভাপতি তৰুণ চন্দ্ৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ অন্যতম উপ-সভাপতি নৱদীপ হাজৰিকাই। সভাত উদ্দেশ্য ব্যাখ্যাৰ প্ৰসংগত মঞ্চৰ বিভিন্ন দিশ আলোকপাত কৰি কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি হেমন্ত চাংমাই, উপদেষ্টা তথা বিদ্যালয় প্ৰধান ৰাজেন মিলি, অন্যতম উপ-সভাপতি গোবিন গগৈ, সম্পাদক বিজয় গগৈ, বৰবিহুৱা সুৰজিৎ বৰুৱা, বৰ্ষীয়ান শিক্ষা-সাহিত্য-সাংস্কৃতিক কৰ্মী কাশীনাথ পাত্ৰ, বিশিষ্ট অভিনেত্ৰী নিভা শইকীয়া, সাংস্কৃতিক কৰ্মী শিখাপ্ৰিয়া গগৈ আৰু বুলুআৰা বেগমৰ উপৰি আন কেইবাগৰাকীও বক্তাই গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। কেন্দ্ৰীয় সমিতিৰ আন আন গুৰুত্বপূৰ্ণ বিভাগৰ বিষয়ববীয়া ক্ৰমে ৰূপেশ্বৰ চেতিয়া, বিকাশ গগৈ, চন্দীকা গগৈ আৰু ৰিংকুমণি হাজৰিকাই বিশেষভাবে অংশগ্ৰহণ কৰা সভাখনিত শিৱসাগৰ জিলাৰ ভিন্ন প্ৰান্তৰ অৰ্ধশতাধিক বিহুৱা, বৰবিহুৱা, বিহুৱতী, বৰ বিহুৱতীৰ লগতে সাংস্কৃতিক কৰ্মী উপস্থিত থাকি সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত ৰাজেন মিলিৰ ঐনিতমৰ সুৰে সকলোকে আমোদ দিয়ে। সভাতেই ক্ষিৰোদজ্যোতি গগৈক সভাপতি, নিৰ্মল বৰুৱা আৰু নয়নজ্যোতি গগৈক যুটীয়া সম্পাদক হিচাপে লৈ 'সদৌ অসম বিহু সংস্কৃতি চৰ্চা মঞ্চ'ৰ ২৯ জনীয়া বলিষ্ঠ শিৱসাগৰ জিলা সমিতিখন গঠন কৰা হয়। বিয়লি 'অসম সংগীত' পৰিৱেশনেৰে সভাখনি সফল সামৰণি মৰা হয়।

# সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ আমৰাঙ্গা বৰিহাট সমিতি গঠন

**অসম বাৰ্তা, মিৰ্জা, ২৪ ফেব্ৰুৱাৰী ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতি অসমৰ এক বেচৰকাৰী সংগঠন যিয়ে সাহিত্যৰ জৰিয়তে অসমৰ নাৰী সমাজৰ বিকাশৰ হকে কাম কৰি আহিছে। ১৯৭৪ চনত স্থাপিত হোৱা এই সমিতিয়ে অসমীয়া ভাষা সাহিত্যৰ হকে সময়ে সময়ে বিভিন্ন কাম কৰি আহিছে। গুৱাহাটী মহানগৰ জিলা সমিতিৰ পৰামৰ্শৰ ভিত্তিত বিশিষ্ট লেখিকা বিজু গোস্বামীৰ পৌৰোহিত্যত ক'ৰলা জাতীয় বিদ্যালয়, বৰিহাটত অনুষ্ঠিত হোৱা সভাত অলপতে আমৰাঙ্গা বৰিহাট শাখাটো গঠন কৰা হয়। মামণি কলিতাক সভানেত্ৰী আৰু সাৱিত্ৰী মহন্তক সম্পাদিকা, বিজু গোস্বামীক কোষাধ্যক্ষ, আলোচনা চক্ৰ আহ্বায়ক হিচাপে ননীবালা দাস, সাংস্কৃতিক সম্পাদিকা হিচাপে প্ৰণিতা মালাকাৰ দাস আৰু প্ৰাচীৰ পত্ৰিকা সম্পাদকত্ৰয় হিচাপে মঞ্জু দাস, কুসুম কলিতা, মিণ্টু দাসক লৈ সমিতিখন গঠন কৰা হয়। সমিতি গঠনৰ অন্তত দায়িত্ব গ্ৰহণ কৰি কৃতী শিক্ষক বঁটাপ্ৰাপ্ত কাব্যনন্দিনী মামনি কলিতাই কয় যে 'মাতৃদেৱো ভৱ' সামাজিক সংস্কাৰেৰে সৃজিত ভাৰতবৰ্ষত বৈদিক যুগৰে পৰা মহিলাৰ লেখত ল'বলগীয়া সামাজিক মৰ্য্যাদা আছিল। সাহিত্যই হওওক বা সংস্কৃতিয়ে হওক সকলোতে নাৰীয়ে স্থান লাভ কৰি আহিছে। পূৰ্বৰ পৰাই পুৰুষ আৰু মহিলাৰ সম অধিকাৰৰ কথা ধৰ্মশাস্ত্ৰ, ইতিহাসৰ কিতাপবোৰত পোৱা যায়। সেয়ে আমি নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ বা স্বতন্ত্ৰভাবে কাম কৰিবলৈ লেখিকা সমাৰোহ সমিতিৰ দৰে অনুষ্ঠানৰ সৈতে জড়িত হ'বলৈ পাই কৃতাৰ্থ হৈছো। অনাগত সময়ত কেৱল সাহিত্য জগততে নহয় সমাজত নাৰীক সকলো সময়তে আগস্থান দিবলৈ আহ্বান জনালোঁ। উল্লেখ্য যে ডেৰকুৰি মহিলা উপস্থিত থকা এই সভাত সমিতিৰ নীতি-নিয়ম অনুসৰি আগবঢ়োৱা আৰু অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ চৰ্চা আৰু এই ক্ষেত্ৰত নাৰীৰ ভূমিকা সবল কৰাই বিশেষ লক্ষ্য হিচাপে লৈছে বুলি জনাইছে বিষয়ববীয়াসকলে।

# মাকুম বেতজান চাহ বাগিছাৰ এটা অংগনবাড়ী কেন্দ্ৰৰ দুৰৱস্থা

**অসম বাৰ্তা মাকুম, ২৪ ফেব্ৰুৱাৰী ঃ** যিটো সময়ত ভাৰত চৰকাৰৰ সংহত শিশু বিকাশ সেৱা (ICDS) আঁচনিৰ অধীনত শিশুৰ সৰ্বাংগীণ বিকাশ, পুষ্টি, আৰু প্ৰাক-বিদ্যালয় শিক্ষাৰ বাবে উন্নত আন্তঃগাঁথনিৰে সজ্জিত আৰ্দশ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কাৰ্যসম্পূৰ্ণ হৈছে বা নিৰ্মাণ কাৰ্য চলি আছে। সেইটো সময়তে মাকুম হাপজান গাঁও পঞ্চায়তৰ অন্তৰ্গত বেতজান চাহ বাগিছাৰ ওড়িয়া লাইনত অৱস্থিত অংগনবাড়ী কেন্দ্ৰটো জৰাজীৰ্ণ অৱস্থাত আছে। কংগ্ৰেছ চৰকাৰৰ দিনতে স্থাপন হোৱা কেন্দ্ৰটোৰ কোনো ধৰণৰ মেৰামতিৰ ব্যৱস্থা নকৰাত জহি খহি গৈছে অংগনবাড়ী কেন্দ্ৰটোৰ বাহিৰ আৰু ভিতৰচোৰাৰ মজিয়া, যাৰ ফলত ডাঙৰ ডাঙৰ নিগনিয়ে গাঁত লোৱাত টেবুল চকী থবলৈ ঠাই নোহোৱা হৈ পৰিছে। তদুপৰি কেন্দ্ৰটোৰ টিং সমূহো ফুটি যোৱাত এজাক বৰষুণ দিলেই পানী পৰি শিশুসকলক পাঠদান কৰাত অসুবিধা সৃষ্টি হোৱাৰ লগতে শিশুসকলক চৰকাৰে যোগান ধৰা সামগ্ৰীসমূহ পানী পৰি নষ্ট হৈ পৰে। কেন্দ্ৰটোৰ শোচনীয় অৱস্থাৰ বাবে মেৰামতি কৰিবলৈ অংগনবাড়ী কৰ্মী গৰাকীয়ে গাঁও পঞ্চায়তৰ কেইবাগৰাকীকৈজন প্ৰতিনিধি সকলক লিখিত আকাৰে আবেদন কৰাত আৰ্দশ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব বুলি আশ্বাস দিছিল যদিও আজিকোপতি কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি সংবাদ মাধ্যমৰ জৰিয়তে অভিযোগ উত্থাপন কৰে। এই অভিযোগৰ সন্দৰ্ভত স্থানীয় হাপজান গাঁও পঞ্চায়তৰ অন্তৰ্গত ২ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্য পূৰ্ণিমা তাঁতী জেনাক প্ৰশ্ন উত্থাপন কৰাত উক্ত কেন্দ্ৰটোৰ বাবে আৰ্দশ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ অনুমোদন হৈছিল যদিও ৱাৰ্ডটো ষড়যন্ত্ৰ হোৱা বুলি মন্তব্য কৰে। উক্ত অংগনবাড়ী কেন্দ্ৰটো লগতে কণ কণ শিশুসকলৰ ভৱিষ্যতলৈ চাই অসম চৰকাৰে অনতিপলমে কেন্দ্ৰটো উন্নত কৰি দিবলৈ অংগনবাড়ী কৰ্মী গৰাকীৰ লগতে স্থানীয় ৰাইজে সংবাদ মাধ্যমৰ যোগেদি আহ্বান জনাইছে।

# নাজিৰাত ড্ৰাগছ বিৰুদ্ধে সৰৱ অসমীয়া যুৱ মঞ্চ: মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, নামতি, ২৪ ফেব্ৰুৱাৰী ঃ**অসম আৰক্ষীয়ে নৱ প্ৰজন্মক ড্ৰাগছৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ কাৰণে বিভিন্ন ধৰণৰ সজাগতা সভাৰ লগতে আৰক্ষীয়ে অভিযান চলাই আহিছে যদিও আজি পৰ্যন্ত সমাজখনক ড্ৰাগছমুক্ত কৰিব পৰা নাই। নাজিৰা সমজিলাত দিনক দিনে বৃদ্ধি পায় আহিছে ড্ৰাগছ সেৱনকাৰী যুৱক যুৱতীৰ সংখ্যা যাৰ ফলত চুৰি, ডকাইতি আদি লিপ্ত হৈ পৰিছে এচাম যুৱ প্ৰজন্ম। উল্লেখযোগ্য যে নাজিৰা সমজিলাতো বিভিন্ন সময়ত আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে যদিও বৰ্তমানেও এচাম অসাধু চক্ৰই বিভিন্ন ঠাইত ড্ৰাগছ সৰবৰাহ কৰি নৱ প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া পৰিলক্ষিত হৈছে। শেহতীয়াকৈ ড্ৰাগছৰ অবাধ বেহাৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে "অসমীয়া যুৱ মঞ্চ"ৰ নাজিৰা আঞ্চলিক সমিতি। আজি অসমীয়া যুৱ মঞ্চ, নাজিৰা আঞ্চলিক সমিতিয়ে নাজিৰা অঞ্চলতো ড্ৰাগছমুক্ত কৰাৰ স্বাৰ্থত অতি শীঘ্ৰে আৰক্ষীক অভিযান তীব্ৰতৰ কৰি অবৈধ ড্ৰাগছৰ লগত জড়িত অসাধু ব্যৱসায়ী সকলক পুলি পুখাৰে উৎসাত কৰি আইনগত ভাৱে কঠোৰ শাস্তি মূলক ব্যৱস্থা গ্ৰহণৰ দাবী জনাই সংগঠনটোৰ নাজিৰা আঞ্চলিক সমিতিৰ সভাপতি চাজাদ হুছেইন আৰু সম্পাদক বিপ্লৱ চেতিয়াৰ স্বাক্ষৰত নাজিৰা সমজিলা আয়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰদান কৰে।

# বৰক্ষেত্ৰীত বিধায়কে কৰিব নোৱাৰা কাম কৰিলে নাৰায়ণ ডেকাই

**অসম বাৰ্তা, চামতা, ২৪ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী বিধান সভা সমষ্টিত পাঁচখনকৈ পঞ্চায়তৰ বাবে স্থানীয়ভাৱে মুকলি কৰিলে উন্নয়ন খণ্ডৰ শাখা কাৰ্যালয়। শাখাটো মুকলি কৰি কয় যে কংগ্ৰেছত নেথাকে কোনো স্বাভিমানী অসমীয়া কংগ্ৰেছত এতিয়া সেই পৰিৱেশ নাই। এই মন্তব্য জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ। বৰক্ষেত্ৰীৰ প্ৰাক্তন বিজেপি বিধায়কগৰাকীয়ে সম্প্ৰতি সমষ্টিটোত মাৰাথান কাৰ্যসূচী অব্যহত ৰাখিছে। বিভিন্ন উন্নয়নমূলক কাম কাজৰ লগতে বিভিন্ন প্ৰান্তত যোগদান কাৰ্যসূচীও অব্যহত ৰাখিছে। সোমবাৰে সমষ্টিটোৰ ৬০ ক্ষেত্ৰী ধৰ্মপুৰ গাঁও পঞ্চায়ত কাৰ্যালয়টো মুকলি কৰাৰ লগতে একেটি চৌহদত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ এটি শাখা কাৰ্যালয় মুকলি কৰে নাৰায়ণ ডেকাই। য'ত প্ৰতি সপ্তাহৰ দুদিনকৈ ইয়াৰ পাৰ্শ্বৱৰ্তী বৰী-ঠুটিকাটা, শোলমাৰা, পিপলবাৰী, কৈহাটী, আমৃখোৱা আদি পাঁচখনকৈ পঞ্চায়তৰ কাম কাজ কৰা হব। মুকালমুৱাস্থিত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ কাৰ্যালয়লৈ প্ৰায় ২০ কিলোমিটাৰ দুৰত্ব অতিক্ৰম কৰি এই পাঁচখনখন পঞ্চায়তৰ ৰাইজ যাব লগীয়া হোৱা বাবে ৰাইজৰ সুবিধা হোৱাকৈ বিধায়ক নাৰায়ণ ডেকাৰ তৎপৰতাত আজি বৰী-টাপা ঠুটিকাটাত উক্ত কাৰ্যালয়টো আনুষ্ঠানিকভাৱে মুকলি কৰে। নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ উপস্থিতিত কাৰ্যালয় মুকলি অনুষ্ঠানত জিলা পৰিষদৰ CEO প্ৰণৱ দত্ত গোস্বামী, জিলা পৰিষদৰ সদস্যা চিমি বৰ্মণ, পঞ্চায়ত সভানেত্ৰী অৰ্পনা দাস, বিজেপি নেতা মিন্তু দত্ত, বুদ্ধদেৱ দাস, ৰাজু ভূএঞাৰ লগতে ১৫খন পঞ্চায়তৰ সভাপতি, আঞ্চলিক সদস্যৰ লগতে বিজেপি কাৰ্যকৰ্তা আৰু স্থানীয় ৰাইজ আদি উপস্থিত থাকে। ইপিনে পুৱাৰ ভাগত প্ৰাক্তন বিধায়কগৰাকীয়ে দাহুদী, হেলচা, বৰী-থুটিকাটাত আন কেবাটাও উন্নয়ন মুলক কামৰ আধাৰশিলা স্থাপন কৰে।

### ৩৫ বিঘা মাটিক সামৰি লৈ ভাৰতীয় তেল নিগমৰ ব্যাপক তৎপৰতা

# ধমধমাৰ শান্তিপুৰত খাৰুৱা তেলৰ সন্ধান

**অসম বাৰ্তা, বাগানপাৰা, ২৪ ফেব্ৰুৱাৰী ঃ** ধমধমাৰ নিকটৱৰ্তী তথা বাক্সা জিলাৰ অন্তৰ্গত শান্তিপুৰ গাঁৱত ওলাইছে খাৰুৱা তেলৰ সন্ধান। ভাৰতীয় তেল নিগমে দহ বছৰ পূৰ্বে চলোৱা জৰীপৰ অন্তত ইয়াৰ খাৰুৱা তেলৰ সন্ধান লাভ কৰে। এই জৰীৰ তথ্য অনুসৰি বিগত দুবছৰ ধৰি ভাৰতীয় তেল নিগমে বিভিন্ন পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰে। এই পৰীক্ষা-নিৰীক্ষাৰ পিচত শান্তিপুৰৰ পথাৰত খাৰুৱা তেলৰ সন্ধান লাভ কৰিবলৈ সক্ষম হোৱাত ভাৰতীয় তেল নিগমে ইয়াত তেল খাদ নিৰ্মাণ কৰিবলৈ তৎপৰতা আৰম্ভ কৰে। শান্তিপুৰ গাঁৱৰ প্ৰায় ৩৫ বিঘা মাটিক সামৰি লৈ ইয়াত যুদ্ধকালীন তৎপৰতাৰে তৈলখাদ নিৰ্মাণৰ ব্যৱস্থা কৰিছে। ইতিমধ্যে ভাৰতীয় তেল নিগমে বিভিন্ন ধৰণৰ যন্ত্ৰপাতি আনি তৈলখাদ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। যদিহে জৰীপত পোৱা তথ্য অনুসৰি এই অঞ্চলত ভাৰতীয় তেল নিগমে খাৰুৱা তেল লাভ কৰিবলৈ সক্ষম হয় তেন্তে নামনি অসমৰ খাৰুৱা তেল লাভ কৰা বিশেষ স্থান হিচাপে বিবেচিত হ'ব ধমধমাৰ শান্তিপুৰ গাঁওখন। ভাৰতীয় তেল নিগমৰ এটা বিশেষজ্ঞ দলে যথেষ্ট তৎপৰতাৰে কাম অব্যাহত ৰাখিছে যদিও ইয়াৰ আন্তঃগাঁথনি সম্পূৰ্ণ হোৱাৰ পিচত ভাৰতীয় তেল নিগমৰ ভালেসংখ্যক বিশেষজ্ঞ উপস্থিত হ'ব। জৰীপ আৰু বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তে খাৰুৱা তেলৰ সন্ধান পোৱা শান্তিপুৰত খাৰুৱা তেল লাভ কৰিব বুলি ভাৰতীয় তেল নিগম আশাবাদী যদিও তৈলখাদ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিচতহে খাৰুৱা তেল সম্পৰ্কে নিশ্চিত তথ্য লাভ কৰিব ভাৰতীয় তেল নিগমে। অঞ্চলটোত খাৰুৱা তেলৰ সন্ধান লাভ কৰাত শান্তিপুৰৰ লগতে ধমধমা - বাক্সা অঞ্চলত উৎফুল্ল হৈ পৰিছে।

# বিজেপি চৰকাৰৰ উন্নয়নে ঢুকি পোৱা নাই যোৰহাটৰ বহু গ্ৰাম্য পথ

**৩০ নং উত্তৰ চাৰিগাঁও পঞ্চায়ত এলেকাৰ বহুকেইটা পথেই বিধস্ত**

**অসম বাৰ্তা, নিমাতীঘাট, ২৪ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰ আৰু ৰাজ্যত ডাবল ইঞ্জিনৰ চৰকাৰ চলি থকাৰ সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে সৰ্বত্ৰে উন্নয়ন হৈছে বুলি দম্ভালি মাৰি থকাৰ সময়ত যোৰহাট জিলাৰ চাৰিগাঁও মৌজাৰ অন্তৰ্গত ৩০নং উত্তৰ-পশ্চিম চাৰিগাঁও গাঁও পঞ্চায়ত এলেকাৰ বহু কেইটা পথে উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। ৰংদৈ দ-গাঁও বৰনামঘৰ পথ, ৰংদৈ বামুণ গাঁৱৰ গুৱাল চুক আৰু গদুৱা চুক পথ, ডাহিখুৰ, ডোলাকাষৰীয়াৰ ঘন জনবসতি পূৰ্ণ কেই বাটাও উপপথ যাতায়তৰ বাবে অনুপযুক্ত হৈ পৰিছে। উল্লেখ্য যে ৰংদৈ বামুণ গাঁৱৰ দুৱৰী বৰুৱা পথৰ পৰা যুৰীয়া নামঘৰ পথলৈ প্ৰায় ৮০০ মিটাৰ পথটো দুয়োমূৰে ২০০ মিটাৰকৈ পেভাৰ ব্লকৰ দ্বাৰা পকীকৰণ কৰিলে যদিও মাজৰ প্ৰায় ৪০০ মিটাৰ অংশ কেঁচা হৈ থকাৰ লগতে যাতায়তৰ বাবে সম্পূৰ্ণ অনুপযোগী হৈ পৰিছে। ভুক্তভোগী ৰাইজৰ পৰা জানিব পৰা মতে এই সমস্যা সন্দৰ্ভত বহুবাৰ স্থানীয় পঞ্চায়ত প্ৰতিনিধিৰ লগত যোগাযোগ কৰিছে যদিও আশানুৰূপ সঁহাৰি লাভ কৰা নায়।

# কল্যাণী শিশু কল্যাণ কেন্দ্ৰত স্থাপন হ'ব প্ৰতিষ্ঠাতা বুধিন শইকীয়াৰ প্ৰতিমূৰ্তি

**অসম বাৰ্তা, নিমাতীঘাট, ২৪ ফেব্ৰুৱাৰী ঃ** কল্যাণী শিশু কল্যাণ কেন্দ্ৰৰ সবলীকৰণ আৰু ভৱিষ্যত কাৰ্যপন্থা সম্পৰ্কে আলোচনাৰ্থে ২২ ফেব্ৰুৱাৰীত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উত্তৰ যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি বৈকুণ্ঠ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে কল্যাণী শিশু কল্যাণ কেন্দ্ৰৰ প্ৰতিষ্ঠাপক তথা বিশিষ্ট সমাজকৰ্মী বুধিন শইকীয়াৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰে সাংস্কৃতিককৰ্মী মৃদুল ভূএঞাই। ধ্ৰুৱ দত্তই আঁত ধৰা অনুষ্ঠানত কল্যাণী শিশু কল্যাণ কেন্দ্ৰৰ সভাপতি নিযুত কুমাৰ দত্ত, ভাওনা মহীয়ান ত্ৰিলোক বৰা, সংগীত পৰিচালক তথা শিল্পী পেঞ্চনাৰ জয়ন্ত নাথ, মৃদুল ভূএঞাই বক্তব্য প্ৰদান কৰে। ৰাজেশ কুমাৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত মৌচুমী বৰা, বাসৰী কলিতা, ইলা দত্ত, ৰূপা দত্ত, কিচুত দত্ত, প্ৰদীপ ভূএঞা, তৰুণ দত্ত, ৰাজেন দত্ত প্ৰমুখ্যে বিভিন্নজনে অনুষ্ঠানটো সক্ৰিয়কৰণৰ বাবে দিহা-পৰামৰ্শ আগ বঢ়ায়। সভাই মাৰ্চ মাহৰ শেষত সংগীত বিদ্যালয়খন পুনৰ আৰম্ভ কৰা, শিশু কল্যাণ কেন্দ্ৰ আৰু সংগীত বিদ্যালয়ৰ সমিতি সম্প্ৰসাৰণ কৰা, কল্যাণী শিশু ওমলা ঘৰ পুনৰ আৰম্ভ কৰা, প্ৰতিষ্ঠাতা বুধিন শইকীয়াৰ প্ৰতিমূৰ্তি নিৰ্মাণ সমিতি গঠন, অসম্পূৰ্ণ হৈ থকা সাংস্কৃতিক প্ৰকল্প সম্পূৰ্ণকৰণৰ বাবে নিৰ্মাণ সমিতি গঠন, ছুইমিং পুলৰ বাবে সংৰক্ষিত পুখুৰীটো সংবৰ্ধন-সংৰক্ষণ কৰাৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত শলাগ জনাই দীপামণি বৰাই।

# অসমৰ ৰাজনীতিত তৃতীয় মৰ্চা গঠনৰ তৎপৰতা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৪ ফেব্ৰুৱাৰী ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী প্ৰচাৰ আৰু তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। অসমৰ ৰাজনীতিত শক্তিশালী ৰূপত আত্মপ্ৰকাশ হোৱা ৰাজনৈতিক দলসমূহৰ উপৰিও আন কিছুমান সৰু-সুৰা ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহেও নিৰ্বাচনৰ সময়ত বিশেষভাৱে প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। সেই হিচাপে কিছুমান সৰু-সুৰা ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহ একত্ৰিত কৰি তৃতীয় মৰ্চা গঠনৰ প্ৰস্তুতি চলায় থকাৰ কথা এক সাক্ষাৎকাৰত ব্যক্ত কৰিছে সৰ্ব ভাৰতীয় হিন্দুস্তান কংগ্ৰেছ দলৰ অসম ৰাজ্যিক সভাপতি খন্দকাৰ আব্দুল কদ্দুছ দেৱে। তেখেতে জানিবলৈ দিয়া মতে আগন্তুক এক সপ্তাহৰ ভিতৰত ৪/৫খন ৰাজনৈতিক দল একত্ৰিত হৈ চুৰান্ত সিদ্ধান্তত উপনীত হোৱাৰ পিছত কমেও ৭০/৮০খন আসনত আগন্তুক বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা উল্লেখ কৰিছে। তেখেতে সুস্থ-সবল গণতন্ত্ৰ ৰক্ষা কৰাৰ স্বাৰ্থত আৰু স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে উচ্চ শিক্ষিত লোক, বুদ্ধিজীৱী আৰু যুৱ সমাজক সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণৰ পোষকতা কৰাৰ লগতে তৃতীয় মৰ্চাক সহযোগিতা কৰাৰ আহ্বান জনায়। এতিয়া কথা হ'ল আগন্তুক বিধানসভা নিৰ্বাচনত কোন দলে কেনেকুৱা প্ৰভাৱ পেলাব সেয়া সময়ত লক্ষণীয় হ'ব।

## আনুষ্ঠানিক আলোচনা

যথেষ্ট চমু হৈ আহিছে যদিও শাসক দল বিজেপি আৰু মিত্ৰদল অসম গণ পৰিষদ (অগপ)ৰ মাজত আসন বুজাবুজি এতিয়াও চূড়ান্ত ৰূপ লোৱা নাই। ফলত অগপই কোনকেইটা সমষ্টিত নিৰ্বাচনত অৱতীৰ্ণ হ'ব সেই বিষয়ে এতিয়াও স্পষ্টকৈ ক'ব পৰা হোৱা নাই। অগপৰ সভাপতি তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী অতুল বৰাই এই কথা স্বীকাৰ কৰিছে। মঙলবাৰে গুৱাহাটীৰ আমবাৰীস্থিত অগপৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত অতুল বৰাই সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে দলৰ ছৰ্ভে এতিয়াও চলি আছে। জয়ৰ সম্ভাৱনা থকা সমষ্টিবোৰক অগ্ৰাধিকাৰ দি বিবেচনা কৰা হ'ব। বিজেপিৰ সৈতে অনানুষ্ঠানিক আলোচনা হৈছে যদিও আনুষ্ঠানিক আলোচনা এতিয়ালৈকে সম্পন্ন হোৱা নাই। আনুষ্ঠানিক আলোচনা সম্পূৰ্ণ হ'লে সকলোৱে জানিব পাৰিব। তেতিয়ালৈকে সমষ্টিৰ সংখ্যাৰ বিষয়ে কোনো নিৰ্দিষ্ট তথ্য দিয়া সম্ভৱ নহয়। আলোচনাৰ অন্তত যৌথ সংবাদমেল অনুষ্ঠিত কৰি সকলো কথা স্পষ্ট কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে নিৰ্বাচনৰ দিন যথেষ্ট ওচৰ চাপি আহিছে। পূৰ্বতে ভবা হৈছিল যে নিৰ্বাচনৰ তাৰিখ সোনকালে ঘোষণা হ'ব, কিন্তু নিৰ্বাচন আয়োগৰ আগমনৰ পিছত এতিয়া ধাৰণা হৈছে যে মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহৰ শেষৰ ফালে বা তাৰ ওচৰত ঘোষণা হ'ব পাৰে। ঘোষণাৰ পিছতো কমেও ২৪ দিনৰ সময় পোৱা যাব। মিত্ৰতাৰে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা ইতিমধ্যে স্পষ্ট কৰা হৈছে। আনুষ্ঠানিক আলোচনা নোহোৱা বাবেই সমষ্টিৰ বিষয়ে খাটাংকৈ ক'ব পৰা হোৱা নাই। য'ত দলৰ সাংগঠনিক ভেটি শক্তিশালী, তাত অগ্ৰাধিকাৰ দি কাম-কাজৰ গতি বৃদ্ধি কৰা হৈছে। তৃতীয়বাৰৰ বাবে এন ডি এ চৰকাৰ গঠন হ'ব বুলি অগপ নিশ্চিত। বিজেপিয়ে ৮০খন সমষ্টিত প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰাৰ বিষয়ত অতুল বৰাই কয় যে ২০১৬ চনত অলপ বন্ধুত্বমূলকভাৱে ৩১খন সমষ্টিত অগপই নিৰ্বাচন খেলিছিল। ২০২১ চনত ২৯খন সমষ্টিত অৱতীৰ্ণ হৈছিল। গতিকে ৮০খনৰ লগত যোগ কৰিলে সিমানেই হয়। যদি অধিক হয় তেন্তে ভালেই। আসন বুজাবুজিৰ সন্দৰ্ভত মিত্ৰদলৰ মাজত হোৱা বাদানুবাদৰ বিষয়ে তেওঁ কয় যে নিৰ্বাচনৰ সময়ত এনে কথা স্বাভাৱিক। আগতেও হৈ আহিছে আৰু আলোচনাৰ জৰিয়তে সকলো ঠিক হৈ যায়। অগপ বিজেপিৰ পুৰণি মিত্ৰ। দুয়োটা দলৰে আলোচনাৰ অভিজ্ঞতা আছে। কেইদিনমানৰ ভিতৰতে সকলো স্বাভাৱিক হৈ পৰিব। এই অনুষ্ঠানতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক অৰিন্দম বুঢ়াগোহাঁইৰ নেতৃত্বত শতাধিক উচ্চশিক্ষিত যুৱকে অগপত যোগদান কৰে। অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই নতুন সদস্যসকলক আদৰণি জনাই কয় যে অসমৰ জাতি-মাটি-ভেটিৰ সুৰক্ষা, স্বাভিমান আৰু সামগ্ৰিক উন্নয়নৰ লক্ষ্যত অগপ সদায় প্ৰতিশ্ৰুতিবদ্ধ। নতুন প্ৰজন্মৰ অংশগ্ৰহণে দলক অধিক শক্তিশালী কৰিব। ৰাইজৰ সমৰ্থন, কৰ্মীৰ ঐক্য আৰু সংগঠনৰ শক্তিৰে অগপই অসমৰ স্বাভিমান আৰু অধিকাৰৰ ৰাজনীতিক আগুৱাই নিব। কেশৱ মহন্তই যোগ কৰে যে উচ্চশিক্ষিত যুৱ সমাজৰ অগপৰ প্ৰতি আকৰ্ষণে দলক শক্তিশালী কৰিব। অসমৰ অধিকাৰ, পৰিচয় আৰু স্বাভিমান অক্ষুণ্ণ ৰাখি সমৃদ্ধ অসম গঢ়াৰ লক্ষ্যত সকলোৱে একেলগে আগবাঢ়িব লাগিব। এইদৰে অগপই নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে যদিও মিত্ৰজোঁটৰ আসন বুজাবুজিৰ চূড়ান্ত ৰূপ এতিয়াও অপেক্ষমাণ।

## অসমৰ ৯০-৯৫টা সমষ্টিত

জনসভাত চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীজনে মহিলা সৱলীকৰণৰ ক্ষেত্ৰত ৰাজ্যখন আৰু এখোজ আগবাঢ়ি গ'ল বুলি মন্তব্য কৰে। পুৱা প্ৰায় ৬ বজাৰ পৰাই বৈছাহাবি খেলপথাৰলৈ সমাগম সমষ্টিটোৰ লাখপতি বাইদেউ সকল। হিতাধিকাৰীসকলে পৰিধান কৰা গোলাপী ৰঙৰ কাপোৰে গুলপীয়া হৈ পৰে বিশাল জনসভা খন। ২০২৫ বৰ্ষৰ ১ এপ্ৰিলৰ পৰা আৰম্ভ কৰা এই আচনিৰ চেক বিতৰণ কাম ফেব্ৰুৱাৰী মাহত শেষ হ'ব। প্ৰতিগৰাকী মহিলাক লাখপতি বাইদেউ হ'ব পৰাকৈ চৰকাৰে আগবঢ়াই নিব বুলি ভাষণ প্ৰসংগত কয় মুখ্যমন্ত্ৰী জনে। তেওঁ লগতে কয় যে বিগত ২৫ বছৰ ধৰি তেওঁ বিধায়ক হ'ল যদিও চেক বিতৰণৰ সভালৈ মহিলাৰ আগমন পূৰ্বে দেখা নাই। ইয়াৰ পৰা মহিলা সকলৰ উৎসাহ দেখা পোৱা যায়। ১০ হাজাৰ টকা বহু বেছি নহয় যদিও এখন চৰকাৰে মহিলা সকললৈ আগবঢ়োৱা এক সন্মান। এই আচনিৰ দ্বাৰা এটা পৰিবেশ সৃষ্টি হৈছে উদ্যমী মহিলাৰ। চেক পোৱা প্ৰতিগৰাকী মহিলাক লাখপতি বাইদেউ হিচাপে প্ৰতিষ্ঠা কৰাটোৱেই চৰকাৰৰ উদ্দেশ্য বুলি নিজৰ ভাষণত উল্লেখ কৰে মুখ্যমন্ত্ৰী জনে। ইতিমধ্যে সমষ্টিতোট প্ৰায় ৩ হাজাৰ গৰাকী মহিলা ইতিমধ্যেই লাখপতি হৈছে বুলি কয় ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যৰ ভিতৰত ৩২ লাখ মহিলাৰ বাবে উদ্যমিতা আচনিৰ অধীনত ৩হাজাৰ ২শ কোটি টকা, অৰুনোদয় আচনিৰ ৪০ লাখ মহিলাৰ বাবে ৫ হাজাৰ ৫শ কোটি টকা পুঁজি যোগান ধৰা হৈছে বুলি পৰিসংখ্যা দাঙি ধৰে মুখ্যমন্ত্ৰী জনে। মহিলা সকলৰ বাবে পুনৰ এক ঘোষণা কৰি কয় যে ১০ হাজাৰ টকাৰ সঠিক বিনিয়োগ কৰা মহিলাই পৰৱৰ্তী পৰ্য্যায়ত ২৫ হাজাৰ টকা আৰু তাৰ পিছৰ পৰ্য্যায়ত ৫০ হাজাৰ টকাকৈ লাভ কৰিব। মৰিয়নি বিধান সভা সমষ্টিত নতুনকৈ ২০০০ মহিলাক অৰুনোদয় প্ৰদানৰ কথাও ঘোষণা কৰে মুখ্যমন্ত্ৰী জনে। ইফালে আগন্তুক নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দলক সমালোচনা কৰি মুখ্যমন্ত্ৰীজনে কয় যে কংগ্ৰেছৰ সুদীৰ্ঘ শাসন কালত লুঙী, ধুতি, সূতা কম্বল আঁঠুৱা বিতৰণ কৰি শাসন কৰিলে। কংগ্ৰেছ চৰকাৰে এই আঁচনিক পঞ্চ অমৃত হিচাপে বিবেচনা কৰিছিল। আজি যোৰহাট জিলাৰ মৰিয়নী সমষ্টিৰ বৈছাহাবি বাগিচা খেলপথাৰত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ অনুষ্ঠানত ভাষণ প্ৰদান কৰি এনেদৰে কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আনহাতে পুনৰ যদি বিজেপি শাসনলৈ আহে তেন্তে চেনি দাইল চাউল নিমখ মিঠাতেল সকলো বিনামূলীয়াকৈ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে ড° হিমন্ত বিশ্ব শৰ্মাই। সভাত ৰূপজ্যোতি কুৰ্মীক আগন্তুক বিধানসভা নিৰ্বাচনত ভোট দিবলৈ আহ্বান জনায় একপ্ৰকাৰৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে মৰিয়নি বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কোন হ'ব সেই ক্ষেত্ৰত সমষ্টিবাসীৰ মাজত উৎকণ্ঠাৰ সৃষ্টি হৈ আছিল।

## প্ৰণৱ বড়োৰ মৃত্যু বাৰ্ষিকীত

মাধ্যমত বিস্ফোৰক মন্তব্য আগবঢ়াইছে বিশিষ্ট সংগীত শিল্পী মানস ৰবীনে। ফেচবুকত প্ৰকাশ কৰা পোষ্টৰ জৰিয়তে তেওঁ অখিল গগৈৰ ভূমিকা, দায়িত্ববোধ আৰু সহযোদ্ধাৰ ত্যাগৰ প্ৰতি সন্মানৰ অভাৱক লৈ আওপকীয়াকৈ প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে ২০১১ চনৰ ২৪ ফেব্ৰুৱাৰীত কৃষক মুক্তি সংগ্ৰাম সমিতি (কেএমএছএছ)ৰ নেতৃত্বত ভূমি পট্টাৰ দাবীত অনুষ্ঠিত আন্দোলনত অংশগ্ৰহণ কৰি প্ৰণৱ বড়োৱে গাত জুই লগাই আত্মাহুতি দিছিল। তেওঁৰ সেই চৰম ত্যাগ অসমৰ অধিকাৰ সচেতন লোকসকলৰ মাজত আজিও গভীৰ সন্মানৰ সৈতে স্মৰণ কৰা হয়। এই গুৰুত্বপূৰ্ণ দিনটোতেই অখিল গগৈ গীত আৰু নৃত্যৰ যুগলবন্দী অনুষ্ঠানত ব্যস্ত থকা বুলি উল্লেখ কৰি মানস ৰবীনে নিজৰ ফেচবুক পোষ্টত লিখিছে— "আজি একেদিনাই দুটা অনুষ্ঠান: ১) ভূমি পট্টাৰ আন্দোলন কৰি গাত জুই জ্বলাই ছহিদ বৰণ কৰা অখিল গগৈৰ সহযোগী প্ৰণৱ বড়োৰ মৃত্যু দিৱস। ২) আনটো অখিল গগৈৰ ব্যস্ত গীত আৰু নৃত্যৰ যুগলবন্দী। দুয়োটা অনুষ্ঠান ফেচবুকতে আহি আছে। মাত্ৰ মইহে সিদ্ধান্ত ল'ব পৰা নাই। কোনটো চাওঁ, কোনটো নাচাওঁ।" এই ব্যংগাত্মক আৰু তীক্ষ্ণ মন্তব্যই সামাজিক মাধ্যমত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। বহুতে মানস ৰবীনৰ বক্তব্যক সমৰ্থন জনাই কয় যে ৰাজনৈতিক সংগ্ৰামৰ ইতিহাস আৰু সহযোদ্ধাৰ ত্যাগক সদায় সন্মান জনোৱা উচিত। অখিল গগৈৰ দৰে নেতাই এনে গুৰুত্বপূৰ্ণ দিনত ছহিদৰ স্মৃতিৰ প্ৰতি অধিক সচেতন হোৱা উচিত বুলি মত প্ৰকাশ কৰিছে কেইবাজনে। আনহাতে কিছুমানে এই মন্তব্যক ব্যক্তিগত আক্ৰমণ বুলিও অভিহিত কৰিছে। প্ৰণৱ বড়োৰ আত্মাহুতিয়ে অসমৰ ভূমি অধিকাৰ আন্দোলনত এক নতুন মাত্ৰা যোগ কৰিছিল। তেওঁৰ ত্যাগৰ ফলত কেএমএছএছৰ আন্দোলন অধিক জোৰদাৰ হৈ পৰিছিল যদিও ছহিদৰ স্মৃতিক লৈ এনে বিতৰ্কৰ সৃষ্টি হোৱাটোৱে ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক মহলত নতুন চৰ্চাৰ জন্ম দিছে।

## পৰিয়ালৰ সৈতে আলোচনা

লৈ চৰ্চা আৰু অভিযোগ-প্ৰতিঅভিযোগৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে। তেওঁ স্পষ্ট কৰিছে যে এই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত জুবিন গাৰ্গৰ পৰিয়ালৰ সৈতে বিস্তৃত আলোচনা কৰি লোৱা হ'ব। মঙলবাৰে মৰিয়নীত এখন চৰকাৰী অনুষ্ঠানত অংশগ্ৰহণ কৰি উভতি অহাৰ পিছত সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "ফাষ্টট্ৰেক আদালতৰ বিষয়টো পৰিয়ালৰ সৈতে কথা পাতি সিদ্ধান্ত লোৱা হ'ব। বৰ্তমানৰ ন্যায়াধীশগৰাকীয়ে এজনো অভিযুক্তক জামিন দিয়া নাই। সকলো অভিযুক্তৰ জামিন আবেদন নাকচ কৰিছে। ফাষ্টট্ৰেক আদালতলৈ গোচৰ যোৱাৰ লগে লগে যদি অভিযুক্তসকলে জামিন লাভ কৰে, তেন্তে সেই দোষ যাতে মোৰ ওপৰত নপৰে।" মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে নিয়ম অনুসৰি যেতিয়া কোনো বিচাৰকে ভাল ফলাফল দি থাকে, তেতিয়া সাধাৰণতে তেওঁক সলনি কৰা নহয়। "এতিয়া কিছুমানে দাবী উত্থাপন কৰিছে যে যিজনে ভাল ফলাফল দি আছে, তেওঁক সলনি কৰিব লাগে। কিন্তু বৰ্তমানৰ পৰিস্থিতিত অভিযুক্তসকল এতিয়াও কাৰাগাৰত আছে। লেহেমীয়া হ'লেও তেওঁলোকে জামিন লাভ কৰা নাই। শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ দৰে অভিযুক্তসকলে চাৰি-পাঁচ মাহ ধৰি জেলতে আছে— এয়াও এক সফলতা", তেওঁ কয়। গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া লেহেমীয়া বুলি উত্থাপিত অভিযোগৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে নিৰ্বাচনৰ পিছতে অভিযুক্তসকল মুক্তি পাব বুলি বিৰোধী দলসমূহে কৰা দাবী সম্পূৰ্ণ ৰাজনৈতিক। "বিৰোধীসকলে এই বিষয়টোক ৰাজনীতিৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰিছে। জুবিনৰ প্ৰতি তেওঁলোকৰ কোনো মৰম নাই, কেৱল ৰাজনীতি কৰাই মূল উদ্দেশ্য। যদি নিৰ্বাচনৰ পিছতহে মুক্তি পাব বুলি ভাবে, তেন্তে তেওঁলোকে নিজৰ ভাল উকীল কিয় নিদিয়ে?" — তেওঁ প্ৰশ্ন কৰে। অভিযোগনামা (চাৰ্জশ্বীট) দুৰ্বল বুলি কৰা অভিযোগৰো মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়ে। "চাৰ্জশ্বীট দুৰ্বল নে শক্তিশালী সেয়া আদালতে নিৰ্ণয় কৰিব। যিসকলে জীৱনকালত জুবিন গাৰ্গক সন্মান নকৰিছিল, সেইসকলেই এতিয়া বেছি প্ৰশ্ন উত্থাপন কৰিছে। জুবিনক ভালপোৱাসকলে একো নুসোধে" তেওঁ কয়। বিশেষভাৱে অখিল গগৈক সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জীৱনকালত অখিল গগৈৰ সৈতে জুবিনক দেখা গৈছিল নেকি? "মৰণোত্তৰ সভাত জুবিনক আনিব নালাগে বুলি প্ৰস্তাৱ লৈছিল অখিল গগৈয়ে। যিসকলে জুবিনক সঁচাকৈয়ে ভালপায়, তেওঁলোকৰ মোৰ ওপৰত বিশ্বাস আছে। কিন্তু যিসকলে ৰাজনীতি কৰিব বিচাৰে, তেওঁলোকৰ বিশ্বাস নাই।" জুবিন গাৰ্গৰ মৃত্যুক লৈ ৰাজ্যজুৰি চলি থকা আৱেগ আৰু দাবীৰ মাজতে মুখ্যমন্ত্ৰীৰ এই মন্তব্যই গোচৰটোৰ পৰৱৰ্তী পৰ্যায়ৰ ওপৰত নতুন আলোকপাত কৰিছে। পৰিয়ালৰ সৈতে আলোচনাৰ পিছতে ফাষ্টট্ৰেক আদালত গঠনৰ বিষয়ত চূড়ান্ত সিদ্ধান্ত ল'ব পাৰে চৰকাৰে।

## দুদিনীয়া মাজুলী ভ্ৰমণ

ভ্ৰমণসূচীৰে মাজুলীত উপস্থিত হৈ জিলাখনৰ বিভিন্ন উন্নয়নমূলক আঁচনি আৰু স্বাস্থ্য খণ্ডৰ অগ্ৰগতিৰ বিস্তৃত পৰ্যালোচনা কৰে। সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত তেওঁ বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মিলিত হৈ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ ৰূপায়ণ আৰু অগ্ৰগতিৰ বিষয়ে বুজ লয়। চৰকাৰী আঁচনি সময়মতে আৰু সুচাৰুৰূপে কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি যিসমূহ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই, সেইসমূহ ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও উদ্যমিতা আঁচনিৰ অধীনত আৰ্থিক সহায় লাভ কৰা মহিলাসকলৰ সৈতে মত-বিনিময় কৰি আঁচনিৰ প্ৰভাৱ আৰু ক্ষেত্ৰভিত্তিক সমস্যাসমূহৰ বিষয়ে অৱগত হয়। সাংবাদিকৰে মুখামুখি হৈ মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশ মৰ্মে উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক বিকাশত কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। সেই অনুসৰি বিভাগীয় দায়িত্ব পালন কৰিবলৈ মাজুলীত উপস্থিত হৈ বিভিন্ন বিভাগৰ কামৰ বস্তুনিষ্ঠ পৰ্যালোচনা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। দিশা কমিটিৰ বৈঠক অনুষ্ঠিত নোহোৱাৰ সন্দৰ্ভত তেওঁ অভিযোগ উত্থাপন কৰি কয় যে, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে প্ৰায় ডেৰ বছৰে এখনো দিশা বৈঠক অনুষ্ঠিত কৰা নাই। জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনাত সাংসদৰ সক্ৰিয় ভূমিকা প্ৰয়োজন বুলি তেওঁ মন্তব্য কৰে। ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ পৰিদৰ্শন কৰি উপভোক্তাসকলৰ সৈতে কথা-বতৰা কৰে আৰু বাস্তৱ ক্ষেত্ৰত আঁচনি ৰূপায়ণৰ অৱস্থা পৰ্যবেক্ষণ কৰে। লগতে প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আদি কেন্দ্ৰীয় উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে। ইফালে কাইলৈ "বিকশিত ভাৰত অভিযান - গ্ৰামাঞ্চলত কৰ্মসংস্থান আৰু জীৱিকাৰ নিশ্চয়তা অভিযান (ভি বি-গ্ৰাম জি)" শীৰ্ষক এক বিশেষ আলোচনা চক্ৰতো তেওঁ অংশগ্ৰহণ কৰিব। দুদিনীয়া ভ্ৰমণৰ অংশ হিচাপে আজি মন্ত্ৰীগৰাকীয়ে মাজুলী শ্ৰী শ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয় পৰিদৰ্শন কৰি স্বাস্থ্য খণ্ডৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। চিকিৎসালয়খনত থকা বিভিন্ন অভাৱ-অভিযোগৰ বিষয়ে অৱগত হৈ সেইসমূহ সোনকালে পূৰণ কৰাৰ আশ্বাস প্ৰদান কৰে। লগতে মাজুলীত এখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বিষয়টো চৰকাৰৰ বিবেচনাত আছে বুলি মন্তব্য কৰে। চিকিৎসকৰ অভাৱ সন্দৰ্ভত তেওঁ কয় যে, চৰকাৰে এই অভাৱ পূৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছে আৰু স্বাস্থ্য খণ্ডৰ উন্নয়নত ৰাজ্য চৰকাৰে সক্ৰিয়ভাৱে আগবঢ়াই লৈ গৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ ক্ষেত্ৰত ৰেল, স্বাস্থ্যসেৱা বিস্তাৰ, উৰাজাহাজ সেৱা আৰু গ্ৰাম চড়ক যোজনাৰ দৰে বিভিন্ন খণ্ডত উল্লেখযোগ্য অগ্ৰগতি সাধন হোৱা বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে। পৰিদৰ্শনৰ সময়ত তেওঁ জিলা চিকিৎসালয়ৰ নাৰ্চিং স্কুলৰ ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰি মাজুলীৰ স্বাস্থ্য ব্যৱস্থাৰ সামগ্ৰিক অৱস্থাৰ বুজ লয়।

## দিল্লীত চূড়ান্ত বুজাবুজি কংগ্ৰেছ-অজাপৰ মিত্ৰতাৰ

দিল্লীত অসম প্ৰদেশ কংগ্ৰেছ কমিটি (APCC)ৰ নেতৃত্বত সম্পন্ন হৈছে আৰু অখিল ভাৰতীয় কংগ্ৰেছ কমিটি (AICC)এও ইয়াত চূড়ান্ত অনুমোদন দিছে। এই বুজাবুজিৰ পিছতে AJPই নিজৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে, যিয়ে নিৰ্বাচনী পৰিস্থিতিক অধিক উত্তেজনাপূৰ্ণ কৰি তুলিছে। আসন বণ্টনৰ এই চুক্তিয়ে অসমৰ বিৰোধী শিবিৰক অধিক শক্তিশালী কৰাৰ লক্ষ্য ৰাখিছে, য'ত AJPই কেইবাটাও গুৰুত্বপূৰ্ণ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰকাশিত তালিকা অনুসৰি খোৱাঙ আসনত AJPৰ প্ৰাৰ্থী হৈছে লুৰীণজ্যোতি গগৈ, যি দলটোৰ সভাপতি আৰু এজন প্ৰভাৱশালী নেতা। শদিয়া আসনত জগদীশ ভূঞা, ডিব্ৰুগড়ত মৈনাক পাত্ৰ, ধেমাজিত নৰেন পাও আৰু মাহমৰাত মাণিক গগৈক প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে। ইয়াৰ উপৰিও সৰুপথাৰত জীৱন চুতীয়া, বজালীত দিলীপ বৰুৱা, বিন্নাকান্দিত ৰেজাউল কৰিম চৌধুৰী, মৰিগাঁৱত বাণী দাস, পলাশবাৰীত পংকজ লোচন গোস্বামী আৰু বঢ়মপুৰত ৰাজেন গোঁহাইক প্ৰাৰ্থী হিচাপে নিৰ্বাচিত কৰা হৈছে। এই প্ৰাৰ্থীসকলৰ তালিকাই AJPৰ কৌশলক প্ৰতিফলিত কৰিছে, য'ত স্থানীয় নেতৃত্ব আৰু জাতীয়তাবাদী ভাৱধাৰাক গুৰুত্ব দিয়া হৈছে। যদিও বেছিভাগ আসনত বুজাবুজি সম্পন্ন হৈছে, তথাপি দক্ষিণ কৰিমগঞ্জ আসনখনক লৈ এতিয়াও আলোচনা চলি আছে। সূত্ৰৰ মতে শেষ মুহূৰ্তত এই আসনখন কংগ্ৰেছক গতাই দিয়াৰ সম্ভাৱনা প্ৰবল, যিয়ে বিৰোধী ঐক্যক অধিক সুসংহত কৰিব পাৰে। এই বুজাবুজিয়ে অসমৰ ৰাজনৈতিক পৰিস্থিতিক নতুন দিশ দিছে, য'ত বিজেপি নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে একত্ৰিত বিৰোধিতা গঢ়ি তোলাৰ প্ৰচেষ্টা স্পষ্ট। নিৰ্বাচনী প্ৰচাৰ আৰম্ভ হোৱাৰ লগে লগে এই প্ৰাৰ্থীসকলে কেনেকৈ ভোটাৰক আকৰ্ষণ কৰিব সেয়া চোৱাৰ বিষয় হৈ পৰিছে। এই বিকাশে অসমৰ ১২৬খন আসনৰ নিৰ্বাচনত নতুন গতি যোগ কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## ভাৰতীয় যুৱ কংগ্ৰেছৰ

কৰিছে। এই ঘটনাত ভাৰতীয় যুৱ কংগ্ৰেছৰ (আইৱাইচি) ৰাষ্ট্ৰীয় সভাপতি উদয় ভানু চিবক গ্ৰেপ্তাৰ কৰি পাটিয়ালা হাউছ কোৰ্টত হাজিৰ কৰোৱাৰ পিছত আদালতে তেওঁক চাৰিদিনৰ বাবে আৰক্ষীৰ জিম্মাত (পুলিচ কাষ্টডি) প্ৰেৰণ কৰিছে। এই গ্ৰেপ্তাৰৰ ফলত গোচৰটোত মুঠ গ্ৰেপ্তাৰৰ সংখ্যা আটাইকেইজনলৈ বৃদ্ধি পাইছে। প্ৰতিবাদৰ ঘটনা ২০২৬ চনৰ ২০ ফেব্ৰুৱাৰীত সন্মিলনৰ এটা হলত সংঘটিত হৈছিল। যুৱ কংগ্ৰেছৰ কৰ্মীসকলে অনলাইন ৰেজিষ্ট্ৰেচন কৰি কিউআৰ ক'ডৰ জৰিয়তে প্ৰৱেশ কৰি শাৰ্ট খুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে শ্ল'গান দিছিল আৰু টি-চাৰ্টত ৰাজনৈতিক বাৰ্তা প্ৰদৰ্শন কৰিছিল। আৰক্ষীৰ মতে, এই প্ৰতিবাদে সন্মিলনৰ পৰিৱেশ বিঘ্নিত কৰিছিল আৰু ভাৰতৰ আন্তৰ্জাতিক ছবি ক্ষতিগ্ৰস্ত কৰিছিল। দিল্লী আৰক্ষীয়ে উদয় ভানু চিবক 'ষড়যন্ত্ৰৰ মূল পৰিকল্পনাকাৰী' (মাষ্টাৰমাইণ্ড) বুলি অভিহিত কৰিছে। তেওঁক সোমবাৰে তিলক মাৰ্গ থানালৈ জেৰাৰ বাবে মাতি অনা হৈছিল আৰু প্ৰায় ২০ ঘণ্টা জেৰা চলোৱাৰ পিছত মঙলবাৰে ভোৰৰ প্ৰায় ৪: ৩০ বজাত গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীৰ দাবী অনুসৰি, ভিডিঅ' ফুটেজ, প্ৰমাণ আৰু জেৰাত উঠা তথ্যৰ ভিত্তিত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ (বিএনএছ) বিভিন্ন ধাৰা যেনে অপৰাধী ষড়যন্ত্ৰ, ৰাজহুৱা কৰ্মচাৰীক ক্ষতি সাধন, কৰ্তব্য পালনত বাধা দিয়া আৰু অবাধ্যতাৰ অভিযোগ আনিছে। পিছত দাঙ্গাৰ (ৰায়টিং) ধাৰাও যোগ কৰা হৈছে। আদালতত আৰক্ষীয়ে চিবক সাতদিনীয়া জিম্মাৰ দাবী জনাইছিল যদিও আদালতে চাৰিদিনৰ অনুমতি দিছে। তদন্ত অব্যাহত আছে আৰু অধিক গ্ৰেপ্তাৰৰ সম্ভাৱনা আছে। ভাৰতীয় যুৱ কংগ্ৰেছে গ্ৰেপ্তাৰক তীব্ৰ গৰিহণা জনাইছে আৰু ইয়াক 'স্বেচ্ছাচাৰী', 'দমনমূলক' আৰু 'একনায়কত্ববাদী' চৰকাৰৰ কাৰ্য বুলি অভিহিত কৰিছে। দলটোৱে বিবৃতিত উল্লেখ কৰিছে যে চিবে তদন্তত সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে আৰু পলাতক নহয়। গ্ৰেপ্তাৰক তদন্তত‌কৈ চাপ সৃষ্টিৰ কৌশল বুলি দাবী কৰিছে। দলটোৱে অভিযোগ কৰিছে যে গ্ৰেপ্তাৰৰ পিছত আইনী প্ৰক্ৰিয়া উলংঘা কৰা হৈছে, যেনে ধাৰা ৪১ অনুসৰি জাননী নিদিয়া, পৰিয়ালক মধ্যৰাতি থানালৈ লৈ যোৱা আদি। কংগ্ৰেছৰ শীৰ্ষ নেতাসকলে যেনে ৰাহুল গান্ধী, মল্লিকাৰ্জুন খৰ্গে আৰু ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাগেলে এক্সত পোষ্ট কৰি গ্ৰেপ্তাৰক 'গণতন্ত্ৰৰ হত্যা' আৰু 'কাপুৰুষোচিত' বুলি সমালোচনা কৰিছে। তেওঁলোকে কয় যে গণতন্ত্ৰত প্ৰতিবাদ কৰাটো অপৰাধ নহয়। যুৱ কংগ্ৰেছে শীঘ্ৰে মুক্তি, স্বতন্ত্ৰ তদন্ত আৰু হাৰাশাস্তি বন্ধৰ দাবী জনাইছে। এই ঘটনাই কংগ্ৰেছ আৰু বিজেপিৰ মাজত তীব্ৰ বাকযুদ্ধৰ সৃষ্টি কৰিছে। বিজেপি নেতাসকলে প্ৰতিবাদক 'মাতৃভূমিৰ অপমান' বুলি সমালোচনা কৰিছে। দিল্লী আৰক্ষীয়ে নিৰপেক্ষ তদন্ত চলোৱা বুলি জানিবলৈ দিছে আৰু প্ৰমাণৰ ভিত্তিত অধিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কয়। এই ঘটনাই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক উত্তেজনা বৃদ্ধি কৰিব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## ২৫-২৬ ফেব্ৰুৱাৰীত দুদিনীয়া ইজৰাইল ভ্ৰমণ

২৫ আৰু ২৬ ফেব্ৰুৱাৰীত এই দুদিনীয়া ভ্ৰমণ অনুষ্ঠিত হ'ব। শেষবাৰৰ বাবে ২০১৭ চনত মোদীয়ে ইজৰাইল ভ্ৰমণ কৰিছিল, যিটো এজন ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ইজৰাইল সফৰ আছিল। বুধবাৰে (২৫ ফেব্ৰুৱাৰী) দুপৰীয়া প্ৰধানমন্ত্ৰী মোদীয়ে ইজৰাইলৰ ৰাজধানী টেল আভিভৰ ওচৰৰ বেন গুৰিয়ান আন্তৰ্জাতিক বিমানবন্দৰত অৱতৰণ কৰিব। বিমানবন্দৰত তেওঁক ব্যক্তিগতভাৱে আদৰিবলৈ ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহু আৰু তেওঁৰ পত্নী ছাৰা নেতানিয়াহু উপস্থিত থাকিব। অৱতৰণৰ পিছতে দুয়োজন নেতাই বিমানবন্দৰতে সীমিত আলোচনাত মিলিত হ'ব আৰু তাৰ পিছত জেৰুজালেমলৈ যাত্ৰা কৰিব। ভ্ৰমণৰ প্ৰথম দিনা প্ৰধানমন্ত্ৰী মোদীয়ে ইজৰাইলৰ সংসদ 'নেচেট'ত ভাষণ দিব। এয়া এজন ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম নেচেট ভাষণ হ'ব। নেতানিয়াহুৰ ভাষণৰ পিছতে মোদীয়ে ভাষণ দিব বুলি জানিব পৰা গৈছে। কিন্তু ইজৰাইলৰ বিৰোধী দলসমূহে মোদীৰ ভাষণ বৰ্জন কৰাৰ হুংকাৰ দিছে। এই পৰিস্থিতিত নেচেটৰ অধ্যক্ষ আমিৰ ওহানাই খালী হৈ থকা আসনসমূহ প্ৰাক্তন সাংসদসকলৰে পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছে। সন্ধিয়া দুয়োজন প্ৰধানমন্ত্ৰীয়ে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। নেতানিয়াহুৱে মোদীৰ সন্মানত নৈশ ভোজৰো আয়োজন কৰিছে। ২৬ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীয়ে হ'ল'কাষ্ট স্মাৰক (Yad Vashem) পৰিদৰ্শন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। তেওঁ ইজৰাইলৰ ৰাষ্ট্ৰপতি আইজেক হাৰ্জোগকো সাক্ষাৎ কৰিব। ভ্ৰমণৰ অন্তত বেন গুৰিয়ান বিমানবন্দৰত বিদায়ী অনুষ্ঠানৰ পিছতে তেওঁ ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰিব। এই ভ্ৰমণৰ মূল লক্ষ্য হৈছে ভাৰত-ইজৰাইলৰ কৌশলগত অংশীদাৰিত্বক অধিক শক্তিশালী কৰা। দুয়োজন নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতি পৰ্যালোচনা কৰিব। বিশেষকৈ প্ৰতিৰক্ষা, এআই, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম প্ৰযুক্তি, উচ্চ প্ৰযুক্তি, কৃষি, পানী ব্যৱস্থাপনা, বাণিজ্য আৰু নিৰাপত্তা ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ ওপৰত আলোচনা হ'ব। নিৰাপত্তা আৰু প্ৰতিৰক্ষা সহযোগিতাৰ বুজাবুজি চুক্তি স্বাক্ষৰিত হ'ব পাৰে। ১৯৯২ চনত দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপন হোৱাৰ পিছত বাণিজ্য, প্ৰতিৰক্ষা, প্ৰযুক্তি, কৃষি আদি ক্ষেত্ৰত সহযোগিতা ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে। ইজৰাইল ভাৰতৰ অন্যতম প্ৰধান প্ৰতিৰক্ষা অংশীদাৰ। দুয়োখন দেশৰ মাজত বাণিজ্যৰ মূল্য কেইবা বিলিয়ন ডলাৰত উপনীত হৈছে। এই ভ্ৰমণে ভাৰত আৰু ইজৰাইলৰ মাজত স্থায়ী মিত্ৰতা আৰু কৌশলগত অংশীদাৰিত্বক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

## ঝাৰখণ্ডত দিল্লী অভিমুখী

দুৰ্ঘটনাৰ ফলত বিমানখনত থকা সাতোজন যাত্ৰী আৰু ক্ৰুৰ সকলোৱে ঘটনাস্থলীতেই প্ৰাণ হেৰুৱায়। ৰেডবাৰ্ড এয়াৰৱেজ প্ৰাইভেট লিমিটেডে পৰিচালনা কৰা VT-AJV পঞ্জীয়ন নম্বৰৰ বিচক্ৰাফ্ট C90 বিমানখনে সন্ধিয়া ৭: ১১ বজাত ৰাঁচী বিমানবন্দৰৰ পৰা উৰা মাৰে। বিমানখন চিকিৎসা সেৱাৰ বাবে ব্যৱহাৰ কৰা হৈ আছিল আৰু দিল্লী অভিমুখে গৈ আছিল। কিন্তু উৰণৰ কিছু সময়ৰ পিছতে চত্ৰা জিলাৰ চিমৰিয়াৰ সমীপৰ কৰ্মটাণ্ড অঞ্চলৰ এখন ঘন অৰণ্যত বিধ্বস্ত হয়। চত্ৰাৰ জিলা উপায়ুক্ত কীৰ্তিশ্ৰী জিয়ে সংবাদ সংস্থা পিটিআইক জনোৱা মতে, বিমানখনত থকা সাতোজনৰে মৃত্যু হৈছে। ডাইৰেক্টৰ জেনেৰেল অৱ চিভিল এভিয়েশ্যন (DGCA)ৰ প্ৰাথমিক তথ্য অনুসৰি বিমানখনে ৰাঁচীৰ পৰা উৰা মাৰি কলকাতা এয়াৰ ট্ৰাফিক কণ্ট্ৰ'লৰ সৈতে যোগাযোগ স্থাপন কৰিছিল। প্ৰতিকূল বতৰৰ বাবে পথ সলনি কৰাৰ অনুৰোধ জনোৱাৰ পিছতে যোগাযোগ বিচ্ছিন্ন হয়। প্ৰায় ৭:৩৪ বজাত বাৰাণসীৰ পৰা ১০০ নটিকেল মাইল দক্ষিণ-পূবত ৰাডাৰ সংযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হোৱাৰ খবৰ পোৱা যায়। প্ৰাথমিক তদন্তত বজ্ৰপাত আৰু তীব্ৰ ধুমুহাৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। দুৰ্ঘটনাস্থলী ঘন অৰণ্যত হোৱা বাবে উদ্ধাৰকাৰী দলৰ বাবে স্থানত উপস্থিত হোৱাটো যথেষ্ট প্ৰত্যাহ্বানজনক আছিল। চত্ৰাৰ আৰক্ষী অধীক্ষক সুমিত কুমাৰ আগৰৱালাই জনোৱা মতে, নিশা প্ৰায় ১০ বজাত দুৰ্ঘটনাৰ খবৰ লাভ কৰাৰ পিছত তদন্ত আৰম্ভ কৰা হয়। তদন্তকাৰী দলে বিমানখনৰ 'ব্লেক বক্স' উদ্ধাৰৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। মৃত্যু হোৱাসকলৰ ভিতৰত দুজন পাইলট— কেপ্টেইন বিবেক বিকাশ ভগত আৰু কেপ্টেইন সাৱৰাজদীপ সিং, ৰোগী সঞ্জয় কুমাৰ (৪১ বছৰ), ৰোগীৰ পৰিয়ালৰ সদস্য অৰ্চনা দেৱী আৰু ধ্ৰুৱ কুমাৰ, লগতে ডাক্তৰ বিকাশ কুমাৰ গুপ্তা আৰু স্বাস্থ্যকৰ্মী শচীন কুমাৰ মিশ্ৰ আছিল। ৰাঁচীৰ দেৱ কমল হাস্পতালৰ চিইঅ' অনন্ত সিনহাই জনোৱা মতে, সঞ্জয় কুমাৰে ৬৫ শতাংশ অগ্নিদগ্ধ হৈ চিকিৎসাধীন হৈ আছিল। উন্নত চিকিৎসাৰ বাবে দিল্লীলৈ নিয়াৰ ব্যৱস্থা পৰিয়ালে নিজেই কৰিছিল। এই দুৰ্ঘটনাই অসমীয়া ভাষাত লিখা বাতৰি কাকতসমূহতো গুৰুত্বৰ সৈতে প্ৰকাশ পাইছে। চত্ৰা জিলা প্ৰশাসন আৰু DGCAৰ তদন্ত অব্যাহত আছে।

## গৌৰৱ গগৈক ভাৰত

বিভিন্ন সংসদীয় মৈত্ৰী গোটৰ ভিতৰত এই গোটৰ নেতৃত্বৰ দায়িত্ব গৌৰৱ গগৈৰ হাতত অৰ্পণ কৰিছে। এই সংসদীয় মৈত্ৰী গোটৰ মূল উদ্দেশ্য হৈছে ভাৰত আৰু ফিলিপাইনৰ মাজত পাৰস্পৰিক বুজাবুজি, সহযোগিতা আৰু প্ৰতিষ্ঠানগত সমন্বয় বৃদ্ধি কৰা। গোটটোৱে সামুদ্ৰিক নিৰাপত্তা, ৰক্ষণাবেক্ষণ আৰু প্ৰতিৰক্ষা, বাণিজ্য, শিক্ষা, সংস্কৃতি আৰু আঞ্চলিক সহযোগিতাৰ দৰে ক্ষেত্ৰসমূহত দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিবলৈ গঠনমূলক ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। গৌৰৱ গগৈয়ে এই দায়িত্বৰ জৰিয়তে ফিলিপাইন সংসদৰ সদস্যসকলৰ সৈতে বিধানিক সংলাপ আগুৱাই নিয়া আৰু দুয়োটা দেশৰ মাজত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলাৰ কামত অগ্ৰণী ভূমিকা পালন কৰিব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিভিন্ন দেশৰ সৈতে সংসদীয় মৈত্ৰী গোট গঠন কৰি 'ছফট ডিপ্ল'মেচি'ক শক্তিশালী কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই ব্যৱস্থাৰ জৰিয়তে চৰকাৰী স্তৰৰ আনুষ্ঠানিক কূটনীতিক সম্পূৰক হিচাপে সহায় কৰি শাসন-প্ৰণালী, বাণিজ্য, নিৰাপত্তা আৰু সাংস্কৃতিক বিনিময়ৰ দৰে বিষয়ত মত বিনিময়ৰ সুযোগ সৃষ্টি কৰা হয়। এই নিযুক্তিৰ পিছতে অসম প্ৰদেশ কংগ্ৰেছে এক বিবৃতি জাৰি কৰি গৌৰৱ গগৈক অভিনন্দন জ্ঞাপন কৰিছে। একে সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াক তীব্ৰ সমালোচনা কৰিছে। প্ৰদেশ কংগ্ৰেছে উল্লেখ কৰিছে যে যোৱা ৮ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় পৰ্যায়ৰ সাংবাদিকসকলক গুৱাহাটীলৈ মাতি আনি সংবাদমেলত গৌৰৱ গগৈৰ বিৰুদ্ধে পাকিস্তান লিংকৰ এছআইটি তদন্তৰ ফাইল গৃহ মন্ত্ৰণালয়লৈ প্ৰেৰণ কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু এই সকলো অপপ্ৰচাৰ ৰাজনৈতিক অভিসন্ধিৰ অংশ আছিল বুলি দাবী কৰি প্ৰদেশ কংগ্ৰেছে কয় যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই গৌৰৱ গগৈক এই গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰি মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক অপপ্ৰচাৰ আৰু আক্ৰোশমূলক তদন্তৰ গোমৰ ফাঁক বাহিৰ কৰিছে।

## ইংলেণ্ডত অনুষ্ঠিত হ'ব-

লৈকে চলিবলগীয়া এই প্ৰতিযোগিতাটো মহিলা টি-২০ বিশ্বকাপৰ দশম সংস্কৰণ হ'ব। বিশ্বৰ শীৰ্ষ ১২টা দলে এইবাৰ অংশগ্ৰহণ কৰিব আৰু খেলসমূহ ইংলেণ্ডৰ বিখ্যাত ক্ৰিকেট ভেন্যুসমূহত যেনে এজবাষ্টন, অল্ড ট্ৰেফৰ্ড, হেডিংলে, হেম্পশ্বায়াৰ ব'ল, ব্ৰিষ্টল কাউণ্টি গ্ৰাউণ্ড, দ্য অভেল আৰু লৰ্ডছত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী দলসমূহক দুটা গ্ৰুপত বিভক্ত কৰা হৈছে। গ্ৰুপ এত অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা, ভাৰত, পাকিস্তান, নেদাৰলেণ্ডছ আৰু বাংলাদেশ অন্তৰ্ভুক্ত হৈছে। আনহাতে গ্ৰুপ বিত ৱেষ্ট ইণ্ডিজ, ইংলেণ্ড, নিউজিলেণ্ড, শ্ৰীলংকা, আয়াৰলেণ্ড আৰু স্কটলেণ্ড থকাৰ লগতে। ভাৰত আৰু পাকিস্তান একে গ্ৰুপত থকাৰ বাবে দুয়োটা দলৰ মাজত এখন উত্তেজনাপূৰ্ণ মুখামুখি খেল নিশ্চিত হৈছে। এই বহু প্ৰতীক্ষিত ভাৰত বনাম পাকিস্তানৰ খেলখন ১৪ জুনৰ ৰবিবাৰে এজবাষ্টনত অনুষ্ঠিত হ'ব আৰু ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত খেল আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন আয়োজক ইংলেণ্ড আৰু শ্ৰীলংকাৰ মাজত ১২ জুনত এজবাষ্টনতেই খেলা হ'ব। ছেমিফাইনেলৰ প্ৰথমখন ৩০ জুনত দ্য অভেলত আৰু দ্বিতীয়খন ২ জুলাইত একে ভেন্যুতেই অনুষ্ঠিত হ'ব। চূড়ান্ত ফাইনেল খেলখন ঐতিহাসিক লৰ্ডছত ৫ জুলাইত অনুষ্ঠিত হ'ব, য'ত বিজয়ী দলক মহিলা টি-২০ বিশ্ব চেম্পিয়নৰ মুকুট পিন্ধোৱা হ'ব। সম্পূৰ্ণ সূচী অনুসৰি প্ৰতিযোগিতাৰ আৰম্ভণিৰ দিনা অৰ্থাৎ ১২ জুনত ইংলেণ্ড আৰু শ্ৰীলংকাৰ মাজৰ খেলেৰে পৰ্দা উন্মোচন হ'ব। তাৰ পিছৰ দিনা ১৩ জুনত তিনিখন খেল অনুষ্ঠিত হ'ব—স্কটলেণ্ড বনাম আয়াৰলেণ্ড, অষ্ট্ৰেলিয়া বনাম দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ বনাম নিউজিলেণ্ড। ১৪ জুনত বাংলাদেশ বনাম নেদাৰলেণ্ডছ আৰু ভাৰত বনাম পাকিস্তানৰ খেল দুখনৰ বাবে ক্ৰিকেটপ্ৰেমীসকলে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে। প্ৰতিযোগিতাৰ গোটেই সময়ছোৱাত দলসমূহে একে গ্ৰুপৰ ভিতৰত পৰস্পৰৰ সৈতে খেলিব আৰু গ্ৰুপ পৰ্যায়ৰ শেষত শীৰ্ষ দুটা দলে ছেমিফাইনেলত স্থান লাভ কৰিব। এই বিশ্বকাপত মহিলা ক্ৰিকেটৰ উচ্চমানৰ প্ৰদৰ্শন, উত্তেজনাপূৰ্ণ মুহূৰ্ত আৰু নতুন তাৰকাৰ উত্থানৰ সম্ভাৱনা থকা বুলি বিশেষজ্ঞসকলে ধাৰণা কৰিছে।

## অষ্টম অসম দৰমহা আয়োগ

২০২৬ গঠন কৰি ৰাজপত্ৰিত অধিসূচনা জাৰি কৰিছে। ৰাজ্যপালৰ অনুমোদনক্ৰমে বিত্ত (দৰমহা গৱেষণা একক) বিভাগৰ জৰিয়তে এই জাননী প্ৰকাশ কৰা হৈছে। এই আয়োগৰ অধ্যক্ষ হিচাপে অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া সুভাষ চন্দ্ৰ দাসক নিযুক্তি দিয়া হৈছে। উল্লেখ্য যে ২০১৬ চনত সপ্তম দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি শেষবাৰৰ বাবে দৰমহা সংশোধন কৰা হৈছিল। তাৰ পিছত দহ বছৰৰ অন্তত ৰাজ্যত পুনৰ দৰমহা আয়োগ গঠন কৰা হ'ল। আয়োগৰ সদস্যসকলৰ ভিতৰত আছে ব্যক্তিগত বিভাগৰ জ্যেষ্ঠ সচিব, প্ৰশাসনিক সংস্কাৰ, প্ৰশিক্ষণ, পেনচন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ জ্যেষ্ঠ সচিব, বিত্ত বিভাগৰ জ্যেষ্ঠ সচিব, ন্যায়িক বিভাগৰ আইনী স্মৰক-কমিছনাৰ আৰু বিশেষ সচিব, বিত্ত (বাজেট) বিভাগৰ বিশেষ সঞ্চালক অথবা বিত্ত বিভাগৰ মনোনীত জ্যেষ্ঠ সচিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাতুল মহন্তক বিশেষ আমন্ত্ৰিত সদস্য হিচাপে ৰখা হৈছে। আয়োগৰ সদস্য সচিব হিচাপে বিত্ত (দৰমহা গৱেষণা একক) বিভাগৰ সচিবক নিযুক্তি দিয়া হৈছে। আয়োগৰ মুখ্য কাৰ্যালয় গুৱাহাটীত থাকিব। ইয়াৰ কাৰ্যকালৰ ভিতৰত দৰমহা, ভাত্তা আৰু সেৱাৰ শৰ্তাৱলীৰ পুনৰীক্ষণ কৰা হ'ব। লগতে গাঁথনিগত সংস্কাৰ, বিত্তীয় বহনক্ষমতা, ডিজিটেল ৰূপান্তৰ, মানৱ সম্পদৰ যুক্তিসংগত ব্যৱহাৰ, প্ৰশাসনিক দক্ষতা বৃদ্ধি আৰু ফলাফলমুখী শাসন ব্যৱস্থাৰ ওপৰতো গুৰুত্ব দিয়া হ'ব। আয়োগে অসমৰ দৰমহা গাঁথনিৰ ঐতিহাসিক বিৱৰ্তন, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক অৰ্থনৈতিক পৰিস্থিতি, উন্নয়ন পৰিকল্পনা, নিয়োগ সম্প্ৰসাৰণৰ প্ৰভাৱ, ৰাজ্যৰ ৰাজহ সম্পদ, মধ্যকালীন বিত্তীয় কাঠামো, অষ্টম কেন্দ্ৰীয় দৰমহা আয়োগৰ পৰামৰ্শ (যেতিয়ালৈকে উপলব্ধ হ'ব), অসমৰ বিত্তীয় দায়বদ্ধতা, বাজেট ব্যৱস্থাপনা আইন আদি বিবেচনা কৰি নতুন দৰমহাৰ গাঁথনি প্ৰস্তুত কৰিব। বিকল্প ৰূপায়ণ পৰিস্থিতিৰ অধীনত বছৰভিত্তিক বিত্তীয় প্ৰভাৱৰ প্ৰক্ষেপণো কৰিব। আয়োগক প্ৰতিবেদন যিমান সোনকালে সম্ভৱ, নহ'লে গঠনৰ তাৰিখৰ পৰা ১৮ মাহৰ ভিতৰত দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। যদি প্ৰয়োজন হয় তেন্তে চৰকাৰে এই সময়সীমা বৃদ্ধি কৰিব পাৰে।

## কেৰালাৰ নতুন নাম হ'ব

ব্যাখ্যা কৰা হয়, যিটো ৰাজ্যখনৰ পৰম্পৰাগত আৰু ভৌগোলিক বৈশিষ্ট্যৰ সৈতে সংগতিপূৰ্ণ। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদনৰ পিছত এতিয়া সাংবিধানিক প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৱে 'কেৰালা (নাম সলনি) বিধেয়ক, ২০২৬'খন কেৰালা বিধানসভালৈ প্ৰেৰণ কৰিব, যাতে বিধানসভাই সংবিধানৰ অনুচ্ছেদ ৩ৰ অধীনত নিজৰ মতামত প্ৰকাশ কৰিব পাৰে। বিধানসভাৰ মতামত লাভ কৰাৰ পিছত কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰপতিৰ পৰামৰ্শ অনুসৰি বিধেয়কখন সংসদত উত্থাপন কৰিব আৰু অনুমোদন লাভ কৰিলে নাম সলনি আনুষ্ঠানিকভাৱে কাৰ্যকৰী হ'ব। এই নাম সলনিৰ প্ৰস্তাৱে ভাৰতৰ ভাষিক পুনৰ্গঠনৰ দীৰ্ঘদিনীয়া দাবীক প্ৰতিফলিত কৰে। ৰাজ্য গঠনৰ সময়ৰ পৰাই মালয়ালম ভাষাত 'কেৰালাম' নামটো প্ৰচলিত আছিল যদিও সংবিধানৰ প্ৰথম অনুসূচীত ইংৰাজী ৰূপ 'কেৰালা' হিচাপে স্থান পাইছিল। এতিয়া এই সিদ্ধান্তৰ জৰিয়তে ৰাজ্যখনৰ স্থানীয় ভাষা আৰু সংস্কৃতিৰ প্ৰতি অধিক শ্ৰদ্ধা প্ৰকাশ পাইছে। কেৰালা বিধানসভা নিৰ্বাচনৰ ভোটদানৰ তাৰিখ অচিৰেই ঘোষণা হ'ব বুলি আশা কৰা হৈছে। তাৰ আগতে এই নাম সলনিৰ অনুমোদনে ৰাজনৈতিক আৰু সাংস্কৃতিক দিশত নতুন মাত্ৰা যোগ কৰিছে। ক্ৰিকেট অনুৰাগীসকলৰ দৰে ৰাজ্যবাসীয়ে এতিয়া 'কেৰালাম' নামৰ আনুষ্ঠানিক স্বীকৃতিৰ বাবে অপেক্ষা কৰি আছে।

**মুঠ ৩৯৩০ গৰাকী যুৱক-যুৱতীক প্ৰথম কিস্তিৰ ৭৫ হেজাৰ টকাৰ চেক প্ৰদান**

# চিৰাং জিলাত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ চেক বিতৰণ



**অসম বাৰ্তা, বাসুগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁও জিলা পেৰেড গ্ৰাউণ্ডত আজি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত কোকৰাঝাৰ লোকসভা সমষ্টিৰ চিৰাং জিলাৰ অধীনৰ চিদলী-চিৰাং, বিজনী আৰু কোকৰাঝাৰ জিলাৰ বাওখুংগ্ৰী, দোতমা, গোসাইগাওঁ, কোকৰাঝাৰ আৰু পৰ্বতঝোৰা বিধান সভা সমষ্টিৰ মুঠ ৩৯৩০ গৰাকী যুৱক যুৱতীক প্ৰথম কিস্তিৰ ৭৫ হেজাৰ টকাৰ চেক প্ৰদান কৰা হয়। অসমৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই মুখ্য অতিথি ৰূপে উপস্থিত থাকি ভাষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ যুৱক যুৱতীলৈ প্ৰদান কৰা আত্ম নিৰ্ভৰ আঁচনিৰে বহু যুৱক যুৱতীক কৰ্মসংস্থাপনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'বলৈ উৎসাহিত কৰিছে বুলি উল্লেখ কৰে। মন্ত্ৰী গৰাকীয়ে বিজেপিৰ পাঁচ বছৰীয়া কাৰ্যকালত এক লাখৰ পৰিৱৰ্তে একলাখ দহ হেজাৰ যুৱক-যুৱতীক চাকৰি প্ৰদান কৰা হৈছে বুলিও ভাষণত উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে অসমত পৰৱৰ্তী বিজেপি মিত্ৰজোঁটৰ চৰকাৰ হলে পাঁচ বছৰত ১৫ লাখ যুৱক-যুৱতীক পুনৰ সংস্থাপনৰ বাবে এই আঁচনিত অন্তৰ্ভুক্তি কৰা হ্ব বুলিও কয়। বিটিচিত আৰু ১৫ হেজাৰ যুৱক যুৱতীয়ে এই আঁচনিত অন্তৰ্ভুক্তি কৰা হ'ব। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ চেক বিতৰণ অনুষ্ঠানত অংশ গ্ৰহণ কৰি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে যুৱক-যুৱতী সকলক চৰকাৰী ধনেৰে সকলো হিতাধিকাৰী স্বাৱলম্বী হোৱাৰ কামনা কৰাৰ লগতে অহা ১৩ মাৰ্চত কোকৰাঝাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আহিব বুলি ৰাইজক অৱগত কৰে। চিৰাং জিলাৰ আয়ুক্ত যতীন বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্ম, বেগম আখতাৰা আহমেদ, ধীৰাজ বৰগয়াৰী, বিটিচিৰ পাৰিষদ জেমছ বসুমতাৰী, শুকুৰসিং মুছহাৰী, প্ৰাক্তন কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ দে, সমাজকৰ্মী ৰতন চন্দ্ৰ ৰায়, সোমখৌৰ ব্ৰহ্মসহ কেইবাজনো অতিথি উপস্থিত থাকে।

# দেবকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ-২০২৬ৰ বাবে আবেদন আহ্বান

**অসম বাৰ্তা যোৰহাট, ২৪ ফেব্ৰুৱাৰী ঃ** সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ যোৰহাট জিলা সমিতিৰ উদ্যোগত ২০২৩ চনৰ পৰা আৰম্ভ কৰা "দেবকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ—২০২৬"ৰ বাবে ৰাজ্যৰ প্ৰিণ্ট, ইলেকট্ৰনিক, মুক্ত সাংবাদিকতা আৰু নিউজ এজেঞ্চিত কৰ্মৰত সাংবাদিকসকলৰ পৰা আবেদন আহ্বান কৰা হৈছে। আবেদনকাৰীৰ ন্যূনতম শিক্ষাগত অৰ্হতা স্নাতক হ'ব লাগিব আৰু সাংবাদিকতাৰ ক্ষেত্ৰত অন্ততঃ ১০ বছৰীয়া অভিজ্ঞতা থাকিব লাগিব। লগতে ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সাংবাদিক হোৱাটো বাধ্যতামূলক। ইচ্ছুক সাংবাদিকসকলে গাইডলাইন আৰু মূল প্ৰ-পত্ৰ অনলাইনযোগে সংগ্ৰহ কৰিব পাৰিব। আবেদন পত্ৰৰ সৈতে অধ্যয়ন কৰিব বিচৰা বিষয়বস্তুৰ সংক্ষিপ্ত সাৰাংশ (Synopsis) সংলগ্ন কৰিব লাগিব। আবেদন জমা দিয়াৰ শেষ তাৰিখ ৩০ এপ্ৰিল, ২০২৬। বিশেষজ্ঞ সমিতিয়ে আবেদনকাৰীসকলৰ মাজৰ পৰা এজনক ফেল'শ্বিপৰ বাবে বাছনি কৰিব। বাছনি হোৱা ফেল'শ্বিপধাৰীয়ে ৩০ নৱেম্বৰ, ২০২৬ৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব লাগিব। যোগাযোগৰ বাবে আহ্বায়ক যোগেশ ওজা (৮৬৩৮১০২৩৭১) অথবা নৱজ্যোতি বৰুৱা (৯৪৩৫০৫১৯৫৯ / ৮৬৩৮৩৬৬৭৫৬)ৰ সৈতে ফোন বা হোৱাটছএপযোগে যোগাযোগ কৰিব পাৰিব। এইতথ্য যোৰহাট জিলা আজুৰ সচিব বিজু কুমাৰ তনুৱালে এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে।

# ডিব্ৰুগড়ৰ বিশিষ্ট গল্পকাৰ প্ৰশান্ত শইকীয়ালৈ ২০২৬ বৰ্ষৰ 'বিশ্ব মহাবীৰ চিলাৰায় বঁটা' প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ ফেব্ৰুৱাৰী ঃ** মহাবীৰ চিলাৰায় কেৱল কোঁচ- ৰাজবংশীসকলৰ বীৰ নেকি? এয়া আজিৰ সময়ত এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। যি সময়ত তেওঁৰ যুদ্ধৰ নিপুণতা, নৌ-যুদ্ধৰ কৌশল আৰু বৌদ্ধিক চিন্তাৰ বাবে সমগ্ৰ বিশ্বতে পৰিচিত হোৱাৰ থল আছিল, সেই সময়ত আমি অসমীয়াসকলে তেওঁক যোগ্য মৰ্যাদা দিব পৰা নাই। এই মন্তব্য 'অসম আদিত্য'ৰ সম্পাদক মনজিৎ বৰাৰ। ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আয়োজিত ২০২৬ বৰ্ষৰ 'বিশ্ব মহাবীৰ চিলাৰায় বঁটা' প্ৰদান অনুষ্ঠান উদ্বোধন কৰি ভাষণ প্ৰসংগত তেওঁ এইদৰে ব্যক্ত কৰে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট গল্পকাৰ তথা অভিযন্তা প্ৰশান্ত শইকীয়াক চলিত বৰ্ষৰ 'বিশ্ব মহাবীৰ চিলাৰায় বঁটা' প্ৰদান সন্মানেৰে বিভূষিত বিশিষ্ট গল্পকাৰ, সোণোৱাল কছাৰী জনগোষ্ঠীৰ তত্ত্ব, বিশ্লেষণ, অন্বেষণ, সংস্কৃতিৰ স্বৰ্ণৰেখা, সাহিত্য মনীষা দৰ্শনৰ দৰে প্ৰবন্ধ সংকলন, বহুকেইখন গ্ৰন্থৰ সম্পাদক, সাহিত্য সভাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত তথা অসম লোকনিৰ্মাণ (স্বাস্থ্য আৰু শিক্ষা) বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা প্ৰশান্ত শইকীয়াক আজি ২০২৬ বৰ্ষৰ 'বিশ্ব মহাবীৰ চিলাৰায় বঁটা' প্ৰদান কৰা হয়। এই বঁটাত মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবি, প্ৰশস্তি-পত্ৰ, চেলেং, কোঁচ ৰাজবংশীসকলৰ পৰম্পৰাগত পোছাক, এটা পিতলৰ স্মাৰকৰ লগতে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই তেওঁৰ স্বৰ্গীয় পিতৃ হৰিপদ শইকীয়াৰ নামত উৎসৰ্গা কৰা এটি বিশেষ স্মাৰক অন্তৰ্ভুক্ত আছে। বঁটা গ্ৰহণ কৰি প্ৰশান্ত শইকীয়াই তেওঁৰ ভাষণত কয় যে মানুহৰ দুখন হাত থাকে। এখন শাৰীৰিক আৰু আনখন মানসিক। তেওঁ নিজকে মানসিক হাতেৰে যুদ্ধ কৰা মানুহ বুলি অভিহিত কৰি কয় যে এই সন্মানে চিলাৰায়ৰ বীৰত্ব আৰু আদৰ্শ প্ৰসাৰ কৰাৰ দায়িত্ব আৰু অধিক বৃদ্ধি কৰিলে। আজিৰ নৈতিক অৱক্ষয়ৰ সময়ত চিলাৰায়ৰ দৰে নায়কৰ প্ৰাসংগিকতা উল্লেখ কৰি তেওঁ কয় যে চিলাৰায় কেৱল এটা জনগোষ্ঠীৰ নহয়, তেওঁ সমগ্ৰ অসমীয়া জাতিৰ সাহসৰ প্ৰতীক। নৱ-প্ৰজন্মক উদ্দেশ্যি তেওঁ কয় যে কেৱল অস্ত্ৰৰে নহয়, বৰঞ্চ প্ৰজ্ঞা আৰু কৌশলেৰে সমাজ গঠন কৰিব পাৰি, যাৰ শ্ৰেষ্ঠ উদাহৰণ হ'ল চিলাৰায়। লগতে তেওঁ অহা বছৰ এই অনুষ্ঠানৰ লগত সংগতি ৰাখি চিলাৰায়ৰ জীৱনভিত্তিক গ্ৰন্থ প্ৰতিযোগিতা আয়োজনৰ আহ্বান জনাই ইয়াৰ



বাবে ২০ হাজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বক্তব্য প্ৰদান কৰি কয় যে ছাৰ এডৱাৰ্ড গেইটে নেপোলিয়ন বা শিৱাজীৰ দৰেই চিলাৰায় বিশ্বখ্যাত সেনাপতি আছিল বুলি উল্লেখ কৰিছে। পৰিব্ৰাজক ৰাওল্ড ফিটচে তেওঁক উত্তৰ-পূৰ্বাঞ্চলৰ নেপোলিয়ন বুলি আখ্যা দিয়াৰ কথা সোঁৱৰাই দি ড° শইকীয়াই প্ৰকাশ কৰে যে সেই সময়ৰ সমসাময়িক বীৰ ৰাণা প্ৰতাপ সিংহ, সম্ৰাট আকবৰকে ধৰি জাপান, ৰাছিয়াৰ লগতে বিশ্বৰ অন্যান্য বীৰসকলে যেনেদৰে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি পালে, চিলাৰায়ৰ ক্ষেত্ৰত সেয়া আজিও হৈ উঠা নাই। লগতে তেওঁ কয় যে যদিহে চিলাৰায় কোন আছিল এই কথা নৱপ্ৰজন্মৰ মাজলৈ লৈ যাব লাগে তেনেহ'লে তেওঁৰ আদৰ্শ আৰু বীৰত্বৰ সঠিক মূল্যায়ন হ'ব লাগিব। আনহাতে, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিৰেন্দ্ৰ নাথ শৰ্মাই ভাষণ প্ৰসংগত নামনি অসমত মহাবীৰ চিলাৰায়ৰ নামত এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবে উদ্যোগ ল'বলৈ আক্ৰাছুক আহ্বান জনায়। আক্ৰাছুৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি প্ৰাঞ্জল দত্তই ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, কাব্যসমালোচক বিজু শৰ্মা আৰু সোণোৱাল কছাৰী যুৱ পৰিষদৰ সভাপতি মিলন সোণোৱালে অংশগ্ৰহণ কৰি বক্তব্য ৰাখে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত বিবিজান দত্তৰ নেতৃত্বত পৰিৱেশিত দিহানামে অনুষ্ঠানটোক এক আধ্যাত্মিক মাত্ৰা প্ৰদান লগতে নৱনীতা শ্যামে অনুষ্ঠানৰ শেষৰফালে স্বৰচিত কবিতা পাঠ কৰি সকলোকে আপ্লুত কৰে। সুমন দত্তই আঁত ধৰা অনুষ্ঠানত সাংবাদিক প্ৰশান্ত শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য নোমল চন্দ্ৰ গগৈ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণ বৰা, সমাজসেৱক তথা ব্যৱসায়ী কুশল কোঁৱৰ, সোণোৱাল কছাৰী সমাজৰ সম্পাদক দীপক শইকীয়া, সোণোৱাল কছাৰী ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ সম্পাদক বুধিন সোণোৱাল, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক ৰুবুল সোণোৱাল, মানকটা শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোণোৱাল, পূব ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ধনীৰাম বৰুৱা, বৰপথাৰ শাখা সাহিত্য সাহিত্য সভাৰ উপ-সভাপতি- শান্তনু কোচঁ, লেজাই শাখা সাহিত্য সভাৰ সভাপতি শিখা বৰা গগৈ, আক্ৰাছু ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দিগন্ত শইকীয়া, সম্পাদক দিগেন দত্ত আৰু ধেমাজী জিলা সমিতিৰ সভাপতি বাদল বৰ্মনৰ লগতে দুয়োখন সমিতিৰে বিষয়ববীয়া, ধেমাজি কোচ ৰাজবংশী মহিলা পৰিষদৰ সভানেত্ৰী গোলাপী বৰ্মন, ডিব্ৰুগড় কোচ ৰাজবংশী মহিলা সমিতিৰ সভানেত্ৰী জুনু দত্ত, কাৰ্যকৰী সভানেত্ৰী নিৰ্মালী দত্তৰ লগতে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তিকে আদি কৰি শতাধিক ৰাইজ উপস্থিত থাকে।

# সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সাংগঠনিক সভা অনুষ্ঠিত

**কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ**



**অসম বাৰ্তা বিশেষ, জাগুন, ২৪ ফেব্ৰুৱাৰী ঃ** মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত লেখাপানীৰ চাও ল্যুং চ্যুকাফা ৰঙ্গমঞ্চত দেওবাৰে সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা, টিৰাপ-জাগুন উপ শাখা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উক্ত সভাত টিৰাপ-জাগুন উপ শাখা সমিতিৰ বিষয় ববীয়া সকলৰ উপস্থিতিত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মূল মূল সিদ্ধান্ত সমূহৰ ভিতৰত টিৰাপ মৌজাৰ অন্তৰ্গত সকলো চাহ জনজাতি বসতি প্ৰধান গাঁও আৰু ক্ষুদ্ৰ চাহ বাগিচা সমূহত বসবাস কৰা কণকণ ল'ৰা-ছোৱালী তথা কিশোৰ-কিশোৰী সকলৰ শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰা আৰু সকলোকে বিদ্যালয় মুখী কৰি তোলা, চাহ বাগিচা সমূহত কৰ্মৰত শ্ৰমিক সকলৰ জীৱন ধাৰণ, প্ৰাথমিক সা-সুবিধা লাভ তথা বাগিচা কৰ্তৃপক্ষই চাহ শ্ৰমিক সকলক প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰিছেনে নাই এই সম্পৰ্কে জানিবলৈ স্ব-জমিন সাক্ষাৎ কৰাৰ উদ্দেশ্যে বাগিচাই বাগিচাই সজাতি দল প্ৰেৰণ কৰাৰ দৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰোপৰি চাহ জনগোষ্ঠীৰ লোক সকলে দীৰ্ঘদিন ধৰি সন্মুখীন হৈ অহা বিভিন্ন সমস্যা সমূহ স্থায়ী সমাধান কৰিবলৈ চেষ্টা নকৰি ৰাজনৈতিক দল তথা শাসনা ধিষ্ঠিত চৰকাৰ খনে কেৱল তেওঁলোকক ভোটৰ স্বাৰ্থত ব্যৱহাৰ কৰি অহাৰ অভিযোগ উত্থাপন কৰি আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনত যাতে কোনো ৰাজনৈতিক দলে জনগোষ্ঠীটোৰ লোকসকলক প্ৰলোভন দেখুৱাই ভোট আদায় কৰিব নোৱাৰে তাৰ বাবে টিৰাপ মৌজাত বসবাস কৰা চাহ-জনগোষ্ঠীৰ লোক সকলৰ মাজত সজাগতামূলক সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# মেঘদূত ভৱনত ভাৰতীয় গ্ৰামীণ ডাক কৰ্মচাৰী সংঘৰ বিশাল ধৰ্না কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, ধেমাজি, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় গ্ৰামীণ ডাক কৰ্মচাৰী সংঘ, অসম চাৰ্কোলৰ আহ্বান মৰ্মে আজি (CPMG) কাৰ্যালয় মেঘদূত ভৱনৰ সন্মুখত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা গ্ৰামীণ ডাক কৰ্মচাৰী সংঘৰ প্ৰায় দুই শতাধিক কৰ্মচাৰী উপস্থিত হৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে গুৱাহাটীৰ আকাশ বতাহ কঁপাই তোলে। কেইবাটাও বিশেষ দাবীলৈ আজি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে কৰ্মচাৰী সকলৰ বিভিন্ন দাবী পুৰণৰ বাবে বিভাগীয় আদেশ থকা সত্ত্বেও এতিয়ালৈকে তেখেতলোকৰ সমস্যা সমাধান নোহোৱাত আজি এই বিশেষ বিশাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ উপৰিও বিভিন্ন বিষয় সন্দ্ৰভত বিগত বহুদিন ধৰি বিভাগক বাৰম্বাৰ অৱগত কৰি অহাৰ পিছতো বিভাগৰ তৰফৰ পৰা কোনোধৰণৰ ফলপ্ৰসূ প্ৰদক্ষেপ বিভাগে গ্ৰহণ নকৰাত পুনৰ আজি গুৱাহাটী চাৰ্কোল কাৰ্যালয় মেঘদূট ভৱনৰ সন্মুখত পুনৰ ধৰ্ণা কাৰ্যসূচী অনুষ্ঠিত কৰি গণতান্ত্ৰিক প্ৰতিবাদৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ তথা বিভাগক দাবীসমূহ শীঘ্ৰে সমাধান কৰিবলৈ আহ্বান জনাই গ্ৰামীণ ডাক সেৱকসকলে। উল্লেখ্য যে গ্ৰামীণ ডাক সেৱক সকলে অতি পৰিশ্ৰম কৰাৰ পিছতো উপযুক্ত সা সুবিধাৰ পৰা যুগ-যুগ ধৰি বঞ্চিত হৈ অহাৰ লগতে তেখেতলোকৰ দৈনিক জীৱন যাপন কৰাৰ কৰাত ব্যাপক সমস্যাৰ সৃষ্টি হৈ আহিছে বুলি জানিবলৈ দিয়াৰ উপৰিও চৰকাৰ তথা বিভাগে সামান্যতম বেতন প্ৰদান কৰি দায়িত্ব সামৰিছে বুলি প্ৰতিবাদী সকলে দোহৰাৰ লগতে বহুজনে ইতিমধ্যে আত্মহত্যাৰ দৰে পথ বাছিলোৱা বুলিও ভাৰতীয় গ্ৰামীণ ডাক কৰ্মচাৰী সংঘ অসম চাৰ্কোল সম্পাদক ডি কে বৰাই সংবাদমাধ্যমক জানিবলৈ দিয়ে। তেখেত সকলক মুল দাবী সমূহ হ'ল। প্ৰাপ্য বেতনসহ ছুটি (Paid Leave) মঞ্জুৰ কৰাৰ ব্যৱস্থা কৰক। খালী হৈ থকা GDS পদসমূহত বিকল্প কৰ্মচাৰী (Substitute) নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক। খালী হৈ থকা বিভাগীয় Postman/MTS পদসমূহত জেষ্ঠতাৰ ভিত্তিত যোগ্য গ্ৰামীণ ডাক সেৱক সকলক অফিচিয়েটিংৰ সুযোগ প্ৰদান কৰক। অৱসৰ গ্ৰহণ কৰা GDS কৰ্মচাৰীসকলক ৭ দিনৰ ভিতৰত সকলো অৱসৰ জনিত সুবিধা ধন মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰক। মৃত্যু হোৱা GDS কৰ্মচাৰীৰ পৰিয়ালক ৭ দিনৰ ভিতৰত সকলো পাবলগীয়া ধন মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰক। মৃত্যু হোৱা GDS কৰ্মচাৰীৰ যোগ্য পৰিয়ালৰ সদস্যক ২ মাহৰ ভিতৰত অনুকম্পা নিযুক্তি প্ৰদান কৰক। লক্ষ্য পূৰণৰ নামত GDS কৰ্মচাৰীসকলৰ দৰমহা নিয়ম বহিৰ্ভূতভাৱে বন্ধ কৰি হাৰাশাস্তি কৰা, Attachment ৰ অজুহাতত বদলি কৰা আৰু বিষয়া সকলৰ অসভ্য বা অনুচিত ব্যৱহাৰ অতি শীঘ্ৰে বন্ধ কৰক। লক্ষ্য পূৰণৰ নামত মহিলা GDS কৰ্মচাৰীসকলক কৰা মানসিক হাৰাশাস্তি তৎক্ষণাত বন্ধ কৰক। কাছাৰ আৰু নলবাৰী-বৰপেটা ডিভিজনত ইউনিয়ন বৰঙনি কৰ্তনৰ ব্যৱস্থা কৰক। ডিব্ৰুগড়, নলবাৰী-বৰপেটা আৰু কাছাৰ ডিভিজনত ভাৰতীয় গ্ৰামীণ ডাক কৰ্মচাৰী সংঘৰ সৈতে নিয়মীয়া মাহেকীয়া বৈঠক অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰক। GDS চাৰ্কোল ৱেলফেয়াৰ ব'ৰ্ডৰ সভা অনুষ্ঠিত কৰক ইত্যাদি শ্ৰলোগানে দাবীসমূহ শীঘ্ৰে নিষ্পত্তি ও সমাধান কৰিবৰ বাবে বাবে CPMG ক স্মাৰকপত্ৰ প্ৰদান কৰে।

# সমাজসেৱক কেশৱ লাহনক "কৰ্মপ্ৰাণ" সন্মান প্ৰদান

## নকছাৰিৰ বাগিচাচুক নামঘৰ সমাজৰ আদৰণীয় পদক্ষেপ



**অসম বাৰ্তা, নকছাৰি, ২৪ ফেব্ৰুৱাৰী ঃ** কৰ্মই উপাসনা, হাঁহিয়েই জীৱন। যি জীৱনৰ সুখ আৰু দুখ হৰ্ষমনে গ্ৰহণ কৰিব জানে তেৱেঁই জীৱনৰ জীৱনৰ সৌন্দৰ্য উপভোগ কৰিব পাৰে। মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰিৰ বলিমৰা গাঁৱৰ কেশৱ লাহনে সমাজ-সাহিত্য-সাংস্কৃতিক সুবিশাল পথাৰখনত অক্লান্ত কৰ্মী হিচাবে সমাজলৈ অমূল্য সেৱা আগবঢ়াই আহিছে। ইংৰাজী১/১/১৯৪৪ তাৰিখে নকছাৰিৰ বলিমৰা গাঁৱত জন্মগ্ৰহণ কৰা কেশৱ লাহনে সেই সময়ৰ নকছাৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা হাই স্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ মৰিয়নি মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। পাছত তেখেতে নকছাৰি গাৰ্লছ এম ই স্কুলখনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাবে কেইবা বছৰও কাম কৰিছিল। "তৰাতলি টাই বিদ্যাপীঠ" নামেৰে এখন টাই বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাম কৰিছিল। তৰাতলি তাই বিদ্যাপীঠৰ প্ৰতিষ্ঠাপক অধক্ষ প্ৰয়াত তাৰ বৰুৱা, উপাধ্যক্ষ প্ৰয়াত নিৰুদ ৰাজকুমাৰ সভাপতি প্ৰয়াত ললিত গগৈ আৰু সম্পাদক কেশৱ লাহন আছিল। পাছত ১৯৭৫ চনত তেখেতে চাকৰি সূত্ৰে সমবায় বিষয়া হিচাপে লখিমপুৰলৈ যাব লগা হয়। ২০০৫চনত শিৱসাগৰ পৰা অসম চৰকাৰৰ সহ পঞ্জীয়ক হিচাবে অৱসৰ গ্ৰহণ কৰে। পঢ়ি থকা সময়ৰ পৰাই লাহনে সমাজৰ কাম কৰি ভাল পাইছিল। অৱসৰৰ পাছত নকছাৰিৰ প্ৰতিটো অনুষ্ঠান, প্ৰতিষ্ঠানৰ সৈতে সম্পৰ্ক স্থাপন কৰি অঞ্চলটিৰ উন্নতিৰ হকে কাম কৰি আহিছে। কালি ইংৰাজী ২২/০২/২০২৬ তাৰিখ দেওবাৰৰ সন্ধিয়া বাগিচাচুক নামঘৰ সমাজৰ তৰফৰ পৰা বাগিচাচুক নামঘৰ সমাজৰ সভাপতি চিদানন্দ গগৈ, সম্পাদক পংকজ প্ৰতিম গগৈৰ, উমকান্ত গগৈ, প্ৰাঞ্জল গগৈ, প্ৰমোদ গগৈ, ফণীধৰ গগৈৰ লগতে কেইবাজনো সদস্যই বাস গৃহলৈ গৈ সমাজৰ বাবে আগবঢ়োৱা বদান্যতাৰ নৈ অবিৰতভাৱে বৈ থকাৰ কামনাৰে কেশৱ লাহনলৈ ঞ্চকৰ্ম প্ৰাণঞ্চসন্মান আগবঢ়ায়। লাহন দেৱৰ জীৱনৰ এই শুভ ক্ষণত অতিকৈ আনন্দিত হয় লগতে বাগিচাচুক নামঘৰ সমাজৰ সমূহ ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰে। বাগিচাচুক নামঘৰৰ সমাজৰ এনে ধৰণৰ পদক্ষেপে সমাজৰ বাবে সেৱা আগবঢ়োৱা ব্যক্তি সকলক উৎসাহিত কৰি আগলৈকে সেৱা আগবঢ়ায় যাবলৈ প্ৰেৰণা যোগাব।

# পিএমশ্ৰী মঙলদৈ টাউন হাইস্কুলৰ এলুমনি এছ'চিয়েছন গঠন

**অসম বাৰ্তা, মঙ্গলদৈ, ২৪ ফেব্ৰুৱাৰী ঃ** মঙলদৈ চহৰৰ দুই নম্বৰ ৱাৰ্ডত অৱস্থিত পিএমশ্ৰী মঙ্গলদৈ টাউন হাইস্কুলৰ এলুমনি এছ'চিয়েছন গঠন উদ্দেশ্যে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি কালি বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী নয়না কৰ্মকাৰৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হৈ যায়। বিদ্যালয়খনৰ যথেষ্ট সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাত পূৰ্বৰ সমিতিখন ভংগ কৰি প্ৰাক্তন ছাত্ৰ নৱ কুমাৰ বৰদলৈ আৰু অৰ্জুন দাসক উপদেষ্টা, আব্দুল খালেকক সভাপতি, নৌচাদ আলীক কাৰ্যকৰী সভাপতি, ৰিদুল চন্দ্ৰ ডেকাক উপ-সভাপতি, তাজুল ইছলামক আহ্বায়ক, ডাঃ আফাজুল হক, সুমন ৰাজ, বনছেৰ আলী, পংকজ সিং, পলী শীল, আজাহাৰ আলী, অতুল চন্দ্ৰ ডেকা, অংকিতা গগৈ, সঞ্জীৱ কুমাৰ ডেকা, বীৰেণ দাস, মালা ডেকা, দীনেশ কলিতা আৰু গিৰীন্দ্ৰ প্ৰসাদ বৰুৱাক সদস্য হিচাপে লৈ এখন নতুন সমিতি গঠন কৰা হয়। এই সমিতিখনে আগন্তুক দিনত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগত বিদ্যালয়খনৰ শৈক্ষিক দিশটোৰ লগতে আন্তঃগাঁথনি উন্নয়নতো গুৰুত্ব দিব।

**নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবত সংবাদ সম্বোধন বেতন বঞ্চিত শিক্ষকৰ**

# বেতন বঞ্চিত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক সন্থাৰ সকীয়নি

## শিক্ষকে চৰমপন্থা বাচি লোৱাৰ হুংকাৰ



**অসম বাৰ্তা, লীলাবাৰী, ২৪ ফেব্ৰুৱাৰী ঃ** "একে সময়তে নিযুক্তিপ্ৰাপ্ত বেতন বঞ্চিত শিক্ষকসকলৰ মাজৰ পৰা ৪৫১১ গৰাকী শিক্ষকক ২০২১ চনৰ ৩০ জানুৱাৰীত গুৱাহাটীৰ খানাপাৰাত চৰকাৰে নিযুক্তি দি চাকৰি নিয়মীয়াকৰণ কৰে, যদিও ৩০০০ গৰাকী শিক্ষক চৰকাৰী বিষয়াৰ ভুলৰ বাবে বাদ পৰি ৰ'ল। বাদ পৰি ৰোৱা ৩০০০ শিক্ষকৰ ভিতৰত পাঁচ শতাধিক শিক্ষক লখিমপুৰ জিলাৰ।"- চৰকাৰীভাৱে ১৯৯১ চনৰ পৰা ২০০১ চনৰ ভিতৰত নিযুক্তিপ্ৰাপ্ত কৰ্মৰত বেতন বঞ্চিত শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ দাবীত সদৌ অসম কৰ্মৰত বেতন বঞ্চিত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক সন্থাই নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবত সংবাদমেল সম্বোধন কৰি সন্থাৰ কেন্দ্ৰীয় সভাপতি চবিন চন্দ্ৰ বৈশ্যই এনেদৰে কয়। সেই সময়ৰ সন্থাৰ সম্পাদক তথা বৰ্তমানৰ সন্থাৰ মুখ্য উপদেষ্টা ৰমেন শইকীয়াই নিযুক্তিৰ আগদিনা ২০২১ চনৰ ২৯ জানুৱাৰীত তেতিয়াৰ শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বিষয়টো অৱগত কৰিছিল বুলি উল্লেখ কৰি বৈশ্যই কয়, মুখ্যমন্ত্ৰী শৰ্মাই খানাপাৰাৰ সভাত নিযুক্তিৰ পৰা বাদ পৰি ৰোৱা শিক্ষকসকলক ৪৫ দিনৰ ভিতৰত নিযুক্তি দিয়া হ'ব বুলি ৰাজহুৱাকৈ ঘোষণা কৰিছিল। তেনে ক্ষেত্ৰত বিগত পাঁচ বছৰত চৰকাৰে নিযুক্তিৰ পৰা সম-যোগ্যতা সম্পন্ন শিক্ষকসকলক নিযুক্তিৰ কোনো ধৰণৰ ব্যৱস্থা নকৰিলে। ইতিমধ্যে চলিত চৰকাৰৰ শেষ বাজেট হৈ গ'ল যদিও শিক্ষকসকলৰ নিযুক্তি প্ৰক্ৰিয়া স্থবিৰ হৈ ৰোৱাত দীৰ্ঘদিন ধৰি বিনা বেতনে শিক্ষকতা কৰি সেৱা আগবঢ়াই অহা শিক্ষকসকলে মানসিক হতাশাত ভোগাৰ লগতে তীব্ৰ আৰ্থিক অনাটনৰ সন্মুখীন হোৱাৰ বিষয়ে জানিবলৈ দিয়ে। সন্থাৰ সভাপতি গৰাকীয়ে সংবাদমেলত কয় যে বিগত সময়ছোৱাত মুখ্যমন্ত্ৰী, বিভাগীয় মন্ত্ৰীক বহুবাৰ আবেদন-নিবেদন কৰাৰ সমান্তৰালকৈ গুৱাহাটীৰ চচলত প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰা হ'ল, যদিও আজিকোপতি সমস্যাটোৰ সমাধান নহ'ল আৰু শিক্ষকসকলে বিচৰা ধৰণেৰে চৰকাৰৰ পক্ষৰ পৰা আলোচনালৈ নামাতিলে। বিগত পাঁচ বছৰত এই তিনি হাজাৰ শিক্ষকৰ ভালে সংখ্যক শিক্ষকে বিনা বেতনে অৱসৰ ল'লে। বহু কেইগৰাকী শিক্ষকে আৰ্থিক অনাটনৰ সৈতে যুঁজি সঠিক চিকিৎসা গ্ৰহণ কৰিব নোৱাৰি অকাল মৃত্যুক সাৱতি ল'লে। সন্থাৰ কেন্দ্ৰীয় সম্পাদক বিশ্বজিত চৌধুৰী, সম্পাদক জানমনি দাস, কাৰ্যকৰী সভাপতি পুতুল লাগাচু, উপ-সভাপতি কৈশল্য কুটুমে অংশগ্ৰহণ কৰা সংবাদমেলত শিক্ষকসকলে তেওঁলোকৰ দুৰ্দশাৰ বৰ্ণনা কৰি তীব্ৰ ক্ষোভ আৰু অসন্তুষ্টি ব্যক্ত কৰে। তেওঁলোকে কয় যে, লখিমপুৰ সমষ্টিৰ বিধায়ক মানৱ ডেকাক মুখ্যমন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰাই দিবলৈ বহুবাৰ আবেদন কৰাৰ পিছতো আজিলৈকে মুখ্যমন্ত্ৰীৰ সাক্ষাৎ নাপালে। অহা ২৫ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী ড° শৰ্মা লখিমপুৰলৈ এক অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ আহিব। মুখ্যমন্ত্ৰী অহাৰ পূৰ্বে চৰকাৰে বেতন বঞ্চিত শিক্ষকসকলক আলোচনাৰ মেজলৈ আমন্ত্ৰণ নজনালে লখিমপুৰ, ধেমাজী, মাজুলীৰ শিক্ষকসকলে লখিমপুৰত সমবেত হৈ মুখ্যমন্ত্ৰীৰ সন্মুখতে চৰমপন্থা বাচি লৈ মৃত্যুক আকোৱালি লবলৈ বাধ্য হ'ব বুলি সন্থাৰ বিষয়ববীয়াসকলে মুখ্যমন্ত্ৰীক সকীয়াই দিয়ে। এনে অনাকাংক্ষিত পৰিস্থিতিৰ উদ্ভৱ হলে তাৰ বাবে চৰকাৰ জগৰীয়া হ'ব বুলি উল্লেখ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন